e-paper : www.janamukti.in

The Janamukti | 4 January 2018 | Guwahati | ₹ 7/-

## ভিতৰৰ পৃষ্ঠাত...


- ▲ গুৱাহাটীত মুকলি হ'ল স্বচ্ছ সৰ্বেক্ষণ ২০১৮
- ▲ জনগোষ্ঠীয় স্বায়ত্ব শাসন ঃ সংশয়-সংঘাতৰ অবাঞ্চিত আখৰা
- ▲ বিদেশী বহিস্কৰণৰ প্ৰাসঙ্গিকতা
- ▲ আমাৰ ঘৰখনৰ অভ্যন্তৰীণ প্ৰদূষণ
- ▲ সাম্প্ৰতিক কালত নাৰীৰ সামাজিক দায়বদ্ধতা
- ▲ জনজীৱনৰ এক এৰাব নোৱৰা অংগ


স্ব-অধিকাৰ ৰক্ষাৰ পক্ষত

সাপ্তাহিক

# জনমুক্তি

প্ৰথম বছৰ | সংখ্যা ১১ | ১৯ পুহ | ১৯৩৯ শক | বৃহস্পতিবাৰ | গুৱাহাটী | মূল্য ঃ ৭ টকা




## মুখ্য সম্পাদকৰ মুকলি চিন্তা

▲ উপেন্দ্ৰ নাথ কলিতা

## আত্মকথনেৰে আৰম্ভ হওঁক নৱবৰ্ষ !

বিদায়ী বৰ্ষৰ স্মৃতিৰে নতুন দিনৰ ন-সংকল্পৰে নৱবৰ্ষক আদৰাৰ সময় এয়া। সকলো সমস্যাই মুকলি কৰক সম্ভাৱনাৰ দুৱাৰ। সংকটৰ জাল ফাটি ওলাই আহক সফলতাৰ বাট। সাধনাই দেখক সফলতাৰ মুখ। এই আশাৰে আমি আদৰো আহক এই নৱবৰ্ষক। নৱবৰ্ষৰ এই সন্ধিক্ষণত অৱশ্যে এটা কথা স্পষ্ট যে সাধনাত সিদ্ধি লাভ কৰিবলৈ, সমস্যাই সম্ভাৱনাৰ দুৱাৰ খুলিবলৈ, সংকটে সফলতাৰ বাট দেখিবলৈ আমাক নিশ্চয় প্ৰাথমিক অৱস্থাতে প্ৰয়োজন হ'ব এক আত্মকথনৰ। আত্মকথন মানেই নিজৰ লগত কথা পতা। আত্মকথনৰ আন এক ৰূপেই হ'ল আত্মবিশ্লেষণ। *শেষাংশ ৪ পৃষ্ঠাত*

# ৰক্ষা কৱচৰ শংখধ্বনিৰে শুভাৰম্ভ নৱবৰ্ষ



## এয়া ঐক্যবদ্ধভাৱে যুঁজাৰ সময়

ড° হীৰেন গোহাঁই

নাগৰিকত্ব আইন সংশোধনী বিধেয়কৰ বিৰুদ্ধে আমি ৰাজ্যজুৰি সজাগতা সৃষ্টিৰ প্ৰয়াস কৰিছো। শেহতীয়াকৈ নাগৰিকত্ব সংশোধনী বিধেয়ক *শেষাংশ ১৮ পৃষ্ঠাত*

## সুদীৰ্ঘদিনীয়া মহাসংগ্ৰামৰ সফলতাৰ পোহৰ

**জনমুক্তিৰ প্ৰতিবেদন ঃ** খিলঞ্জীয়াৰ ৰক্ষা কবচৰ শংখধ্বনিৰে শুভাৰম্ভ হ'ল নৱবৰ্ষ ২০১৮। ৩১ ডিচেম্বৰৰ মাজনিশা প্ৰকাশ পোৱা ১ কোটি ৯০ লাখ লোকৰ নাম সামৰি লোৱা প্ৰথমখন এন আৰ চিৰ খচৰাত নিজৰ নাম চাবলৈ নৱবৰ্ষৰ পহিলা দিনাই ৰাজ্যৰ চৌদিশে সৃষ্টি হ'ল এক ব্যতিক্ৰমী পৰিৱেশৰ। অনুপ্ৰৱেশে জাতীয় অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি কৰি জাতিটোক সংকটৰ সন্মুখীন কৰোৱাৰ বাট যেন বন্ধ হ'ব এই এন আৰ চিৰ জৰিয়তে। সেই বিশ্বাস আৰু আশাৰেই দেশৰ জনতাই এন আৰ চি প্ৰকাশলৈ আশাৰে বাট চাই বৈছিল। *শেষাংশ ১৬ পৃষ্ঠাত*




## এন আৰ চিক লৈ বাংলাদেশৰ উদ্বিগ্নতা, অসমৰ বাবে ইতিবাচক

**তিলক মহন**

পূৰ্বৰ পূব পাকিস্তান আৰু বৰ্তমানৰ বাংলাদেশ। অসম তথা ভাৰতবৰ্ষৰ চুবুৰীয়া এই দেশখন তথা ইয়াৰ পৰা প্ৰব্ৰজিত লোকক লৈ বিগত চাৰিটা দশক ধৰি অসমৰ ৰাজনীতি আৰু সমাজনীতি উত্তাল হৈ আহিছে। বিশ্বৰ ভিতৰতে অন্যতম দৰিদ্ৰ দেশখনৰ পৰা খাদ্য আৰু নিৰাপদ ভৱিষ্যতৰ তাড়নাত জাকে জাকে তথা প্ৰতিবছৰে দেশখনৰ সাধাৰণ নাগৰিকে অন্য দেশলৈ প্ৰব্ৰজিত হ'বলৈ বাধ্য হৈছে। চুবুৰীয়া হোৱাৰ *শেষাংশ ১৬ পৃষ্ঠাত*

আছুতীয়া সাক্ষাৎকাৰত অসম সাহিত্য সভাৰ নৱ-নিৰ্বাচিত সভাপতি ড° পৰমানন্দ ৰাজবংশী

## খিলঞ্জীয়াৰ স্বাধিকাৰ ৰক্ষাৰ বাবে অসম সাহিত্য সভা দায়বদ্ধ



**জনমুক্তি ঃ** প্ৰথমেই অসম সাহিত্য সভাৰ সভাপতি ৰূপে নিৰ্বাচিত হোৱাত আপোনাক অভিনন্দন জনাইছো। প্ৰথম কথা। সাহিত্য সভা সন্দৰ্ভত আপোনাৰ নাম ওলালেই সকলোৱে বিতৰ্কিত শব্দটো ব্যৱহাৰ কৰে আপুনি কি ক'ব?

ঃ মই আচলতে নিজেই বিতৰ্ক কৰিছো বুলি নাভাবো। বিতৰ্কিত কথাটো আনৰ দৃষ্টিৰে কোৱা কথা। অৱশ্যে তৰ্ক আৰু বিতৰ্কৰ মাজেদিহে *শেষাংশ ১৬ পৃষ্ঠাত*

## শুভ নৱবৰ্ষ

**জনমুক্তিৰ প্ৰতিবেদন ঃ** এখন দেশ বা এখন ৰাজ্য তেতিয়াই সমৃদ্ধিশালী হয় যেতিয়া দেশখনৰ শিক্ষা-সাহিত্য-সংস্কৃতিৰ লগতে দেশ বা ৰাজ্যখনৰ অৰ্থনৈতিক দিশ শক্তিশালী হয়। আনহাতে সুস্থ দেহত সুস্থ মনৰ অধিকাৰী ব্যক্তিয়েহে এখন সুস্থ সমাজ গঠন কৰিব পাৰে। এখন সুস্থ সমাজ গঠনত সাহিত্যৰ অৱিহণা যথেষ্ট। যান্ত্ৰিকতাৰ *শেষাংশ ২২ পৃষ্ঠাত*

## সোণালী সন্ধিক্ষণত জ্যোতি চিত্ৰবন

**পবিত্ৰ মাৰ্ঘেৰিটা**



নৱবৰ্ষৰ নতুন দিনত ৰাজ্যবাসীলৈ জনাইছো অফুৰন্ত শুভকামনা। সোণালী জয়ন্তীৰ এক সোণালী সন্ধিক্ষণত উপনীত হৈছে জ্যোতি চিত্ৰবন। এই বৰ্ষত এক শক্তিশালী চলচ্চিত্ৰ নীতি প্ৰস্তুত কৰা হ'ব। ইয়াৰ বাবে ইতিমধ্যে বহু শিল্পীক লৈ এক উচ্চস্তৰীয় কমিটী গঠন কৰা হৈছে। আন্তঃৰাষ্ট্ৰীয় চলচ্চিত্ৰ মহোৎসৱেই নহয়, আন্তঃৰাষ্ট্ৰীয় শিশু চলচ্চিত্ৰ মহোৎসৱৰ আয়োজনৰো পৰিকল্পনা আছে। *শেষাংশ ১৮ পৃষ্ঠাত*

# মুখ্যমন্ত্ৰী ডাঙৰীয়া, শুনিবনে জনতাৰ মনৰ কথা



জনমুক্তিৰ, ‘মুখ্যমন্ত্ৰী মহোদয়, শুনিবনে জনতাৰ মনৰ কথা শিতানত আপোনাৰ অঞ্চল ভিত্তিক সমস্যাৰ অভিজ্ঞতাভিত্তিক মন্তব্য আমালৈ পঠাওক। মুখ্যমন্ত্ৰীৰ দৃষ্টি গোচৰ কৰাবলৈ আপুনিও লিখক। আপোনাৰ মন্তব্যৰ সৈতে নাম-ঠিকনা সহ একপি ফটো আমালৈ পঠিয়াওক হোৱাটছ এপৰ জৰিয়তে।
আমাৰ হোৱাটছ এপ নম্বৰ ৯৫০৮৬ ৭৭১৮৩।
EMail : Janamukti11@gmail.com

### ৰঞ্জিতা দেৱী, সাংবাদিক, গুৱাহাটী



ৰাজ্যৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াক নমস্কাৰ জনাইছো। আপুনি জ্ঞাত, অসমৰ সংবাদ মাধ্যমে আৰম্ভণিৰে পৰাই ৰাজ্যখনৰ উন্নতি, সমাজ গঠন, শিক্ষা, স্বাস্থ্য, ক্ৰীড়া, বিনোদন, জাতিৰ স্বাৰ্থত, দেশৰ স্বাৰ্থত সদায়ে মাত মাতি আহিছে। সংবাদ কৰ্মীৰ দীৰ্ঘদিনীয়া যুদ্ধ কালীন পৰিৱেশৰ পিছত অসমখনত এক নতুন দিগন্তৰ সূচনা হোৱা বুলি সহস্ৰ জনতাই মতপোষণ কৰে। জনতাৰ স্বাৰ্থক সেৱা জনাই প্ৰতিদিনেই সংবাদ কৰ্মীসকলে নিজস্ব সকলো ত্যাগ কৰি সমাজ সংস্কাৰৰ সংগ্ৰামত জঁপিয়াই পৰে। কিন্তু দুৰ্ভাগ্যবশতঃ এই সংবাদসেৱীসকল আজিও নিৰাপত্তা হীনতাত ভুগিছে। ক্ষুদ্ৰ পেপাৰ গোষ্ঠী, মজলীয়া পেপাৰগোষ্ঠী আদি সকলো সংবাদসেৱীয়ে নিজস্ব সকলো এৰি ৰাইজৰ স্বাৰ্থত আগুৱাই যায়। বিভিন্ন সময়ত আপুনি শুনিবলৈ পাই সংবাদসেৱীক আক্ৰমণৰ ঘটনা, হত্যাৰ দৰে জঘন্য ঘটনা। সকলোৱে জ্ঞাত গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ সেৱীসকলক সুৰক্ষা দিয়াত ব্যৰ্থ কংগ্ৰেছ, এজেপি, আপোনাৰ নেতৃত্বাধীন বিজেপি চৰকাৰখন। সেয়ে আপোনালৈ মোৰ বিনম্ৰ অনুৰোধ সমাজ গঠনৰ মুখ্য নায়কৰ দায়িত্ব পালন কৰা সংবাদসেৱীসকলৰ জীৱন সুৰক্ষিত, সুনিশ্চিত কৰাৰ ব্যৱস্থা শীঘ্ৰেই কাৰ্যকৰী হোৱাকৈ গ্ৰহণ কৰে যেন।

### অৰ্পিতা বৰদলৈ, নলবাৰী



জয়জয়তে মাননীয় মুখ্যমন্ত্ৰী মহোদয়লৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিলো। নলবাৰী জিলাৰ বাসিন্দা মই। বৰ্তমান স্বাস্থ্য, শিক্ষা, যাতায়ত আদি বিভিন্ন ক্ষেত্ৰত চহৰখনত গতানুগতিকতাৰ মাজেৰে কাৰ্যকলাপ সম্পন্ন হৈ আছে। কিন্তু চিন্তনীয় বিষয় এয়ে যে বিভিন্ন পৰীক্ষাৰ অন্তত নতুন দেহৰ, পশ্চিম বনভাগ, ধৰ্মপুৰ আদি বহুতো ঠাইৰ খোৱাপানী আৰ্চেনিক ফ্লু'ৰাইড ইত্যাদিৰ দৰে বিষাক্ত মৌলসমূহৰ অৱস্থিতি ধৰা পৰিছে। উল্লেখ্য যে, এই মৌলসমূহ কেন্সাৰ, পংগুতা, ষ্ট্ৰক, ফ্লু'ৰচিচ আদিৰ দৰে ভয়াবহ তথা জটিল ৰোগৰ কাৰক। গতিকে মহোদয়ক এই শিতানটিৰ যোগেদি অনতি পলমে উক্ত সমস্যাটি সমাধানৰ বাবে বিজ্ঞানসন্মত পদক্ষেপ গ্ৰহণ কৰিবলৈ বিনম্ৰ অনুৰোধ জনালো।

### হীৰামণি শৰ্মা উপমন্যু, গুৱাহাটী



যোৱা বছৰটোক লৈ মই একেষাৰে ক'ব খোজো মুঠেও সন্তুষ্ট নহয় বুলি। ক'বলৈ গ'লে যোৱা বছৰটোৱে দেশক একো এটাই উন্নতিৰ পথত আগুৱাই যোৱা নতুনৰ সোৱাদ নিদিলে। ব্যক্তিৰ উন্নতি দেশৰ লগত জড়িত, দেশৰ উন্নতিক লৈ চৰকাৰৰ পৰা যিমানখিনি আশা কৰিলো সিমানখিনি সম্পূৰ্ণৰূপে পূৰণ কৰিব নোৱাৰিলে চৰকাৰে।

আগৰ দৰেই এক বিন্দুতে স্থবিৰ হৈ থাকিল নিবনুৱা সমস্যা, বানপানীৰ সমস্যা, বিদেশী আগ্ৰাসনৰ সমস্যা, এইবোৰৰ উপৰিও মূল্যবৃদ্ধি আদিতো আছেই। সমস্যাবোৰ সমস্যা হৈয়েই থাকিল। হত্যা, লুণ্ঠন, বলাৎকাৰ আদিবোৰৰ দৰে ঘটনা হ্ৰাস পোৱাৰ পৰিৱৰ্তে এই জঘন্য ঘটনাবোৰ বেছিকৈহে ঘটিব ধৰিলে। চৰকাৰখনে যি পৰিৱৰ্তনৰ ঢৌ আনিব বিচাৰিছিল সেয়া মাথোঁ ৰাজনৈতিক মুনাফা আদায় কৰিবলৈ কোৱা বাক্য যেনহে সহজে অনুমান কৰিব পাৰি। দেশত ক্ৰমাগতভাৱে সাম্প্ৰদায়িকতা ঘটনা বৃদ্ধিয়ে অসমৰ দৰে এখন সমন্বয়ৰ ক্ষেত্ৰভূমিৰ বাসিন্দাক বাৰুকৈয়ে আঘাত কৰিছে। মানুহে আশা লৈ জীয়াই থাকে। আশা কৰিছো নতুন বছৰত চৰকাৰখনে ৰাজ্যবাসীক এটা সুখৰ বছৰ প্ৰদান কৰিব। চাওতে চাওতে সময়ৰ হিচাবত আৰু এটি বছৰ যোগ হ'ল। এটা বছৰৰ অন্তত বছৰটোৱে আমাক কি দিলে কি নিদিলে তাক বিশ্লেষণ নকৰিলে নিশ্চয় ভুল হ'ব। আশা কৰিছো নতুন বছৰটোৱে মানুহৰ মনৰ মলিনতাবোৰ ধুই নি এখন নিকা সমাজ গঢ়াত সহায় কৰিব। দেশৰ প্ৰধান সমস্যাসমূহ দূৰ কৰাত এই বছৰত বিশেষ গুৰুত্ব দিব বুলি আশা কৰিলো। অকল চৰকাৰে নহয় আমিও ইজনে সিজনক বোকা ছটিওৱা ৰাজনীতি এৰি দেশৰ উন্নতিৰ বাবে হাতে-কামে লগাটোহে বিচাৰো। বানপানী কেনেদৰে নোহোৱা কৰিব পাৰি তাকে চৰকাৰে উন্নতমানৰ ব্যৱস্থা কৰি দেশবাসীক মানুহ হিচাপে জীয়াই থাকিব সুবিধা কৰি দিয়াটো কামনা কৰো। আমাৰ দেশ খেতিপ্ৰধান । সেয়েহে কামনা কৰো চৰকাৰে খেতিয়কৰ কথা চিন্তা কৰি তেওঁলোকৰ উন্নতি কৰিলে ভালপাওঁ। দেশত স্বচ্ছ অভিযানৰ ওপৰত গুৰুত্ব দি নলা-নৰ্দমাৰ লগতে প্লাষ্টিকৰ ব্যৱহাৰ দূৰ কৰি জাৱৰ আদি নিষ্ক্ৰিয় কৰাটো বিচাৰো। তেতিয়াহে দেশত বানপানী কম পৰিমাণে হ'ব। বিজুলীৰ ব্যৱস্থাও যাতে উন্নত মানদণ্ডৰ কৰে। যাতে বানপানী হ'লেও কোনো মানুহ মেনহোলবোৰত নপৰে লগতে বিজুলী ব্যৱস্থাৰ অকৰ্মণ্যতাৰ ফলত যাতে কোনো মানুহৰ মৃত্যু হোৱাটো নিবিচাৰো। প্ৰতিদিনে বৃদ্ধি পোৱা বিদেশীৰ আগ্ৰাসনে দেশৰ স্থায়ী বাসিন্দাৰ স্থিতিত বিৰূপ প্ৰভাৱ পেলাইছে। গতিকে চৰকাৰে এইটো বিষয়ত গুৰুত্ব আৰোপ কৰিব বুলি কামনা কৰিছো।

### ৰিণিকি ডেকা, নলবাৰী



মাননীয় মুখ্যমন্ত্ৰী মহোদয়, বৰ্তমান সময়ত আটাইতকৈ দৰকাৰী অলংকাৰ হৈছে শিক্ষা। এই শিক্ষা লাভ কৰে একো একোজন শিক্ষকৰ পৰা। কিন্তু আজিকালি শিক্ষক হিচাপে পাঠদান কৰিবলৈ হ'লে বি এড ডিগ্ৰী খুবেই প্ৰয়োজন হৈ পৰিছে। কিন্তু দুৰ্ভাগ্যবশতঃ চৰকাৰী বি এড কলেজৰ সংখ্যা খুবেই তাকৰ আৰু যিমানকেইখন আছে তাত টকাৰ প্ৰয়োজন ইমান বেছি যে তাত নামভৰ্তি সাধাৰণ শ্ৰেণীৰ মানুহে কৰিব নোৱাৰে। গতিকে মহোদয়ে ভৱিষ্যতৰ কথা লক্ষ্য ৰাখি অনতি পলমে সাধ্য অনুসাৰে প্ৰতিখন জিলাতে একোখনকৈ চৰকাৰী বি এড কলেজ স্থাপন কৰিবলৈ টানি অনুৰোধ জনালো।

### ধীৰাশ্ৰী তালুকদাৰ, পাঠশালা



মই পাঠশালাৰ নিবাসী। চৰকাৰে স্বচ্ছতাৰ ওপৰত ইমান গুৰুত্ব দিয়াৰ পিছতো আজি ঠাই বিশেষে ভাল ৰাজহুৱা শৌচালয়ৰ অভাৱ দেখা গৈছে। বজালী অঞ্চলৰ টিহু দেখাতা গাঁও পঞ্চায়তৰ অন্তৰ্গত বনগাঁও অঞ্চলত ৰাজহুৱা শৌচালয়ৰ অভাৱ দেখা যায়। তাৰ উপৰিও উপযুক্ত শ্মশান ঘাটৰ অভাৱ। গতিকে মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনালো বনগাঁও অঞ্চলত ৰাজহুৱা শৌচালয় স্থাপন কৰে যেন। লগতে এটা অত্যাধুনিক শ্মশান ঘাট স্থাপন কৰাৰ বাবে অনুৰোধ জনালো।

### অংকুৰজ্যোতি দাস, মিৰ্জা



পোন প্ৰথমে মুখ্যমন্ত্ৰী মহোদয়লৈ মোৰ সহস্ৰ প্ৰণাম। মই পলাশবাৰী সমষ্টিৰ বাসিন্দা হওঁ। দেশৰ সম উন্নয়নত সদায়ে সমৰ্থন জনাও আমি। কিন্তু দেশৰ অন্য ৰাজ্যৰ তুলনাত আমাৰ ৰাজ্যৰ উন্নয়ন তেনেই সীমিত। ঠিক সেইদৰে আমাৰ ৰাজ্যখনৰ ১২৬ টা সমষ্টিৰ ভিতৰত পলাশবাৰী সমষ্টি অন্যতম যদিও আজিকোপতি ৰাজ্যখনৰ অন্য সমষ্টিৰ লেখীয়াকৈ এই সমষ্টিটোৰ উন্নয়ন হোৱা নাই। শিক্ষা, স্বাস্থ্য আদি সকলো দিশতেই পিছপৰি আছে সমষ্টিটো। আমি দ্ৰুত উন্নয়নত সমৰ্থন জনাও। সেয়েহে বিগত পোন্ধৰ বছৰীয়া শাসনৰ গাদীভাৰ ওফৰাই আমি আপোনালোকৰ চৰকাৰক শাসনভাৰ প্ৰদান কৰিছিলো। সেয়েহে মুখ্যমন্ত্ৰী মহোদয়ক মোৰ অনুৰোধ। সমষ্টিটোৰ দ্ৰুত উন্নয়নৰ বাবে শীঘ্ৰে কাৰ্যকৰী হোৱাকৈ কেতবোৰ গুৰুত্বপূৰ্ণ ব্যৱস্থা গ্ৰহণ কৰে যেন।

# গুৱাহাটীত মুকলি হ'ল স্বচ্ছ সৰ্বেক্ষণ ২০১৮

**গুৱাহাটী ঃ** অলপতে গুৱাহাটী পৌৰ নিগমে গুৱাহাটীত মুকলি কৰিছে স্বচ্ছ সৰ্বেক্ষণ ২০১৮। গুৱাহাটী টাউন ক্লাৱত ২৮ ডিচেম্বৰত অনুষ্ঠিত এক সংবাদমেলযোগে গুৱাহাটী পৌৰ নিগমৰ পৌৰপতি মৃগেন শৰণীয়াই পৌৰ নিগমৰ আয়ুক্ত মনালিছা গোস্বামী, জনপ্ৰিয় অভিনেতা কপিল বৰা আৰু অভিনেত্ৰী সাগৰিকা গোস্বামীৰ উপস্থিতিত মুকলি কৰে এই স্বচ্ছ সৰ্বেক্ষণ ২০১৮ৰ গুৱাহাটী সংস্কৰণ। আদৰণি ভাষণৰ পূৰ্বে মেয়ৰ মৃগেন শৰণীয়াই বন্তি প্ৰজ্বলনেৰে অনুষ্ঠানৰ শুভাৰম্ভ কৰে।




উল্লেখ্য যে দেশৰ চহৰসমূহক নগৰীয়া অনাময় ব্যৱস্থা উন্নীতকৰণৰ বাবে ভাৰত চৰকাৰে স্বচ্ছ ভাৰত অভিযান (নগৰ) ৰ অংশ হিচাপে এই স্বচ্ছ সৰ্বেক্ষণ ২০১৮ ৰ আয়োজন কৰিছে। সামগ্ৰিক প্ৰেক্ষাপটত জনসাধাৰণৰ অংশগ্ৰহণক উদ্বুদ্ধ কৰিবলৈ আৰু সমাজৰ প্ৰতিটো খণ্ডকে সজাগ কৰি তোলাৰ মাধ্যমেৰে সামগ্ৰিক পৰিৱেশ পৰিস্কাৰ কৰি তোলাৰ লক্ষ্য হাতত লোৱা হৈছে। আজি অনুষ্ঠানৰ প্ৰাৰম্ভিক অৱস্থাতে গুৱাহাটী পৌৰ নিগমৰ আয়ুক্ত মনালিছা গোস্বামীয়ে কয়, "গুৱাহাটীখনক দেশৰ ভিতৰতে অন্যতম পৰিস্কাৰ চহৰ হিচাপে গঢ়ি তোলাৰ বাবে আমি ভালেমান পদক্ষেপ গ্ৰহণ কৰিছো" ইতিমধ্যে ৰাইজৰ মাজলৈ অহা স্বচ্ছতা শীৰ্ষক এপ্ৰ সন্দৰ্ভত তেওঁ কয়, "এই এপ্পটোৰ সহায়ত জনসাধাৰণে তেওঁলোকৰ অভিযোগসমূহ দাখিল কৰিব পাৰে আৰু সংশ্লিষ্ট কৰ্তৃপক্ষৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে, তথা ইয়াৰ ভিত্তিতে কৰ্তৃপক্ষই যাৱতীয় ব্যৱস্থা তাৎক্ষণিকতাৰে গ্ৰহণ কৰিব পাৰো।" তেওঁ লগতে গুগল টয়লেট লোকেটৰ ব্যৱহাৰ কৰি চহৰৰ কোন কোন ঠাইত প্ৰস্ৰাৱগাৰ আদি আছে সেয়া মুহূৰ্ততে বিচাৰি উলিয়াম পাৰিব বুলিও কয়।

অনুষ্ঠানতে ঘোষণা কৰা হয় যে গুৱাহাটী পৌৰ নিগনৰ তৰফৰ পৰা পৰিচ্ছন্ন বিদ্যালয়, হোটেল, হাস্পতাল, বজাৰ গৃহ, আবাসিক কল্যাণ সস্থা আদিৰো পৰিচ্ছন্নতাৰ তদাৰক কৰা হ'ব আৰু সমশ্লিষ্ট শাখাসমূহত শ্ৰেষ্ঠত্বৰ ভিত্তিত পুৰস্কাৰ প্ৰদান কৰা হ'ব। এই সন্দৰ্ভত পৌৰপতি মৃগেন শৰণীয়াই কয়, "প্ৰতি সপ্তাহৰ মঙলবাৰ আৰু শুকুৰবাৰে শুকান ভিজা আৱৰ্জনাবোৰ পৃথকীকৰণ কৰি ৰখা হ'ব। এই আৱৰ্জনাসমূহ সংগ্ৰহৰ বাবে ৫৮ টা এন জি অ'ক ইতিমধ্যে দায়িত্ব দিয়া হৈছে আৰু সেই আটাইকেইটাকে পৰিচ্ছন্নতাৰ বিভিন্ন কাম কৰিবলৈ বিভিন্ন এলেকা ভিত্তিত ভাগ-বাটোৱাৰা কৰি দিয়া হৈছে।" তেওঁ সমাজৰ প্ৰতিগৰাকী সদস্য তথা আবাসীকে এই সন্দৰ্ভত সাধাৰণ ৰাইজৰ মাজলৈ এই স্বচ্ছতাৰ বাৰ্তা কঢ়িয়াই নিয়াৰ বাবেও আহ্বান জনায়, যাতে সমগ্ৰ দেশতে গুৱাহাটীক শ্ৰেষ্ঠতম পৰিচ্ছন্ন চহৰ হিচাপে উপনীত কৰাব পাৰি।

আজি এই অনুষ্ঠানত জনপ্ৰিয় অভিনেতা কপিল বৰা আৰু সাগৰিকা গোস্বামীক স্বচ্ছ সৰ্বেক্ষণ, ২০১৮ ৰ ব্ৰেণ্ড এম্বেচাদৰ হিচাপে ঘোষণা কৰা হয়। অভিনেতাগৰাকীয়ে এই সন্দৰ্ভত কয়, "এই অনন্য উদ্দেশ্যৰ সৈতে জড়িত হ'বলৈ পাই মই নথৈ আনন্দিত হৈছো, ব্ৰেণ্ড এম্বেচাদৰতকৈ গুড বিল এম্বেচাদৰ হিচাপে ক'বলৈ ভাল পাম। মোৰ তৰফৰ পৰা স্বচ্ছতাক মানুহৰ হৃদয়ত উত্থাপিত কৰাৰ বাবে যথাসাধ্য চেষ্টা কৰিম।

## হিমন্ত বিশ্ব শৰ্মাৰ মন্তব্য কু-ৰুচিপূৰ্ণ ঃ চি পি আই (এম)

**গুৱাহাটী ঃ** ত্ৰিপুৰাৰ এক জনসভাত অংশগ্ৰহণ কৰি অসমৰ স্বাস্থ্য তথা শিক্ষা মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সৰকাৰক বিধান সভা নিৰ্বাচনৰ পিছত বাংলাদেশলৈ খেদি পঠোৱা হ'ব বুলি কৰা মন্তব্যৰ পিছতেই জাঙুৰ খাই উঠিছে চি পি আই এম। ৩০ ডিচেম্বৰত এক সংবাদমেল যোগে হিমন্ত বিশ্ব শৰ্মাৰ এনে মন্তব্য কু-ৰুচিপূৰ্ণ আৰু কাণ্ডহীন বুলি অভিহিত কৰিছে চি পি আই এমৰ অসম ৰাজ্যিক কমিটিৰ সম্পাদক দেবেন ভট্টাচাৰ্যই। সংবামেলত দেবেন ভট্টাচাৰ্যই কয় হিমন্ত বিশ্ব শৰ্মাৰ এনে মন্তব্যই কেৱল যে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰীজনকেই বাংলাদেশলৈ বিতাৰিত কৰা হ'ব বুজাইছে এনে নহয়, তেওঁৰ মন্তব্যই চি পি আই এমৰ কৰ্মীসকলকো বাংলাদেশলৈ বিতাড়িত কৰাৰ পোষকতা কৰিছে বুলি কয়। নিজৰ ৰাজনৈতিক সংস্কৃতি আৰু সততাৰ বাবে ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী মাণিক সৰকাৰ সমগ্ৰ দেশতে এগৰাকী সমাদৃত ব্যক্তি বুলিও মন্তব্য কৰে চি পি আই এম দলৰ ৰাজ্যিক কমিটিয়ে। এগৰাকী মন্ত্ৰী হিচাপে ক'ত কেনেকৈ কি ধৰণৰ কথা ক'ব লাগে তাৰ ন্যূনতম জ্ঞানো হিমন্ত বিশ্ব শৰ্মাৰ নোহোৱাটো দুৰ্ভাগ্যজনক আৰু তেওঁৰ এনে মন্তব্যই সমগ্ৰ ৰাজ্যবাসীকেই দেশবাসীৰ আগত লজ্জিত কৰি আহিছে বুলি মতপোষণ কৰে দেবেন ভট্টাচাৰ্যই।



*নলবাৰী কলেজ ৰোডত 'চান বিম হেল্থ কেয়াৰ চেণ্টাৰ' মুকলি কৰাৰ মুহূৰ্তত এচিএছ বিষয়া কৃষ্ণা বৰুৱা।*

## কামেশ্বৰ দেৱ-কামেশ্বৰী দেৱীৰ বিবাহ উৎসৱ

**চাংসাৰী ঃ** শক্তিৰ আৰাধ্যা স্থান মা কামাখ্যা ধাম। যুগে যুগে নিজৰ মানস সিদ্ধিৰ বাবে ধৰ্মীয় ৰীতিৰে আৰাধনা কৰি আহিছে 'মা কামাখ্যাক'। এই শক্তিপীঠ কামাখ্যাত আয়োজন কৰা হৈছে এখন বিবাহ বাৰ্ষিকী। এক কথাত ই এক কথাত বিবাহ উৎসৱ। মা কামেশ্বৰী আৰু কামেশ্বৰ দেৱৰ এই বাৰ্ষিক (পুহন বিয়া) উৎসৱ। এই উদ্দেশ্যেই তিনি জানুৱাৰীৰ সন্ধিয়া ছয় বজাত অধিবাসেৰে মাংগলিক কাৰ্য অনুষ্ঠিত হ'ব। দ্বিতীয় দিনা ৰাতিপুৱা আঠ বজাৰ পৰা আৰম্ভ হোৱা এই বিবাহ উৎসৱৰ শুকুৰবাৰে সন্ধিয়া ছয় বজাত বাহি বিয়াৰে মাংগলিক বিবাহখনৰ সামৰণি ঘটিব বুলি জনাইছে দেবোত্তৰ সমাজে। উৎসৱৰ প্ৰতিটো অনুষ্ঠানতেই দৰ্শনাৰ্থী তথা ভক্তপ্ৰাণ ৰাইজৰ অধিক সমাৱেশ ঘটিব বুলিও জনাইছে উদ্যোক্তাসকলে।

## 'নামঘৰীয়া'ৰ স্ৰষ্টা অতুলানন্দ গোস্বামী অসম প্ৰকাশন পৰিষদৰ জীৱনজোৰা সাধনা বঁটা

**গুৱাহাটী ঃ** প্ৰথিতযশা সাহিত্যিক তথা নামঘৰীয়া উপন্যাসৰ স্ৰষ্টা, গুৱাহাটীৰ হাতীগড় চাৰিআলিৰ নিবাসী অতুলানন্দ গোস্বামীলৈ ২০১৭ খ্ৰীষ্টাব্দৰ অসম প্ৰকাশন পৰিষদৰ জীৱনজোৰা সাধনা বঁটা আগবঢ়োৱা হৈছে। আজি পৰিষদৰ বামুণীমৈদামস্থিত কাৰ্যালয়ৰ সভাকক্ষত অনুষ্ঠিত এখন সংবাদমেলত এই ঘোষণা কৰে পৰিষদৰ উপাধ্যক্ষ সুমন্ত চলিহা আৰু সচিব প্ৰমোদ কলিতাই। এক বিজ্ঞপ্তিত আজি পৰিষদে জানিবলৈ দিয়া মতে কাইলৈ পৰিষদৰ হীৰক জয়ন্তীৰ শুভলগনত চানমাৰীৰ অসম অভিযান্ত্ৰিক প্ৰতিষ্ঠান খেলপথাৰত বিয়লি ৪ বজাৰ পৰা অনুষ্ঠিত হ'বলগা ৩১তম গুৱাহাটী গ্ৰন্থমেলাৰ উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে অতুলানন্দ গোস্বামীক এই বঁটা আনুষ্ঠানিকভাৱে প্ৰদান কৰিব। এই বঁটাত আছে এটি স্মাৰক, প্ৰশস্তি, প্ৰশস্তি-পত্ৰ আৰু নগদ দুই লাখ টকা। উল্লেখ্য, যোৰহাট জিলাৰবংদৈৰ ককিলা আধাৰ সত্ৰত ১৯৩৪ চনৰ ২২ জানুৱাৰীত জন্মগ্ৰহণ কৰা গোস্বামীয়ে যোৰহাট চৰকাৰী হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা বিজ্ঞান শাখাত স্নাতক ডিগ্ৰী লাভ কৰে। তাৰ পৰৱৰ্তী সময়ত স্নাতকোত্তৰ শিক্ষা গ্ৰহণ নকৰিলেও গোস্বামীয়ে প্ৰাইভেটকৈ অসমীয়া আৰু ইংৰাজী বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতক ডিগ্ৰী লাভ কৰে। ১৯৬১ চনত অসম চৰকাৰৰ বিক্ৰী কৰ বিভাগত চাকৰিত যোগদান কৰি তেওঁ এই বিভাগৰে বিভিন্ন পদত কাৰ্যনিৰ্বাহ কৰি ১৯৯১ চনত সহকাৰী কৰ আয়ুক্ত হিচাপে অৱসৰ গ্ৰহণ কৰে। ১৯৬৬ চনত তেওঁৰ 'হামদৈ পুলৰ জোন' নামৰ প্ৰথম গল্প সংকলন প্ৰকাশ পায়। তাৰ পৰৱৰ্তী সময়ত ১৯৯০ চনত তেওঁৰ একমাত্ৰ উপন্যাস 'নামঘৰীয়া' প্ৰকাশ পায়। প্ৰণিধানযোগ্য যে নেশ্যনেল বুক ট্ৰাষ্টৰ উদ্যোগত 'নামঘৰীয়া' উপন্যাসখন ভাৰতীয় ১২ টা ভাষালৈ অনুদিত হয়। আৰু এইখন উপন্যাসৰ বাবেই গোস্বামীয়ে অসম সাহিত্য সভাৰ অম্বিকাগিৰি ৰায়চৌধুৰী বঁটাও লাভ কৰে। ইফালে গোস্বামীয়ে 'বলীয়া হাতী' নামৰ গল্পৰ বাবে সৰ্বভাৰতীয় কথা পুৰস্কাৰ লাভ কৰিবলৈ সক্ষম হোৱাৰ উপৰি গোস্বামীয়ে ২০০৬ চনত 'চেনেহৰ জৰীৰে গাঁঠি' নামৰ গল্প সংকলনটোক বাবে সাহিত্য অঁকাডেমীৰ বঁটা লাভ কৰে। ২০১৩ চনত গোস্বামীয়ে জীৱনজোৰা সাহিত্য কৰ্মৰ বাবে মেগৰ সাহিত্য ন্যাস পদত্ত অসম উপত্যকা সাহিত্য বঁটাও লাভ কৰে।

১ পৃষ্ঠাৰ পৰা

# আত্মকথনেৰে আৰম্ভ হওঁক নৱবৰ্ষ !

এই আত্মবিশ্লেষণ অথবা আমাৰ আত্মকথনৰ পৃষ্ঠভূমিতেই লুকাই আছে আমাৰ সফলতাৰ সোণসেৰীয়া সেন্দূৰীয়া আলিৰ কথা। আমি কোন বাটে যাম, ক'ত গ'লে সফলতা পাম আৰু সেই সফলতা কিমান দীৰ্ঘস্থায়ী হ'ব সেয়া নিৰ্ভৰ কৰিব আমাৰ আত্মকথনমুখী বিশ্লেষণধৰ্মী চিন্তা-চৰ্চাৰ ওপৰত। ভুলবোৰ শুধৰাই আত্মসংশোধনীৰে আগুৱাই যোৱাৰ আদিপাঠ দিয়ে আমাক আত্মকথনে। নীৰৱতাৰো আছে এক সোণসেৰীয়া ভাষা। এই নীৰৱতাৰ ভাষা বুজি আত্মাৰ লগত আমি আলাপ কৰিব জানিলে ভুলবাটে জীৱনে কেতিয়াও বাট বুলিব নোৱাৰে। সকলোৰে নিৰ্দেশনা ভুল হ'লেও আত্মাই আত্মকথনৰ মাজেৰে আমাক দিয়া নিৰ্দেশনা কেতিয়াও ভুল হ'ব নোৱাৰে। আমি নিজেই আমাৰ নিজৰ ভিতৰত থকা সেই আত্মাৰ কথা বুজি ইংগিত মানি কাম কৰিবলৈ নিশ্চয় শিকিব লাগিব। কিন্তু এতিয়া যেন আমি সকলোৱেই আত্মাৰ সৈতে কথা পাতিবলৈ আত্ম বিশ্লেষণ কৰিবলৈ এৰি দিলো। ফলত আমাৰ কথাহে সদায় গ্ৰহণযোগ্য হ'ব লাগিব, আনৰ কথা ভুল, আমাৰ কথাহে সদায় শুদ্ধ এনে এক আত্মবিশ্লেষণহীন প্ৰৱণতা আমাৰ মাজত গা কৰি উঠিল। যাৰ ফলত আমি আত্মবিশ্লেষণহীনভাৱে সস্তীয়া আত্ম প্ৰচাৰৰ কথা ভাবি আমাৰ বাট হেৰুৱালো। ফলত আমাৰ চৌদিশৰ সমস্যা বাঢ়ি গৈ থাকিল। সমাধানৰ নামত সমস্যাৰ জটিলতা বাঢ়িল। মানুহে যান্ত্ৰিকতাৰ মাজত অজানিতভাৱে সোমাই পৰি জীৱনৰ অন্বেষণ কৰিবলৈ লাগি ল। ফলত বস্তুবাদী চিন্তাই আমাক গ্ৰাস কৰি পেলালে। আমি যেন হেৰুৱালো আমাৰ আত্মপৰিচয়। বোবা হৈ থাকিল আমাৰ আত্মা। বহুদিন ধৰি কোনেও আত্মাৰ নিৰ্দেশ শুনা নাই। নিৰিবিলি নীৰৱতাৰ মাজত থাকি আত্মাৰে আলাপ কৰিও আমি পোৱা নাই। ফলত বস্তুবাদী চিন্তাৰে আমি বাহ্যিক দৃষ্টিত চহকী হৈছো সঁচা। বিলাসী জীৱনৰ মোহত ঐশ্বৰ্য চন্দুকৰ সন্ধান কৰি আমি পাহৰি গৈছো জীৱনৰ অৰ্থ। আমি পাহৰি গৈছো মানৱীয় মূল্যবোধৰ কথা। নৈতিকতাৰ শংখল ছিঙি যোৱা এক উন্মাদ জীৱনশৈলীৰে নিজকে সজাবলৈ গৈ আমি সলাই পেলাইছো সঁচা মনৰ মানুহৰ সাজ। ক'ব নোৱাৰাকৈয়ে আমি নিজৰ মূল্যবোধৰ ভেঁটিত কবৰ খান্দিছো। মূল্যবোধহীন জীৱনৰ চাকনৈয়াত দিকভ্ৰান্ত হৈ থাকি আমি হেৰুৱাইছো আমাৰ নিজৰ ঠিকনা। হৃদয়ৰ অন্বেষণেৰে আত্মাৰ আলাপৰ বিপৰীতে আমি পৰিচয়হীনভাৱে এক পৰিচয় গঢ়াৰ নামত অযথা দৌৰাদৌৰি কৰিছো। এই দৌৰাদৌৰি কৰিবলৈ গৈ আমি হেৰুৱাইছো আমাৰ আত্মবিশ্বাস, হেৰুৱাইছো পাৰস্পৰিক বিশ্বাস। আপোন মানুহবোৰৰ পৰিচয় আমাৰ বাবে হৈছেগৈ পৰ। পিতা-পুত্ৰৰ স্নেহ-ভালপোৱা, মাকৰ মমতাময়ী মৰম-ভালপোৱা এই মানৱীয় গুণসমূহেৰে জীপাল হৈ থাকিবলগা আমাৰ ঘৰবিলাকত এতিয়া সেই পৰিৱেশ ক্ৰমে নোহোৱা হৈছে। ককা-নাতিৰ সাধুৰ গোন্ধ লগা পৰিৱেশ এতিয়া সাধুকথা হ'ল। জীৱনক যাপন কৰাৰ নামত বিলাস বৈভৱত অধিক নিৰ্ভৰশীল হোৱাত হেৰাই গ'ল আমাৰ জীৱনৰ ছন্দ। এনে ছন্দহীন জীৱনক লৈ এতিয়া আমাৰ সন্মুখত জিলিকি উঠিছে এটাৰ পিছত আন এটাকৈ সমস্যা। সামাজিক জীৱন অস্থিৰ। নেতাই ক্ষমতাৰ খকত কল্যাণমুখী ৰাজনীতিৰ ব্যৰ্থ সন্ধান কৰিছে। সামাজিক-ৰাজনৈতিক-অৰ্থনৈতিক সকলো দিশতে এই অস্থিৰ জীৱনৰ প্ৰভাৱ পৰিছে। সকলো সমস্যাৰ সমাধানৰ গুৰিকথাই হ'ল সুগভীৰ বিশ্লেষণ, সুগভীৰ পৰিকল্পিত পৰিকাঠামো আৰু সুনিৰ্দিষ্ট আঁচনি। কিন্তু সেই সুনিৰ্দিষ্ট লক্ষ্যত উপনীত হৈ সাফল্য লাভৰ জখলাত উঠিবলৈ হ'লে আমাৰ আত্মবিশ্লেষণমুখী আত্মকথনৰ বিকল্প নাই। পৰিৱৰ্তন নিজৰ মনৰ মাজৰ পৰা হ'ব লাগিব। আত্মকথনৰ জৰিয়তে আত্মাৰ নিৰ্দেশ মানি মূল্যবোধৰ সোণসেৰী আলিত খোজ দিলে, সহৃদয়, স-স্নেহ আন্তৰিকতাৰে পৰকো আপোন কৰি ল'ব পাৰিলে জীৱন সুখময় নহৈ নোৱাৰে। সমস্যাই সমাধানৰ বাট কাটি সফলতাৰ মুখ নেদেখাকৈ নাথাকে। তেনেহ'লে আহক নিজৰ লগত নিজেই কিছু কথা পাতি আত্মকথনৰ মাজত বিচাৰি চাও জীৱনৰ অৰ্থ। যি অৰ্থময়ী মূল্যবোধৰ ভেঁটিত মুকলি হ'ব সমাজৰ পৰিৱৰ্তনৰ সেউজ সম্ভাৱনাৰ দুৱাৰ।

# জনগোষ্ঠীয় স্বায়ত্ব শাসন ঃ সংশয়-সংঘাতৰ অবাঞ্চিত আখৰা

ছফিকুদ্দিন আহমেদ

*বৃটিছে দি যোৱা গোলামীৰ ঐতিহ্য আমাৰ দেশৰ কংগ্ৰেছ, হিন্দু মহাসভা আৰু মুছলীম লীগৰ দৰে দলবোৰে বহন কৰি থাকিল। জনগোষ্ঠীয় অসন্তুষ্টিৰ পথাৰত স্বাধীনতাৰ কালৰ কংগ্ৰেছ চৰকাৰবোৰে সংঘাতৰ বীজ ৰোপণ কৰে। সৈনিক, সংগ্ৰামী, সাম্যবাদৰ স্বপ্ন দেখা বিষ্ণুৰাভাক বাধা দিবলৈ বিষ্ণুৰাম মেধি আৰু বিমলা প্ৰসাদৰ দৰে কংগ্ৰেছী মুখ্যমন্ত্ৰীয়ে পি টি চি এৰ জন্ম দিছিল। দুয়োজন মুখ্যমন্ত্ৰীয়ে সাম্যবাদী আন্দোলনৰ পৰা জনজাতীয় ভাইসকলক আঁতৰাই নিবলৈ অহৰহ চেষ্টা চলাইছিল। পাছলৈ সকলো হ'ল। কংগ্ৰেছে বিচৰা ধৰণে সফল হ'ল, কিন্তু ৰাজ্যখনৰ সামগ্ৰিকতাই বাৰে বাৰে মানিব লগা হৈ আছে।*

অসমত জনগোষ্ঠীয় স্বায়ত্ব শাসনৰ উকমুকনিয়ে আন এক সংশয় সংঘাতৰ অবাঞ্চিত আখৰা আৰম্ভ কৰাটো পৰিলক্ষিত হৈছে। এই মুহূৰ্ততে উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ এঙামুৰিয়ে বিষময় ভৱিষ্যতৰ পিনে অঞ্চলটোক লৈ গৈছে বুলি ক'ব পাৰি। বৃটিছ সাম্ৰাজ্যবাদৰ সমান্তৰালকৈ খৃষ্টান ধৰ্মযাজকবোৰে ৰচনা কৰা 'বাইবেলবাদ'ৰ আঁহফলা ৰাজনীতি আৰু দেশীয় ৰাজ্য বৰ্গৰ খোৱা-কামোৰা, মধ্যবিন্দু বৰ্ণহিন্দু আত্ম প্ৰতিষ্ঠাৰ স্বপ্ন তথা অহমিকা আদিৰ ফলত সৃষ্ট জনগোষ্ঠীয় পশ্চাৎপদতাই এটা সমত বিৰূপ পৰিস্থিতিৰ জন্ম দিয়ে। যোৱা শতিকাৰ পাতনিৰ সময়ছোৱাত অসমৰ বিভিন্ন মঙ্গোলীয় জনগোষ্ঠীবোৰৰ মাজত বৰ্ণ হিন্দুৰ অহমিকাৰ বিৰুদ্ধে জাগৰণ আৰম্ভ হৈছিল। পাছলৈ সিয়ে বিভিন্ন জনজাতিয়ে গোটবোৰৰ মাজত আত্ম প্ৰতিষ্ঠাৰ বাবে উকমুকনিৰ সৃষ্টি কৰিছিল। বঙালা সম্প্ৰসাৰণবাদৰ বিপক্ষে অসমীয়া মধ্যবিত্ত বৰ্ণহিন্দুত্বৰ ভাৱনাই এই অঞ্চলৰ আন জনগোষ্ঠীবোৰৰ স্থিতি আৰু ঐতিহ্যৰ প্ৰতি তীব্ৰ ভাবুকিৰ সৃষ্টি কৰিছিল। তেনে এক সংশয়ৰ পৰিণতিত ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰথমতে বড়োসকলেই এঙামুৰি দিয়ে। অসমীয়া মধ্যবিত্তই আন জনগোষ্ঠীবোৰক আওকাণ কৰি সি বোৰক অসমীয়াত্বৰ অংগীভূত হিচাপে ভাবি লৈ আগবাঢ়িছিল। সেয়া সদিচ্ছাৰ পৰিৱৰ্তে অহমিকা আৰু ভাষিক সম্প্ৰসাৰণবাদৰ নামান্তৰ আছিল। জনগোষ্ঠীবোৰ স্বাৰ্থৰ কথা ভৱাটো অসমীয়া মধ্যবিত্তৰ বাবে সপোনৰো অগোচৰ আছিল।

তেনে প্ৰৱণতাৰ বিপক্ষে বড়ো উকমুকনিয়েও আন কেতবোৰ সমগোত্ৰীয় জনগোষ্ঠীৰ সপোন ধূলিসাৎ কৰি দিয়ে। তেওঁলোকেও ডিমাছা, কছাৰী, ৰাভা, দেউৰী, মদাহী, শৰণীয়া আদিক নিজৰ বড়ো জাতীয়তাৰ নামত ব্যৱহাৰ কৰিবলৈ উঠি-পৰি লাগে। এফালে অসমীয়াত্বৰ নামত কূটিল জাহ যোৱাৰ আহ্বান, আনহাতে বড়োৰ নামতো একে প্ৰৱণতাৰ উন্মেষ ঘটাত অসমৰ সমাজ জীৱনত লাহে লাহে জনগোষ্ঠীয় অশান্তিৰ বিষ্ময় প্ৰক্ৰিয়া আৰম্ভ হ'ল। বৰ্ণহিন্দু অসমীয়া মধ্যবিত্তৰ অহমিকা আৰু খৃষ্টান পাদুৰীৰ আঁহফলা কাম-কাজে এই জনগোষ্ঠীয় উকমুকনিৰ সুযোগ লৈছিল। বিভিন্ন জনগোষ্ঠীৰ মাজত সম্প্ৰীতিৰ সপোন তচ-নচ কৰি খৃষ্টান যাজক শ্ৰেণীয়ে প্ৰশাসনীয় পৃষ্ঠপোষকতা লাভৰ মাজেৰে দীৰ্ঘদিনৰ বাবে এক প্ৰক্ৰিয়া আৰম্ভ কৰিলে। এটা সময়ত আফ্ৰিকাত খৃষ্টান যাজকে লগত বাইবেল নি আফ্ৰিকাৰ বিভিন্ন জাতিৰ মাজত ধৰ্মৰ প্ৰচাৰ আৰম্ভ কৰিলে। এটা সময়ত আফ্ৰিকাত খৃষ্টান যাজকে লগত বাইবেল নি আফ্ৰিকাৰ বিভিন্ন জাতিৰ মাজত ধৰ্মৰ প্ৰচাৰ আৰম্ভ কৰে। সেই তেতিয়া দেশীয় লোকৰ হাতত আছিল মাটি আৰু বিদেশী যাজকৰ হাতত আছিল বাইবেল। অচিৰেই সেই পৰিস্থিতিৰ সলনি হৈ এটা সময়ত যাজকৰ হাতলৈ মাটি গ'ল আৰু দেশীয় লোকৰ ভাগ্যত মিলিল বাইবেল। এনে পৰিমাণ অসমীয়া বৰ্ণবিন্দুৱেও উত্তৰ অসমৰ তামুলপুৰ, টংলা, হৰিশিঙা আৰু ওদালগুৰি অঞ্চলত আৰম্ভ কৰিছিল। বৰপেটাৰ মহাজনসকলে এহাতত কীৰ্তন ঘোষা আৰু আনহাতত দগা-পাল্লালৈ গৈ জনজাতীয় অঞ্চলবোৰত ব্যৱসায়িক কাম-কাজ চলাইছিল। অৰ্থাৎ ধৰ্মগ্ৰন্থই শাসন-শোষণ গজগজীয়া কৰা কথাটো সঁচা বুলি প্ৰমাণিত হ'ল। এনেদৰে এক ঐতিহাসিক প্ৰক্ৰিয়াত সৃষ্ট হোৱা ক্ষোভ আৰু হতাশাই এটা সময়ত গৈ জনগোষ্ঠীয় সংঘাতবোৰ তীব্ৰতৰ কৰি তোলে।

বৃটিছে দি যোৱা গোলামীৰ ঐতিহ্য আমাৰ দেশৰ কংগ্ৰেছ, হিন্দু মহাসভা আৰু মুছলীম লীগৰ দৰে দলবোৰে বহন কৰি থাকিল। জনগোষ্ঠীয় অসন্তুষ্টিৰ পথাৰত স্বাধীনতাৰ কালৰ কংগ্ৰেছ চৰকাৰবোৰে সংঘাতৰ বীজ ৰোপণ কৰে। সৈনিক, সংগ্ৰামী, সাম্যবাদৰ স্বপ্ন দেখা বিষ্ণুৰাভাক বাধা দিবলৈ বিষ্ণুৰাম মেধি আৰু বিমলা প্ৰসাদৰ দৰে কংগ্ৰেছী মুখ্যমন্ত্ৰীয়ে পি টি চি এৰ জন্ম দিছিল। দুয়োজন মুখ্যমন্ত্ৰীয়ে সাম্যবাদী আন্দোলনৰ পৰা জনজাতীয় ভাইসকলক আঁতৰাই নিবলৈ অহৰহ চেষ্টা চলাইছিল। পাছলৈ সকলো হ'ল। কংগ্ৰেছে বিচৰা ধৰণে সফল হ'ল, কিন্তু ৰাজ্যখনৰ সামগ্ৰিকতাই বাৰে বাৰে মানিব লগা হৈ আছে। কংগ্ৰেছৰ বিভাজনৰ ৰাজনীতিৰ লগত বৰ্ণহিন্দুৰ সাহিত্য সভাই অৱজ্ঞা আৰু অৱহেলাৰে জনজাতীয়বোৰক ক্ষীপ্ৰ কৰি তোলে। জাহ যোৱাৰ স্বাভাৱিক গতিত বিশ্বাস হেৰুৱাই সাহিত্য সভাৰ কাণ্ডাৰীসকলে আৰম্ভ কৰা কাণ্ডজ্ঞানহীন প্ৰক্ৰিয়াবোৰে পৰিস্থিতি ভয়াৱহ কৰি তোলে। অগপৰ দিনত গঢ় লোৱা উগ্ৰ অসমীয়াবাদে জনগোষ্ঠীবোৰত আকৌ সংশয়ৰ মাজলৈ লৈ যায়। গলে গলে কংগ্ৰেছেও হিতেশ্বৰ (যদিও কংগ্ৰেছৰ বাহিৰে কাৰো হিত সাধন কৰাৰ নজিৰ নাই) আৰু সন্তোষ মেহানে (অসন্তোষৰ মৌচাক) মিলি উপেন ব্ৰহ্মৰ দৰে স্বাৰ্থপৰ বড়ো নেতাৰ জন্ম দি অশান্তিৰ দাবানল সৃষ্টি কৰে। এই ক্ষেত্ৰত প্ৰফুল্ল আৰু বৃন্দাবনহঁতৰ মুৰ্খামিও কম জগৰীয়া নাছিল। নেতৃত্বৰ প্ৰশ্নতেই বিভিন্ন জনগোষ্ঠীবোৰৰ মাজৰ মধ্যবিত্ত সকলে হেতা-ওপৰা লগোৱাটো অৱধাৰিত হৈ পৰে। নেতৃত্বৰ প্ৰশ্নতেই বিভিন্ন জনগোষ্ঠীবোৰৰ মাজৰ মধ্যবিত্তসকলে হেতা-ওপৰা লগোৱাটো অৱধাৰিত হৈ পৰে। নেতৃত্বৰ প্ৰশ্নতেই উপেন ব্ৰহ্মই আবছুৰ জন্ম দিয়ে। আকৌ বড়োৰ মাজতো খৃষ্টানখিনিয়ে আন এক চক্ৰান্ত ৰচনা কৰে। তাৰ ফলত অনেক বড়ো যুৱক-যুৱতীয়ে আবছু আৰু বি এছ এইৰ অৰিয়াঅৰিত প্ৰাণ দিবলগা হয়। এতিয়াও কোকৰাঝাৰ আৰু ওদালগুৰিৰ মাজত সংঘাত শেষ হোৱাগৈ নাই। আপেক্ষিকভাৱে আগবঢ়া দৰঙৰ খৃষ্টান বড়োসকলে কোকৰাঝাৰৰ হিন্দু বড়োৰ নেতৃত্ব মানি ল'ব পৰা নাই। এনেবোৰ কাৰকৰ হেতুকে বড়ো শান্তি চুক্তি বাৰে বাৰে থমকি ৰৈছে। কংগ্ৰেছ, ভাজপা আৰু অগপৰ দৰে নেতিবাচক দলবোৰে আকৌ তাকে কামনা কৰে।

এতিয়া অসমত বিভিন্ন জনজাতীয় গোষ্ঠীবোৰক স্বায়ত্ব শাসন দিয়া হ'ল। কাৰ্বি স্বায়ত্ব পৰিষদে কি নজিৰ সৃষ্টি কৰিলে সকলোৱে জানে। গুৱাহাটীস্থ ঠিকাদাৰ, কেৰাণী, মহৰি, বিষয়াই স্বাৰ্থপৰ কাৰ্বি লোকৰ লগত মিতিৰালি পাতি ৰংমিলিৰ হাঁহি কাঢ়ি ল'লে। সেউজীয়া আৱৰণ নিমিষতে নাইকিয়া হ'ল। জয়ন্ত ৰংপী, হলিৰাম টেৰাং আদিৰ দৰে স্বাৰ্থপৰ নেতাই কাৰ্বিৰ সপোন ধূলিসাৎ কৰি দিলে। অসমীয়া জাতীয়তাৰ ঠিকাদাৰসকলৰ পদাংক অনুসৰণ কৰি বাকীবোৰ জনগোষ্ঠীৰো মধ্যবিত্তীয় নেতৃত্বই আঁচনিৰ ধন *শেষাংশ ১৯ পৃষ্ঠাত*

# বিদেশী বহিষ্কৰণৰ প্ৰাসঙ্গিকতা

**ইঞ্জিনিয়াৰ জাকিৰ হুছেইন**

জোৰ পুৰি হাত পালেহি বুলি প্ৰায়ে শুনা যায় জাতীয়তাবাদীৰ ৰূপত আন্দোলনকাৰী সকলৰ মুখত। অনুপ্ৰৱেশকাৰীয়ে হেনো অসমৰ ১২৬ টা বিধানসভা সমষ্টিৰ ৪৩ টাতে সংখ্যাগৰিষ্ঠতাৰে নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। কংগ্ৰেছে এই ৪৩ টাৰ কেইটাত জয়লাভ কৰিছিল সেইটোও মন কৰিবলগীয়া। কংগ্ৰেছে সিংহভাগ সময় শাসনৰ বাঘজৰী লৈ শাসনভাৰ চলালে যদিও সমস্যা সমাধানৰ ৰাজনৈতিক সচেষ্টা কোনোকালে নকৰিলে। দৰাচলতে তেওঁলোকৰ সমস্যা সমাধানৰ কোনো সদিচ্ছা নাছিল। সমস্যাটো জীয়াই ৰখাটোৱে তেওঁলোকৰ ৰাজনীতিৰ মূল চালিকা শক্তি।

বিগত চাৰি দশক যুৰি অসমৰ ৰাজনৈতিক তথা সমাজ জীৱনত অতিকৈ প্ৰভাৱ বিস্তাৰ কৰা বিষয়টো হৈছে বিদেশী সমস্যা। বিশেষকৈ নিৰ্বাচনৰ সময়ত বিষয়টোক লৈ ৰাজনৈতিক দলবোৰে হেতালি খেলা পৰিলক্ষিত হয়। সম্প্ৰতি বিষয়টো বাৰে বাৰে উত্থাপন হ'বলৈ ধৰিছে। বিদেশী অনুপ্ৰৱেশকাৰীৰ সমস্যাই বয়াবহৰ ৰূপ ধাৰণ কৰাৰ আশংকা আৰু অসমৰ জনগাঁথনি সম্পূৰ্ণ সলনি কৰা বিষয়টোক লৈ বিগত বিধান সভা নিৰ্বাচনত সৰৱ চৰ্চা চলিল। চ'ছিয়েল মিডিয়াত কথা ক'ব নোৱাৰা স্বাসৰুদ্ধ কাৰী পৰিবেশে বিৰাজ কৰিলে। অবৈধ অনুপ্ৰৱেশৰ ফলত অসমীয়াৰ অস্তিত্বৰ প্ৰতি ভাবুকি সৃষ্টি হোৱাৰ বিজতৰীয়া সংবেদনশীল বিষয় এটাক তুলুঙা কৰি পেলোৱা পৰিলক্ষিত হ'ল। এইটোও পৰিলক্ষিত হৈছে '৭৯-৮৫ ৰ আছু আৰু গণ সংগ্ৰাম পৰিষদৰ নেতৃত্বত হোৱা ছবছৰীয়া আন্দোলনৰ পুনৰাবৃত্তি কৰাৰ অহৰহ চেষ্টা চলিছে। অসম চুক্তি স্বাক্ষৰকাৰী সকলে প্ৰায় চাপে ন বছৰ শাসনভাৰ চলাই এশজন বিদেশীকো চিনাক্ত কৰি বহিষ্কৰণ কৰিব নোৱাৰাৰ যুক্তি সংগত গতানুগতিক প্ৰশ্নও বহুতে উত্থাপন কৰিছে। এনে কিছুমান প্ৰাসঙ্গিক প্ৰশ্নই অসমবাসীক দ্বিতীয় এক বৃহৎ আন্দোলনৰ বাবে অনুপ্ৰাণিত কৰিব পাৰিবনে? অসমৰ বিদেশী বিতাৰণ আন্দোলনৰ আঠ শতাধিক শ্বহীদক বিশ্বাসঘাতকতা কৰাৰ পৰিণতিতেই সম্প্ৰতি অসমত বিদেশী নাগৰিকৰ সমস্যাটোৱে ভয়াবহ ৰূপ ধাৰণ কৰাৰ আশংকা বিভিন্ন মহলে প্ৰকাশ কৰি আহিছে। ইফালে বৰ্তমানৰ বিজেপি তথা আছু নেতৃত্বই বিদেশী সমস্যাই ভয়াবহ ৰূপ পৰিগ্ৰহ কৰাৰ বাবে একমাত্ৰ এজন নেতা বা এখন চৰকাৰৰ গাত দোষ জাপি দায় সাৰিব বিচাৰিলেও, দোষমুক্ত কৰাৰ প্ৰচেষ্টাত ব্ৰতী হোৱা বৰ্তমানপ নেতৃত্বৰ ঢাক-ঢোল হাস্যাস্পদ। কাৰণ যেতিয়া অগপ চৰকাৰ শাসনত আছিল তেতিয়া মুখ্যমন্ত্ৰীৰ সহযোগী মন্ত্ৰী বিধায়কসকলৰ বেছিভাগেই আজি বিজেপিত যোগদান কৰিলে। যেতিয়া প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰফুল্ল মহন্তই এইক্ষেত্ৰত বিধি পঠালি দিছিল বা আই এম ডি টি আইনৰ অজুহাত ফালৰি কাটিব বিচাৰিছিল তেতিয়া তেওঁৰ সতীৰ্থ আৰু আছু নেতৃত্ব নিশ্চুপ আছিল কিয়? তেতিয়া তেওঁলোকে আজিৰ লেখিয়াকৈ জোৰদাৰ প্ৰতিবাদ নকৰিলে কিয়? ইফালে কংগ্ৰেছ দলে বিদেশীৰ ভোটৰ জৰিয়তে ক্ষমতাৰ বাঘজৰী হাতত লৈ থকাক অভিযোগ সঁচাকৈ কিমান সত্য? যদি সেয়ে হয় তেন্তে এইবাৰ নিৰ্বাচনৰ ৬৬ শতাংশৰ ৩৪ শতাংশৰ বিৰুদ্ধে যি যুদ্ধ সেইখন সফল হ'ব জানো? ২০১১ বিধানসভা নিৰ্বাচনত উজনিত কংগ্ৰেছে জয়লাভ কৰা আসনবোৰত বিদেশীৰ ভোট কিমান শতাংশ আছিল এবাৰ পৰিসংখ্যাগতভাৱে প্ৰতিষ্ঠা কৰক। কংগ্ৰেছ দলে সন্দেহযুক্ত বিদেশীসকলক ৰক্ষণাবেক্ষণ দিয়া, ভোটবেংক হিচাপে ব্যৱহাৰ কৰা আদি বিষয়বোৰ জনগণৰ অবিদিত নহয়। '৮০ দশকৰ অসম আন্দোলনো নিশ্চিতভাৱে এই দলটোৰ বিৰুদ্ধেই আছিল। সেয়ে বিদেশী সমস্যা সমাধান নোহোৱা বাবে জবাবদিহি কোন হ'ব লাগে তাক ৰাইজে সহজে অনুধাবন কৰিছে।

জোৰ পুৰি হাত পালেহি বুলি প্ৰায়ে শুনা যায় জাতীয়তাবাদীৰ ৰূপত আন্দোলনকাৰী সকলৰ মুখত। অনুপ্ৰৱেশকাৰীয়ে হেনো অসমৰ ১২৬ টা বিধানসভা সমষ্টিৰ ৪৩ টাতে সংখ্যাগৰিষ্ঠতাৰে নিৰ্ণায়ক ভূমিকা পালন কৰি আহিছে। কংগ্ৰেছে এই ৪৩ টাৰ কেইটাত জয়লাভ কৰিছিল সেইটোও মন কৰিবলগীয়া। কংগ্ৰেছে সিংহভাগ সময় শাসনৰ বাঘজৰী লৈ শাসনভাৰ চলালে যদিও সমস্যা সমাধানৰ ৰাজনৈতিক সচেষ্টা কোনোকালে নকৰিলে। দৰাচলতে তেওঁলোকৰ সমস্যা সমাধানৰ কোনো সদিচ্ছা নাছিল। সমস্যাটো জীয়াই ৰখাটোৱে তেওঁলোকৰ ৰাজনীতিৰ মূল চালিকা শক্তি। কেৱল মাজে সময়ে ছদ্মবেশী হিন্দুত্ববাদী বা জাতীয় তাবাদীৰ ৰূপত 'হু ইজ বদৰুদ্দিন'ৰ শ্ল'গান আওঁৰাই তিনিটা কাৰ্যকাল সম্পূৰ্ণ কৰিলে। তেওঁলোকে সমস্যা সমাধানত গুৰুত্ব নিদি সমগ্ৰ অসমবাসীক বাৰে বাৰে প্ৰতাৰণা কৰি থাকিল। '৮০ দশকৰ শ্লোগানবোৰো সজীৱ হৈ থাকিল। মূল সুঁতিৰ অসমীয়াক প্ৰতাৰণা কৰা ই নহয় বংগমূলীয় হিন্দু-মুছলিম উভয়কে কংগ্ৰেছে প্ৰতাৰণা কৰি আহিছে। তেওঁলোকৰ ভয়-শংকা একেদৰে বৰ্তি থাকিল। তেওঁলোকৰ মন-মগজু, শৰীৰৰ পৰা বিদেশীৰ টেগ কোনোদিনে মচা নগ'ল। বাংলাদেশীৰ দৰে হিনমন্য, অৱনমিত, তাচ্ছিল্যসূচক টেগলৈ জীৱন নিৰ্বাহ কৰিবলৈ বাধ্য হৈ থাকিল। আজি ডি ভোটাৰৰ নামত স্বদেশী লোকসকল হাৰাশাস্তি হোৱাৰ অভিযোগ সৰ্বত্ৰে উঠিছে আৰু দেশৰ সংসদটো বিষয়টো সজোৰে উত্থাপন হৈছে। ফৰেনাৰ্চ ট্ৰিবুনেলবোৰে একপক্ষীয় তথা পক্ষপাতিত্বমূলক সিদ্ধান্ত লোৱাৰ অভিযোগ উঠিছে। মাক-বাপেৰক ভাৰতীয় বুলি প্ৰমাণিত হোৱাৰ পাছতো পুতেকক ডি ভোটাৰ কৰি ডিটেনচন কেম্পত ৰখা হৈছে। আনকি গৰিয়া আৰু দেশী মুছলমানো এই অনিয়ামক ব্যৱস্থাৰ পৰা সাৰি যাব পৰা নাই। অভিযোগ অনুসৰি প্ৰশাসন যন্ত্ৰ সম্পূৰ্ণৰূপে সাম্প্ৰদায়িক মনোবৃত্তি। এই প্ৰশাসন যন্ত্ৰই কাৰ ছত্ৰছায়াত এইদৰে দুষ্কাৰ্য সম্পাদন কৰি আছে? দৰাচলতে ভুক্তভোগীসকলৰ বেছিভাগেই অশিক্ষিত, দুখীয়া-নিচলা আৰু দুবেলা দুমুঠি ভাত মোকলোৱাই তেওঁলোকৰ জীৱনৰ লক্ষ্য। আইনী মেৰপেচ তাহাতে বুজি নাপায়। সেয়ে আইনৰ দৃষ্টিত নিজকে ভাৰতীয় হিচাপে প্ৰতিপন্ন কৰা সম্ভৱপৰ নহয়গৈ। কিন্তু চৰকাৰখনে এই লোকসকলৰ অৱস্থাৰ বুজ লৈছেনে বা সংখ্যালঘু নেতা-মন্ত্ৰীয়ে এওঁলোকৰ দুৰৱস্থাপ বুজ লোৱাৰ বাবে আহৰি পাইছেনে? এই আতিসহ্য আৰু অন্যায়বোৰ কাৰ কাৰ্যকালত সংঘটিত হৈছে। এবাৰ জুঁকিয়াই চাওক।

যোৱাটো নিৰ্বাচন অসমৰ ইতিহাসত ধাৰ্মিক মেৰু বিভাজনৰ পৰিপ্ৰেক্ষিতত আটাইতকৈ নিকৃষ্টতম নিৰ্বাচন বুলি ক'লেও ভুল কৰা নহ'ব। ধাৰ্মিক মেৰু বিভাজনৰ নামত সংবেদনশীল বিদেশী অনুপ্ৰৱেশকাৰীকো হিন্দু-মুছলীম মাপকাঠিৰে বিভাজিত কৰা হ'ল। মানৱতাৰ *শেষাংশ ১৮ পৃষ্ঠাত*

# দেশ-জাতিৰ স্বাৰ্থত ঃ বিদেশীক নাগৰিকত্ব দিয়াৰ বিৰোধিতা কৰক

**ইয়াহইয়া আহমদ বৰভূঞা**



নিজৰ ৰাষ্ট্ৰ নিজেই গঢ়িব লাগিব। কোনেও আমাৰ ৰাষ্ট্ৰ বনাই দিয়াৰ দায়িত্ব নলয়। আমিয়েই আমাৰ ৰাষ্ট্ৰখনক সৰ্বদিশত পোহৰাই তোলাৰ দায়িত্ব ল'ব লাগিব। ৰাষ্ট্ৰখনৰ ভৱিষ্যৎ আমাৰ কৰ্মকাণ্ডত প্ৰতিষ্ঠিত। আমাৰ একোটা ভুল সিদ্ধান্তই ৰাষ্ট্ৰৰ ভৱিষ্যৎ ধ্বংস কৰিব পাৰে। শেহতীয়াভাৱে আমাৰ ৰাষ্ট্ৰখনক পৰিচালনা কৰাৰ দায়িত্বত থকা কেন্দ্ৰীয় চৰকাৰখনে কেৱল নিজৰ দলীয় স্বাৰ্থ সিদ্ধিৰ বাবে তেনে এটা মাৰাত্মক ভুল সিদ্ধান্ত লোৱাৰ পথত আগবাঢ়িছে। বিজেপি শাসিত চৰকাৰখনে দেশৰ ধৰ্মনিৰপেক্ষতাত খহনীয়াৰ সৃষ্টি কৰি ধৰ্মৰ ভিত্তিত বিদেশী নাগৰিকক একধৰণৰ মাতি আনি ভাৰতত নাগৰিকত্ব দিবলৈ ওলাইছে। পাকিস্তান, বাংলাদেশৰ হিন্দু মানুহবোৰত হিন্দুত্ববাদী বিজেপি দলৰ চৰকাৰখনে নিজ দেশত লাঞ্চিত, বঞ্চিত হোৱাৰ অভিযোগ আনি ভাৰতত সংস্থাপন দিয়াৰ পোষকতা কৰিছে। এনে এক অনাকাংক্ষিত ঘটনা সংঘটিত কৰিবলৈ দিয়াৰ পূৰ্ব একোজন সচেতন ভাৰতীয় হিচাপে আমি পৰ্যালোচনা কৰাৰ প্ৰয়োজন আহি পৰিছে যে পাকিস্তান, বাংলাদেশৰ হিন্দুসকল আচলতে কোন? তেওলোকে নিজ দেশত কিমান নিৰ্যাতিত? বিজেপি দলৰ চৰকাৰখনে তেওঁলোকক ভাৰতত মাতি আনাৰ গোপন ৰহস্য কি? বিদেশী হিন্দু সকলক ভাৰতত নাগৰিকত্ব দিলে দেশৰ কি ক্ষতি হ'ব? এই প্ৰত্যেকটো বিষয় ভাৰতৰ প্ৰত্যেকজন নাগৰিকে বিতংভাৱে জনাৰ আৰু বুজাৰ প্ৰয়োজন আছে।

পাকিস্তান, বাংলাদেশৰ হিন্দুসকল আচলতে কোন? আমি জানো ১৯৪৭ চনত আমাৰ দেশখন স্বাধীন হৈছিল। আচলতে দেশখন স্বাধীনতাৰ নামত খণ্ড-বিখণ্ড হে কৰা হৈছিল। একাংশ স্বাৰ্থান্বেষী লোকৰ ষড়যন্ত্ৰত এনে এটা ভুল সিদ্ধান্ত লোৱা হৈছিল। ক্ৰমান্বয়ে আমাৰ দেশখনক তিনি টুকুৰা কৰা হৈছিল। আৰু প্ৰতিটো টুকুৰাই আছিল আমাৰ মাতৃভূমি। নিজ মাতৃক তিনি টুকুৰা কৰা সেই সন্তানবোৰক আজিও কিন্তু দেশদ্ৰোহী, মাতৃদ্ৰোহী ব্যক্তিসকলক আজি কোনো নহয় কোনো খণ্ডত জাতিৰ নায়ক, দেশপ্ৰেমিক, দেশমাতৃৰ সুযোগ্য সন্তান আদি সম্বোধনেৰে তোষামোদ কৰা হয়। সেয়াই হৈছে ৰাজনীতি। নিজৰ ৰাজনৈতিক স্বাৰ্থত দেশমাতৃক হত্যা কৰা সকলৰ ভিতৰত এজন অখ্যাত ব্যক্তি আছিল যোগেন্দ্ৰ নাথ মণ্ডল। আজি নিজৰ ৰাজনৈতিক ভেঁটি শক্তিশালী কৰাৰ উদ্দেশ্যত বিজেপি, আৰ এছ এছে পাকিস্তান, বাংলাদেশৰ পৰা যিসকল হিন্দু মানুহক ভাৰতত আনিব বিচাৰিছে সেই সকলক নিজৰ ৰাজনৈতিক স্বাৰ্থত এই যোগেন্দ্ৰ নাথ মণ্ডলে পাকিস্তানত নিছিল। অৰ্থাৎ দেশ বিভাজনৰ সময়ত যোগেন্দ্ৰ নাথ মণ্ডলৰ নেতৃত্বত পাকিস্তানক সমৰ্থন কৰিছিল তেওঁলোকে। আৰু তাৰ সফল হিচাপে পৃথিৱীৰ সৰ্বাধিক উগ্ৰ মুছলমানে বাস কৰা পাকিস্তানৰ সংবিধান সভাৰ প্ৰথম গৰাকী অধ্যক্ষ হোৱাৰ লগতে প্ৰথম খন চৰকাৰৰ আইন দপ্তৰৰ কেবিনেট মন্ত্ৰী হোৱাৰ সুযোগ্য লাভ কৰিছিল মণ্ডলে। *(ক্ৰমশঃ)*

ফোন ঃ ৮৭২৪৮৭১২৮৭

# আমাৰ ঘৰখনৰ অভ্যন্তৰীণ প্ৰদূষণ

**কথাৰ চলেৰে বিজ্ঞান**



**ৰিপুঞ্জয় বৰদলৈ**

**চৰিত্ৰ সমূহ ঃ**

বৰুৱা- এখন স্থানীয় কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক বৰুৱানী- বৰুৱাৰ সহধৰ্মিনী
পেট্ৰ'চ- বৰুৱাৰ ঘৰুৱা কাম কৰা ১৮ বছৰীয়া ল'ৰা
মামুদ- বৰুৱাৰ এসময়ৰ ছাত্ৰ আৰু বৰ্তমান স্কুল এখনৰ বিক্ষানৰ শিক্ষক আৰু বৰুৱাৰ ওচৰ-চুবুৰীয়া
চোহানা- দশম মানত অধ্যয়ন কৰি থকা মামুদৰ কন্যা

*যোৱা সংখ্যাৰ পিছৰ পৰা*

বৰুৱাঃ আৰু পেট্ৰ'চ আমাৰ গেৰেজত থকা সাৰ, খেতিত মাৰিবলৈ থোৱা বিভিন্ন কীটনাশক, পেষ্টনাশক সমূহ, কেৰাচিন , টমিৰ কাৰণে ৰখা বিভিন্ন চাবোন, তেল আদিয়ে নিৰ্গত কৰা ফৰ্মেলডিহাইড, ট্ৰাইক্ল'ৰ'ইথিলিনআদি প্ৰদূষকবোৰে প্ৰধানকৈ লিভাৰ কেন্সাৰৰ দৰে মাৰাত্মক বেমাৰৰ সৃষ্টি কৰিব পাৰে। তাৰোপৰি আমাৰ বাথৰূমত থকা ব্লিচিং পাউডাৰ, কীটনাশক তৰল, চাবোন, টইলেট ক্লিনাৰ, মুখ পৰিস্কাৰ কৰা তৰল পদাৰ্থবোৰে বাথৰূমটোৰ পৰিৱেশ বিষাক্ত কৰি তোলে। আনহাতে পাকঘৰত অভেন ক্লিনাৰ, বাচোন বৰ্তন ধোৱা তৰল পদাৰ্থবোৰ, গম নোপোৱাকৈ খাবলৈ অনুপযোগী হৈ পৰা খাদ্য বস্তুৰ পৰা নিৰ্গত হোৱা এম'নিয়াৰ দৰে মাৰাত্মক গেছে আমাৰ স্বাস্থ্যৰ মূল দুৱাৰদলি স্বৰূপ পাকঘৰৰ বায়ুমণ্ডল বিষময় কৰি তোলে।



মামুদঃ তেতিয়াহলে ছাৰ আমি দিনে ৰাতিয়ে কষ্ট কৰি বনোৱা ঘৰখন সপোণৰ ঘৰৰ সলনি নৰকৰ ঘৰহে হৈ পৰিছে।

চোহানাঃ মোৰটো ঘৰৰ ভিতৰখনৰ বস্তু বিলাক চকুৰ আগলৈকে ভাহি আছে।

পেট্ৰ'চঃ ককা ঘৰৰ ভিতৰত প্ৰদূষণ কৰা চব বস্তু বাহিৰত থকা চালিৰ তলত থৈ দিওগৈ। অকল বিচনাখন আৰু আলনাখন থাকিলেই হ'ব। (পেট্ৰ'চ ভিতৰলৈ যাব ধৰোতেই বৰুৱানীয়ে লগে লগে)

বৰুৱানীঃ অই পগলা ৰ'ৰ' কি কৰ?

পেট্ৰ'চঃ ককা এনেকোৱা বিষাক্ত পৰিৱেশত মই থাকিব নোৱাৰো দেই। কেন্সাৰ হৈ ময়ো নমৰো আৰু আপোনালোককো মৰিবলৈ দিব নোৱাৰো। আপোনালোকৰ কিবা এটা হ'লে মোৰ কি হ'ব? (শেষৰফালে তাৰ মাত থোকাথোকি হৈ পৰে )

মামুদঃ হয় ছাৰ। কথাটো পেট্ৰ'চে থিকেই কৈছে। আমি বাচি বাচি ভালৰ ভালটো খাইনো কিডাল হ'ব যদিহে ঘৰৰ ভিতৰতে এই বিষাক্ত পৰিৱেশ বিৰাজ কৰি থাকে?

বৰুৱানীঃ হেৰি অভ্যন্তৰীণ প্ৰদুষণ নিয়ন্ত্ৰণৰ কিবা উপায়ৰ বিষয়ে আপুনি কতো পোৱা নাইনে?

পেট্ৰ'চঃ ককাই ধেৰ কিতাপ পঢ়ে নহয়, ক'ৰবাত আছে নেকি বাৰু? মোৰ হ'লে বৰ ভয় সোমাইছে দেই।

বৰুৱাঃ আছে আছে তাৰ বিষয়েও মই লিখিছিলো এটা সময়ত। আমেৰিকাৰ 'নাছা' আৰু এছ'চিয়েটেড লেণ্ডস্কেপ কণ্ট্ৰে''ৰছ নামৰ সংগঠনে দুবছৰীয়া অধ্যয়নৰপৰা সিদ্ধান্ত কৰিছেযে কেতবোৰ সচৰাচৰ দেখি থকা ঘৰুৱা উদ্ভিদে অভ্যন্তৰীণ প্ৰদূষণ ৰোধ কৰিব পাৰে। এই উদ্ভিদবোৰে প্ৰায় জ্জ্বজ্ঞশতাংশ অভ্যন্তৰীণ প্ৰদূষক গেছ শোষণ কৰি লয় আৰু বায়ু নিৰ্মল কৰি ৰাখে। সেইবোৰে আনকি কোঠাৰ ভিতৰৰ আৰ্দ্ৰতা সাম্য অৱস্থাত ৰাখি 'এয়াৰ কণ্ডিচনাৰ'ৰ ভূমিকা পালন কৰে। পৰীক্ষাৰদ্বাৰা প্ৰমাণিত হৈছেযে আমি ঘৰ আৰু কাৰ্যালয়ত লগোৱা ভালেমান উদ্ভিদে দৈনন্দিন জীৱনত উৎপন্ন হোৱা বহুতো উদ্বায়ী জৈৱ যৌগৰ পৰিমাণ হ্ৰাস কৰে, মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰাত সহায় কৰে।

পেট্ৰ'চঃ হে হে মই কৈছিলোৱেই নহয় ককাই চব কথা জানে বুলি। সেইকাৰণে ককাই ঘৰৰ ভিতৰত সেই গছবোৰ লগাই থৈছেন আইটা।

বৰুৱানীঃ মই আকৌ তোৰ ককাই চখতে লগাই থৈছে বুলিহে ভাবিছিলো। আজিহে গম পালো পৰ্টিক, পঢ়া কোঠা, শোৱনি কোঠা, ভাত খোৱা ৰোমত থোৱা গছৰ ৰহস্য।

বৰুৱাঃ তুমিহে কেন কেনাই থাকা বেৰৰ ৰং বেয়া হ'ব, টাইলছ লেতেৰা হ'ব, সাপ-বেঙৰ বাহ হ'ব, ম'হ লুকাই থাকিব।

বৰুৱানীঃ আপুনিনো আগতে বুজাই কোৱা নাছিল কিয়?

বৰুৱাঃ তোমালোক দুটাৰ মোৰ কথা শুনিবলৈ সময় থাকিলেহে?

পেট্ৰ'চঃ অ' গম পালা আইটা, আমিহে বোলে নুশুনো। নিজে লিখা-মেলা কৰা ক্ষতি হয় বুলি দিনটোত আমাৰ লগত ভালকে কথা পাতিবলৈও সময় নাই । এতিয়া আকৌ আমিহে নুশুনা হ'লো। তুমিজে বাবা দাৰ ঘৰলে যোৱা, মই এইখন ঘৰত অকলে থাকি পগলা পগলা লাগি যায়। ককাই খালি খোৱাৰ অৰ্ডাৰ দিয়াৰ বাহিৰে ছাঁটোকে দেখিবলৈ নাপাও। এতিয়াতো কিবা এখন ভাষাৰ ওপৰত শব্দ বিচাৰি কিতাপ লিখা আৰম্ভ কৰা দিনৰ পৰা গাটো ভালকে ধুইছে নে নাই মোৰ সন্দেহ হয়।

মামুদঃ ছাৰে কিবা ডাঙৰ প্ৰজে'' হাতত লৈছে নেকি?

বৰুৱাঃ অ' ডাঙৰেই , অসমীয়াত বিজ্ঞানৰ সম্পূৰ্ণ পৰিভাষা এখন উলিওৱাৰ কামত লাগি আছো।

মামুদঃ ছাৰ অকলে ই কেনেকৈ সম্ভৱ হ'ব?

বৰুৱাঃ তাকেইতো পদাৰ্থ বিজ্ঞান, ভূগোল, ৰসায়ন, গণিত, চিকিৎসা, জ্যোৰ্তিবিজ্ঞান, ভেষজবিজ্ঞানৰ পৰা ধৰি বিজ্ঞানৰ আটাইকেইটা বিভাগৰ বৰ্তমানলৈকে উপলব্ধ শব্দ তাত সন্নিৱিষ্ট কৰি যাওতে বৰ কষ্ট পাইছো। মানুহো নাই তেনেকৈ দায়িত্ব বুজি কাম কৰিবলৈ। কাৰোবাক কৰিবলৈ দি আকৌ ভূল শুদ্ধ কৰাতকৈ নিজে একেবাৰতে কৰাই ভাল বুজিছা।

চোহানাঃ আপোনাৰ এই কিতাপখন আমাৰ প্ৰজন্মৰ বাবে এক সুন্দৰ উপহাৰস্বৰূপ হ'ব ককা।

মামুদঃ আল্লাই ছাৰক সেইকন শক্তি প্ৰদান কৰক তাকে দোৱা মাগিছো। বাৰু ছাৰ ঘৰৰ ভিতৰত যিকোনো গছ লগালেই অভ্যন্তৰীণ প্ৰদূষণ নিয়ন্ত্ৰণ কৰিব পাৰিব জানো?

বৰুৱাঃ নোৱাৰে মামুদ। বিজ্ঞানীসকলে পৰীক্ষা কৰা পুঞ্জ্ব বিধ উদ্ভিদৰ ভিতৰত ৰচ বিধক উৎকৃষ্ট বুলি অভিহিত কৰিছে। ঘৃতকুমাৰী বা চাল-কুঁৱৰী, মানি প্লেণ্ট, মকৰা গছ, ৰবৰ গছ, শান্তিৰ ভেঁটফুল, ইন্দ্ৰমালতী, সৰ্পগুল্ম, চীনা সেউজীয়া, ডেইজী বা গুলবাহাৰ, ডাম্ব কেন, বষ্টন ঢেকীয়া, ইংলিছ আইভি হ'ল আমাৰ ঘৰৰ অভ্যন্তৰীণ প্ৰদূষণ ৰোধকাৰী উদ্ভিদ।

চোহানাঃ ককা আপোনিনো ভিতৰত কি কি লগাই ৰাখিছে? আপুনি কোৱা সকলোবোৰ গছ নামে সৈতে চিনি পোৱা নাই। দেখিলেহে চিনি পাম চাগে।

বৰুৱাঃ হেৰা তুমিয়েই দেখাই দিয়া যোৱা। নামবোৰতো তুমি জানাই।

বৰুৱানীঃ আপুনিয়েই দেখুৱাই গছবোৰৰ বিশেষত্ব বুজাই দিয়ক। মই পুৱাৰ জলপান থিক কৰোগে।

বৰুৱাঃ ব'লা মাজনী। (বৰুৱা আৰু চোহানা ভিতৰলৈ সোমায় যায়।)

মামুদঃ বাইদেউ আমি একো নাখাও দেই । আমালে এও ভাত বনাব নহয়। ইয়াত খাই গ'লে সোপাকে থাকি যাব।

পেট্ৰ'চঃ মামুদ ছাৰ বজাৰ যাবনে?

মামুদঃ যাম তই যাবি নেকি?

পেট্ৰ'চঃ ময়ো লগতে যাম আপোনাৰ। আইটাই ঔটেঙা আৰু পুঠিমাছ আনিব দিছে।

মামুদঃ বাহ, মোৰ ভোকেই লাগি গ'ল মাছৰ টেঙাৰ কথা শুনি।

চোহানাঃ দেউতা ছাৰে মাতিছে ভিতৰলৈ।

(দৃশ্যপট সলনি, বৰুৱাৰ ভিতৰৰ কোঠা, গছ-লতাবোৰ সুন্দৰকৈ টাবত থৈ দিয়া হৈছে। ওপৰত দিয়া ৰচ বিধৰ ভিতৰত স্থানীয়ভাৱে পোৱাখিনি সজাই থ'লেই হ'ব। বৰুৱা , চোহানাৰ লগতে মামুদ থাকিব কোঠাৰ ভিতৰত)

বৰুৱাঃ এইজোপা ঘৃতকুমাৰী বুলি কৈছোলেযে সেইজোপা। ই বায়ুত সামান্য পৰিমাণে থকা ফৰ্মেলডিহাইডো *শেষাংশ ২০ পৃষ্ঠাত*



# সাম্প্ৰতিক কালত নাৰীৰ সামাজিক দায়বদ্ধতা

*সমাজ এখনক সৰ্বতোপ্ৰকাৰে আগবঢ়াই নিবলৈ হ'লে এখন নিকা সমাজ গঠনৰ ক্ষেত্ৰত নাৰীসকলৰ দায়বদ্ধতা অধিক। যুগে যুগে নাৰীসকলে সমাজত অৱহেলিত নিষ্পেষিত, নিপড়িত হৈ সমাজৰ নিষ্পেষণৰ বলি হৈ আহিছে, যাৰ ফলত অকণমানো সজাগতা আনিব পৰা নাই। তথাপিও মুষ্টিমেয় মহীয়সী নাৰীয়ে সমাজৰ প্ৰতি বিশেষ অৱিহণাও যোগাই অহা উদাহৰণ আছে। ইমান কম সংখ্যক নাৰীৰ দায়বদ্ধতাক সমূহ নাৰী জাতিৰ সজাগতাক নুবুজায়। সেয়েহে প্ৰতি গৰাকী নাৰীৰেই দায়িত্ব আৰু কৰ্তব্য আছে সমাজখনক ব্যভিচাৰ, শোষণ আৰু নিপীৰণৰ পৰা মুক্ত কৰিবলৈ। ইয়াৰ প্ৰধান দায়িত্ব হ'ল দেশৰ নাগৰিক সকলক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাত সহায়ক হোৱা। মানুহৰ ব্যক্তিগত সামাজিক জীৱনৰ আধাৰ হ'ল পৰিয়াল। সমাজৰ পৰিয়ালেই হ'ল প্ৰাথমিক গোট। জীৱনৰ বুনিয়াদ গঢ়ি উঠে পৰিয়ালতেই।"*

**মিনতি বৰ্মণ কাকতি**

নাৰী হ'ল সমস্ত মানৱ জাতিৰ প্ৰকৃতি প্ৰদত্ত ধাত্ৰী। তেওঁ হ'ল ঘৰ এখনৰ অধিষ্ঠাত্ৰী দেৱী। নাৰীয়েই শিশুক লালন-পালন কৰে আৰু শিক্ষাদান কৰে। নিজৰ ল'ৰা-ছোৱালীৰ তৰুণ বয়সত এগৰাকী মাতৃ হ'ল পথ প্ৰদৰ্শক আৰু উপদেষ্টা। নাৰী হ'ল সৃষ্টিৰ আধাৰ। নাৰী অবিহনে পুৰুষ সমাজৰ কথা পৰিকল্পনা কৰিব নোৱাৰি।নাৰী-পুৰুষ এক ব্ৰহ্মশক্তি। নাৰীয়ে যেনেদৰে সৃষ্টি কৰিব পাৰে, ঠিক তেনেদৰে ধ্বংসও কৰিব পাৰে। নাৰী আৰু পুৰুষৰ বাবে তেওঁলোকৰ সামাজিক দায়িত্ব আৰু কৰ্ত্তব্য সমূহ প্ৰকৃতিয়ে স্পষ্টভাৱে চিহ্নিত কৰি দিছে। নিজ নিজ ক্ষেত্ৰত বিহিত কাৰ্য কৰিবৰ বাবে ভগৱানে স্ত্ৰী-পুৰুষৰ সৃষ্টি কৰিছে। তেওঁলোকৰ নিজা কাৰ্যক্ষেত্ৰ একেবাৰে সুকীয়া। তথাপি নাৰী-পুৰুষৰ উভয়ৰে পৰস্পৰৰ লগত অন্তৰঙ্গ সম্পৰ্ক আছে।

মানুহ পৰিৱেশৰ দাস। দেশ বা সমাজ এখনৰ প্ৰগতি নিৰ্ভৰ কৰে সামাজিক পৰিৱেশ শিক্ষা, সাহিত্য, সংস্কৃতি আৰু অৰ্থনীতিৰ ওপৰত। নাৰী পুৰুষৰ সন্মিলিত প্ৰচেষ্টাৰ ফলতহে একোখন দেশৰ বা সমাজৰ সৰ্বতোমুখী উন্নয়ন সম্ভৱ হয়। নাৰী সকলক দেশৰ আত্মা বুলি ক'ব পাৰি। ভগৱানে নাৰীক ঘৰুৱা কাৰ্যৰ নীপুৱৰস, চিন্তাশক্তি ৰহিত শ্ৰমিক হিচাপে সৃষ্টি কৰা নাই, পুৰুষৰ আজৰি সময়ৰ মনোৰম সংগী হিচাপেও শ্ৰজন কৰা নাই। তেওঁৰ অস্তিত্ব নিজৰ বাবেও। জগতৰ সুখ বা দুখ, জ্ঞান বা অজ্ঞতা, সভ্যতা বা বৰ্বৰতা নাৰী এগৰাকীয়ে তেওঁৰ বিশেষ ক্ষেত্ৰ ঘৰখনকত পেলোৱা প্ৰভাৱৰ পৰিণতি বুলি ক'লে অতিৰঞ্জিত নহয়। নেপোলিয়ন বোনাপাৰ্টে প্ৰায়ে কৈছিল যে- "শিশু এটিৰ ভৱিষ্যতৰ চৰিত্ৰ ভাল হ'ব নে বেয়া হ'ব সেইটো সম্পূৰ্ণভাৱে মাকৰ ওপৰত নিৰ্ভৰ কৰে। তেওঁ বিশ্বাস কৰিছিল যে তেওঁৰ জীৱনৰ চমকপ্ৰদ সাফল্যৰ মূলতে আছিল বাল্য কালতে তেওঁ মাকৰ পৰা পোৱা শিক্ষা। সেয়েহে তেওঁ দঢ়াই কৈছিল- মোক দেশ গঢ়িবলৈ দেশৰ উন্নতি সাধিবলৈ এজনী ভাল মাতৃ দিয়া।" এটা ভাল জাতি গঢ়ি উঠে ভাল নাৰীৰ জৰিয়তে। কাৰণ নাৰী মাতৃ জাতি। ভাল চৰিত্ৰৰ নাৰীয়েহে সুসন্তান জন্ম দিব পাৰে। নাৰীৰ শিক্ষা-দীক্ষা ৰাজনৈতিক, সামাজিক, অৰ্থনৈতিক সাংস্কৃতিক স্বাধীনতা তথা উন্নতিৰ ওপৰতেই দেশ এখনৰ আভ্যন্তৰীণ অৱস্থাৰ উন্নতি নিৰ্ভৰ কৰে। সেয়েহে নাৰী শিক্ষা সমাজ গঠনৰ এক পৰিপূৰক অংগ।

ইংৰাজসকলৰ আগমনে ভাৰবৰ্ষৰ স্বাধীনতা খৰ্ব কৰিছিল যদিও এটা ইতিবাচক দিশ আছিল স্ত্ৰীশিক্ষাৰ ওপৰত গুৰুত্ব প্ৰদান। খৃষ্টান মিছনাৰীসকলে খৃষ্টধৰ্ম প্ৰচাৰ কৰিবলৈ আহি ভাৰতবৰ্ষৰ তথা অশমৰ ৰক্ষণশীল অন্ধবিশ্বাস কুসংস্কাৰপূৰ্ণ ৰীতি-নীতি থকা সমাজ ব্যৱস্থাৰ কথা উপলব্ধি কৰি ঘৰে ঘৰে ছোৱালীবিলাকক বুজাই-বঢ়াই শিক্ষাৰ প্ৰতি ধাউতি অনাৰ প্ৰচেষ্টা চলাইছিল। সময়ৰ ক্ৰমবিকাশত নাৰীৰ শিক্ষাৰ দ্ৰুত অগ্ৰগতি হ'ল। নিজৰ নিজৰ দক্ষতাৰ পৰিচয় দি বিভিন্ন চাকৰিত নিয়োজিত হ'ল। বৰ্তমান বিজ্ঞান প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰৰ লগে লগে মহিলা সকলেও শিক্ষা, সাহিত্য, সংস্কৃতি, ৰাজনীতি তথা সামাদিক দিশত নিয়োজিন হোৱাৰ সময়তে বহু সংখ্যক উচ্চ শিক্ষিত মহিলা চৰকাৰী বা অনাচৰকাৰী চকৰিত নিযুক্তি লাভৰ পৰা বঞ্চিত হৈ আছে যদিও সেইসকল মহিলাৰ সুগৃহিণীৰ ভূমিকা উলাই কৰিব নোৱাৰি। দাৰ্শনিক 'ৰুছোৱে' কৈছে— "মাতৃ হ'ল শিশুৰ প্ৰকৃত সেৱিকা আৰু পিতৃ হ'ল প্ৰকৃত শিক্ষক। মাতৃ হ'ল মানৱ জীৱনৰ মূল গুৰি ধৰোঁতা। সেয়ে কোৱা হয়— Family is the best school and mother is the best teacher "পিতৃ-মাতৃয়ে সুচিন্তাৰে নিজৰ আচৰণ প্ৰকাশ কৰিব লাগে। পিতৃ-মাতৃৰ প্ৰেৰণাই শিশুক ভৱিষ্যৎ জীৱনৰ পিনে অগ্ৰসৰ হোৱাত অৱিহণা যোগায়। সংস্কৃতিশীল পৰিয়ালতহে সুস্থিৰ মগজুৰ প্ৰজন্মৰ আশা কৰিব পাৰি। পিতৃ-মাতৃয়ে যথেষ্ট কষ্ট আৰু ত্যাগ স্বীকাৰ কৰি নিজৰ ল'ৰা-ছোৱালীৰ বাবে সুন্দৰ পৰিৱেশ তৈয়াৰ কৰি লয়। এনে সুপৰিকল্পিত পৰিয়ালে সন্তানক সুশিক্ষাৰে শিক্ষিত কৰি আদৰ্শ মানুহ তথা দেশৰ সুযোগ্য নাগৰিক হিচাপে গঢ়িবলৈ সমৰ্থৱান হয়।

দেশৰ সংবিধানত নাৰীক পুৰুষৰ সমানে অধিকাৰ দিয়াহৈছে। তেওঁলোকে প্ৰতিদ্বন্দ্বী হিচাপে থিয় নিদি একক গোট হিচাপে আগবাঢ়ি যাব লাগিব। সুশিক্ষাৰ জৰিয়তে প্ৰতিভা বিকাশ কৰি আত্মনিৰ্ভৰশীলতা আৰু স্বাধীনতাৰ ভেটি সুদৃঢ় কৰিবলৈ আগবাঢ়ি গ'লেহে সমাজৰ উন্নতি আশা কৰিব পাৰি। আদি পুৰুষ মনুৱে কৈ গৈছে— য'ত নাৰীক সন্মান কৰা হয় তাত দেৱতা সকলো সন্তুষ্ট হয় আৰু য'ত নাৰীক অসন্মান কৰা হয়ে তেনে স্থানত সকলো ধৰ্মৰ অনুষ্ঠান নিস্ফল হয়। "প্ৰাচীন কালত গাৰ্গী, মৈত্ৰেয়ী, আত্ৰেয়ী আদি কেইগৰাকীমান মহীয়সী নাৰীয়ে নিজ মেধাশক্তি ধৈৰ্য আৰু কৰ্মদক্ষতাৰে পুৰুষৰ লগত সমাজত সমানে স্থান ল'বলৈ সক্ষম হৈছিল।

সমাজ এখনক সৰ্বতোপ্ৰকাৰে আগবঢ়াই নিবলৈ হ'লে এখন নিকা সমাজ গঠনৰ ক্ষেত্ৰত নাৰীসকলৰ দায়বদ্ধতা অধিক। যুগে যুগে নাৰীসকলে সমাজত অৱহেলিত নিষ্পেষিত, নিপড়িত হৈ সমাজৰ নিষ্পেষণৰ বলি হৈ আহিছে, যাৰ ফলত অকণমানো সজাগতা আনিব পৰা নাই। তথাপিও মুষ্টিমেয় মহীয়সী নাৰীয়ে

*শেষাংশ ২১ পৃষ্ঠাত*

# ৭১ বছৰীয়া ভাৱৰীয়া-ওজাপালিৰ শিল্পী প্ৰতাপ চন্দ্ৰ বেজবৰুৱাৰ শিল্পী পেঞ্চনৰ সৌভাগ্য কেতিয়া ?

**নগেন তালুকদাৰ**

অসম চৰকাৰে প্ৰতি বছৰে এক বিশেষ আঁচনিৰ জৰিয়তে ৰাজ্যখনৰ দুখীয়া শিল্পী-সাহিত্যিক সকলক আৰ্থিক সকাহ দিয়াৰ উদ্দেশ্যে মাহিলি পেঞ্চন দিয়াৰ ব্যৱস্থা কৰিছে যদিও মন্ত্ৰী-বিধায়কসকলৰ অমনোযোগিতা তথা সাংস্কৃতিক সঞ্চালকালয়ৰ অদূৰদৰ্শীতাৰ বাবে বহুতো যোগ্য শিল্পী-সাহিত্যিকে এই পেঞ্চনৰ পৰা বঞ্চিত হৈ আছে।

লোক-সংস্কৃতিৰ বৰপথাৰখনত সুদীঘ সাঁতটা দশক জুৰি ভাওৰীয়া ওজাপালি দলত 'ডাইনা পালি' হিচাপে থাকি হাস্যৰসযুক্ত কথাৰে আন দহজন লোকক হহুৱাই সম্প্ৰতি আৰ্থিক-অনাটনত কৰুবকাই থকা এজন ভাওৰীয়া ওজাপালি শিল্পী হ'ল নলবাৰী জিলাৰ পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ (চামতা) অন্তৰ্গত জাগাৰা গাঁৱৰ গোপালপুৰ চুবুৰী নিবাসী প্ৰতাপ চন্দ্ৰ বেজবৰুৱা। ১৯৪৫ চনৰ ২৯ অক্টোবৰত জন্ম লাভ কৰা কিঞ্চিত ৰাম বেজবৰুৱাৰ আৰু কমেলী বেজবৰুৱাৰ তৃতীয় পুত্ৰ প্ৰতাপ চন্দ্ৰ বেজবৰুৱাই ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত ভাওৰীয়া ওজাপালি দলত ডাইনাপালি হিচাপে ওজাপালি পৰিৱেশন কৰি দৰ্শক ৰাইজৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়।



ডাইনাপালি বেজবৰুৱাই এইবৃত্তি তেওঁৰ পিতৃ স্বৰ্গীয় কিঞ্চিতৰাম বেজবৰুৱাৰ পৰা গ্ৰহণ কৰিছিল। কিঞ্চিত বেজবৰুৱাও আছিল এগৰাকী বলিষ্ঠ ডাইনাপালি। ইয়াৰোপৰি কিঞ্চিতৰ পিতৃ প্ৰয়াত বগো বেজবৰুৱাও আছিল ভাওৰীয়া ওজা। কিঞ্চিতেও এই বিদ্যা পিতৃৰ পৰা গ্ৰহণ কৰিছিল।

ডাইনাপালি প্ৰতাপ চন্দ্ৰ বেজবৰুৱাই ১৯৬০ চনৰ পৰা ১৯৯৮ চনলৈ সত্যৰাম বেজবৰুৱাৰ (বৰ্তমান প্ৰয়াত) ভাওৰীয়া ওজাপালি দলটোত থাকি ডাইনাপালি হিচাপে আছিল। তদানীন্তন এই দলটিয়ে অসমৰ বিভিন্ন ঠাইত গুৱাহাটী, তেজপুৰ, লখিমপুৰ, বৰপেটা, কামৰূপ, গোৱালপাৰা, ধুবুৰী, ৰঙিয়া, সৰ্থেবাৰী আৰু নলবাৰী জিলাৰ প্ৰায়বোৰ গাঁৱৰ উৎসৱ-পাৰ্বণ-পূজা-সবাহ আৰু ব্যক্তিগত মানুহৰ ঘৰত ভাওৰীয়া ওজাপালি পৰিৱেশন কৰি পাহৰণিৰ গৰ্ভত হেৰাই যাবলৈ ওলোৱা অসমীয়া সংস্কৃতিৰ ভাওৰীয়া ওজাপালিক জীয়াই ৰখাৰ প্ৰয়াস কৰিছিল। বাহাৰঘাটৰ ক্ৰীড়া আৰু সাংস্কৃতিক অনুষ্ঠানত একেৰাহে ত্ৰিশ বছৰ, শ্ৰীশ্ৰীপৰি হৰেশ্বৰ দেৱালয়ত বিশ বছৰ,

*শেষাংশ ২১ পৃষ্ঠাত*

*লোক-সংস্কৃতিৰ বৰপথাৰখনত সুদীঘ সাঁতটা দশক জুৰি ভাওৰীয়া ওজাপালি দলত 'ডাইনা পালি' হিচাপে থাকি হাস্যৰসযুক্ত কথাৰে আন দহজন লোকক হহুৱাই সম্প্ৰতি আৰ্থিক-অনাটনত কৰুবকাই থকা এজন ভাওৰীয়া ওজাপালি শিল্পী হ'ল নলবাৰী জিলাৰ পশ্চিম নলবাৰী ৰাজহ চক্ৰৰ (চামতা) অন্তৰ্গত জাগাৰা গাঁৱৰ গোপালপুৰ চুবুৰী নিবাসী প্ৰতাপ চন্দ্ৰ বেজবৰুৱা। ১৯৪৫ চনৰ ২৯ অক্টোবৰত জন্ম লাভ কৰা কিঞ্চিত ৰাম বেজবৰুৱাৰ আৰু কমেলী বেজবৰুৱাৰ তৃতীয় পুত্ৰ প্ৰতাপ চন্দ্ৰ বেজবৰুৱাই ইতিমধ্যে অসমৰ বিভিন্ন প্ৰান্তত ভাওৰীয়া ওজাপালি দলত ডাইনাপালি হিচাপে ওজাপালি পৰিৱেশন কৰি দৰ্শক ৰাইজৰ পৰা ভূয়সী প্ৰশংসা বুটলিবলৈ সক্ষম হয়।*

# ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী ঃ এটি ভাল খবৰ

**বিগত প্ৰায় ত্ৰিশ বছৰে এই প্ৰসংগ তল পৰি থাকিল। কেইজনমান লোকৰ প্ৰচেষ্টাত ২০১৩ চনত মাননীয় উচ্চতম ন্যায়ালয়ে অসমত নাগৰিকপঞ্জী তৈয়াৰ কৰাৰ নিৰ্দেশ দিলে। তাৰেই ভেঁটিত এন আৰ চিৰ কাম আৰম্ভ হ'ল। কিন্তু এই কামটো সুকলমে হৈ উঠাটো এটা প্ৰতিক্ৰিয়াশীল চক্ৰই বিচৰা নাছিল। আনহাতে অসম জ্বলিব বুলি হুংকাৰ দিয়া মাদানীৰ দৰে সাম্প্ৰদায়িক নেতাৰ গোন্ধ জনতাৰ নাকত লাগিছিল। অৱশেষত ৩৮ বছৰ অপেক্ষাৰ অন্তত এন আৰ চি আমাৰ হাতলৈ অহাৰ পথত। শংকা কৰা মতে ক'তো কোনো অপ্ৰীতিকৰ পৰিস্থিতি নোহোৱাটো আনন্দৰ কথা। ইয়াৰ দ্বাৰা এইটোকে প্ৰমাণ হয় যে, সকলোৱে এখন শুদ্ধ নাগৰিকপঞ্জী বিচাৰে।**

## চিন্তা-চৰ্চা



**আৰ কে বেজবৰুৱা**

ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী এটা ভাল খবৰ। ১৯৬২ চনৰ ২৭ জুনত প্ৰধানমন্ত্ৰী প্ৰয়াত জৱাহৰলাল নেহৰুৱে পাৰ্লিয়ামেণ্টত কংগ্ৰেছ দলৰ ৰাজিক কমিটীৰ আগত দিয়া ভাষণত কৈছিল "আপোনালোকে পাকিস্তানী অনুপ্ৰৱেশৰ কথা সম্পূৰ্ণ সঁচা। কিন্তু বংগদেশৰ পৰা অসমলৈ এই প্ৰব্ৰজন আজিৰ কথা নহয়। প্ৰায় পঞ্চাশ বছৰ আগৰ চেঞ্চাছ ৰিপ'ৰ্টত এই কথা পঢ়া মোৰ মনত আছে। সেয়ে এই কাৰ্যক কোনো ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত বুলি ধৰি ল'লে ভুল হ'ব....। এই অনুপ্ৰৱেশ বন্ধ হ'ব লাগিব আৰু তাৰ বাবে যথোপযুক্ত ব্যৱস্থা কাৰ্যকৰী কৰিব লাগিব।" নেহৰুৱে কোৱা ৰাজনৈতিক উদ্দেশ্য প্ৰণোদিত শব্দ দুটাই বিশেষ তাৎপৰ্য বহন কৰিছে। তেতিয়াই যদি বাংলাদেশ সীমান্তত উপযুক্ত ব্যৱস্থা গ্ৰহণ কৰা হ'লহেঁতেন তেনেহ'লে ১৯৭৯ চনত অসম আন্দোলনৰ প্ৰয়োজন নাথাকিলহেঁতেন। হয়তো বিদ্ৰোহী সংগঠনৰো জন্ম হোৱাৰ অৱকাশ নাথাকিলহেঁতেন। বিমলা প্ৰসাদ চলিহা, বিষ্ণু মেধি, মহেন্দ্ৰ মোহন চৌধুৰী বা শৰৎ সিংহৰ দৰে নেতাসকলেও সেই বিষয়ে একো নকৰিলে। পৰৱৰ্তী সময়ত অসম চুক্তি স্বাক্ষৰ হ'ল, জাতীয় দলৰ চৰকাৰ হ'ল, অসম চুক্তি ৰূপায়ণ কিন্তু নহ'ল। অসম চুক্তিৰ ছয় নং দফাত ৰক্ষা কবচৰ কথা স্পষ্টকৈ কোৱা আছে। বিগত প্ৰায় ত্ৰিশ বছৰে এই প্ৰসংগ তল পৰি থাকিল। কেইজনমান লোকৰ প্ৰচেষ্টাত ২০১৩ চনত মাননীয় উচ্চতম ন্যায়ালয়ে অসমত নাগৰিকপঞ্জী তৈয়াৰ কৰাৰ নিৰ্দেশ দিলে। তাৰেই ভেঁটিত এন আৰ চিৰ কাম আৰম্ভ হ'ল। কিন্তু এই কামটো সুকলমে হৈ উঠাটো এটা প্ৰতিক্ৰিয়াশীল চক্ৰই বিচৰা নাছিল। আনহাতে অসম জ্বলিব বুলি হুংকাৰ দিয়া মাদানীৰ দৰে সাম্প্ৰদায়িক নেতাৰ গোন্ধ জনতাৰ নাকত লাগিছিল। অৱশেষত ৩৮ বছৰ অপেক্ষাৰ অন্তত এন আৰ চি আমাৰ হাতলৈ অহাৰ পথত। শংকা কৰা মতে ক'তো কোনো অপ্ৰীতিকৰ পৰিস্থিতি নোহোৱাটো আনন্দৰ কথা। ইয়াৰ দ্বাৰা এইটোকে প্ৰমাণ হয় যে, সকলোৱে এখন শুদ্ধ নাগৰিকপঞ্জী বিচাৰে। ইতিমধ্যে সুযোগ সন্ধানীসকলৰ হাতৰ পৰা এন আৰ চিৰ ইচ্ছা যাব। অসম চুক্তিৰ ৫.২ নং দফাৰ অধীনত এন আৰ চিখন সকলোৱে বিচাৰে। এই দফাটোৱে বিদেশীৰ সংজ্ঞা হিন্দু বা মুছলমান বুলি নিৰ্ণয় কৰিব পৰা নাযায়। আমি আশা কৰিম কোনো পক্ষই যাতে ধৰ্মীয় দৃষ্টিকোণৰ পৰা বিদেশী চিনাক্তকৰণৰ ক্ষেত্ৰত এই দফা অৱমাননা নকৰে।





সুন্দৰৰ সৰু-বৰ আলিয়েদি

# সুখ আৰু শান্তিৰ সংজ্ঞা বিচাৰি

**পৰমজিৎ পাপলী কৌৰ**

'নতুন' এই নতুন বোলা শব্দটোৰ মাজতে নিহিত থাকে নতুনৰ আৱেগ, নতুনৰ সৃষ্টি, মানুহৰ আশা, মৰম-ভালপোৱা আৰু যেন বহুতো নতুন কিবা। সকলো উটি-ভাঁহি যাব বিচাৰে এই নতুনৰ সোঁত। এই নতুনেই সময়ৰ গতিত সৃষ্টি কৰে ইতিহাসৰ বহুতো সমল। লিপিৱদ্ধ হয় বহুতো জাউতিযুগীয়া কৰ্মৰাজি। এই নতুনেই বহুজনক লৈ যায় উন্নতিৰ্ শিখৰলৈ আৰু হয়তো বহুজনে থমকি ৰ'বলগীয়া হয় অথাই সাগৰত। সেয়ে নতুনক আঁকোৱালি লোৱাৰ সময়ত আমি সকলোৱে এটা সুস্থ পৰিকল্পনালৈ আগবাঢ়িলে সুন্দৰ ফলাফল পোৱাটো নিশ্চিত।

জীৱনত সুখ আৰু শান্তি আমি সকলোৱে বিচাৰো। আমাৰ এই ইচ্ছা পূৰণৰ বাবে চেষ্টা কৰাৰ আগতে আমি সুখ-শান্তি আচলতে কি সেয়া উপলব্ধি কৰা বা বুজা দৰকাৰ। সুখ আৰু শান্তি ইটো আনটোৰ পৰিপূৰক যদিও ইয়াতে এটা ক্ষুদ্ৰ পাৰ্থক্যও নথকা নহয়। এই কথা ১৯৯৬-৯৭ চনৰ কোনোবা এটা দিনত মাৰ আগত কৈছিল মোৰ অতি আদৰৰ প্ৰয়াত জেঠাই ড° চৰণ কৌৰে (দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক ভাৰপ্ৰাপ্ত উপাধ্যক্ষ) আৰু মায়ে মোক এই বিষয়ে প্ৰায়ে বুজাবলৈ, আত্ম উপলব্ধি কৰাবলৈ চেষ্টা কৰিছিল। লাহে লাহে ময়ো উপলব্ধি কৰিছিলো যে সুখ হৈছে জীৱনত ঘটা বাহ্যিক ঘটনাসমূহৰ ফলাফল। আনহাতে শান্তিয়ে বুজাই মানুহৰ আত্মিক-আধ্যাত্মিক আড়ম্বৰতা, মানসিকভাৱে চহকী কৰা, মানসিক পৰিপুষ্টি প্ৰদান কৰি উৎকৰ্ষ সাধন কৰা।

আহকচোন এই নৱবৰ্ষটিত সুখ-শান্তি সমান্তৰালভাৱে অটুত ৰাখিবৰ বাবে আমি সকলোৱে কিছুমান পৰিকল্পনা তথা সংকল্প হাতত লওঁ। সুখ প্ৰাপ্তিৰ বাবে যিকোনো পৰিস্থিতিতে তথা আনৰ প্ৰতি সদায় সাকাৰাত্মক দৃষ্টিভংগী গ্ৰহণ কৰিব লাগে। নিজৰ জীৱনত ঘটি যোৱা সুখৰ মুহূৰ্তবোৰ সদায় মনত ৰাখিব লাগে। যিসকলে আপোনাক ভাল পাই, আপোনাৰ ভালৰ বাবে আশীৰ্বাদ কৰে আৰু তেওঁলোকৰ শুভেচ্ছা সদায় মনত ৰখা দৰকাৰ। সদায় হাঁহিৰে-সাহসেৰে নিজৰ ওপৰত বিশ্বাস ৰাখি যিকোনো পৰিস্থিতিৰ মুখামুখি হোৱাৰ বাবে প্ৰস্তুত থকা দৰকাৰ। অতীত আৰু ভৱিষ্যতৰ বিষয়ে অধিক অবাঞ্চিত চিন্তা কৰি বৰ্তমানটো কষ্টদায়ক কৰা অনুচিত। কাৰণ বৰ্তমানটো সুন্দৰ হ'লেহে সুন্দৰ ৰঙীণ অতীত পোৱাৰ লগতে ভৱিষ্যৎ সফল হ'ব বুলি সকলোৱে জানে। লগতে মহান মণিষীসকলৰ জীৱনী, কাহিনী তেওঁলোকৰ জীৱনৰ সফলতা-বিফলতা, অধ্যৱসায়ী, ভাল-বেয়া আদিৰ বিষয়ে পঢ়ি জানি সেই সমূহৰ পৰা শিক্ষা লোৱা দৰকাৰ। আনহাতে জীৱনত শান্তি প্ৰাপ্তিৰ বাবে ক্ৰোধ, হিংসা, অহংকাৰ, লালসা আদি ধৰণৰ আপদ বা বদ অভ্যাসবোৰ ত্যাগ কৰাৰ দৰকাৰ। ক্ষমা গুণটো অতি মহৎ গুণ। মহান মণিষীসকল ক্ষমা গুণৰ জৰিয়তে উচ্চ শিখৰত অৱতৰণ কৰিবলৈ সক্ষম হয়। ক্ষমা গুণে শত্ৰুকো নিজৰ অধীন কৰাৰ সহায় কৰে। আপোনাক বিভিন্ন সময়ত সহায়-সহযোগ আগবঢ়োৱা জনক ধন্যবাদ প্ৰদানৰ বাবে আগৰণুৱা হৈ থকাটো উচিত। আনক সহায় কৰিবলৈ সদায় সাজু থকা দৰকাৰ। যিজনক আপোনাৰ প্ৰয়োজন তেওঁক মন খুলি সহায় কৰিলে কিমান শান্তি পোৱা যায় সেয়া বুজাইহে বুজে। আমি আনক সন্মান কৰিবলৈ শিকিব লাগে। আনৰ প্ৰতি সদায় নম্ৰ ব্যৱহাৰ ৰাখিব লাগে। মানৱীয় মূল্যবোধৰ ভেঁটি শক্তিশালী কৰি ৰাখি আমি সফলতা লাভ কৰি শান্তি লভিবলৈ আত্মবিশ্বাসী হোৱা দৰকাৰ। আমাৰ আশা নৱবৰ্ষৰ প্ৰতিটো দিনে, প্ৰতিটো পলে সকলোৱে জীৱনলৈ সুখ-শান্তি কঢ়িয়াই আনক, মধুময় কৰক সকলোৱে জীৱন। ফোন ঃ ৮৬৩৮১৯৪১৫০

> *১৯৯৬-৯৭ চনৰ কোনোবা এটা দিনত মাৰ আগত কৈছিল মোৰ অতি আদৰৰ প্ৰয়াত জেঠাই ড° চৰণ কৌৰে (দিছপুৰ মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক ভাৰপ্ৰাপ্ত উপাধ্যক্ষ) আৰু মায়ে মোক এই বিষয়ে প্ৰায়ে বুজাবলৈ, আত্ম উপলব্ধি কৰাবলৈ চেষ্টা কৰিছিল। লাহে লাহে ময়ো উপলব্ধি কৰিছিলো যে সুখ হৈছে জীৱনত ঘটা বাহ্যিক ঘটনাসমূহৰ ফলাফল।*



## নামঘোষা আৰু গীতাৰ উদ্ধৃতিৰে

# আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু

**অলকানন্দা দত্ত**

আজি অলপ দিনৰে পৰা এটা কথাৰ কাৰণে মোৰ নিজকে খুব দোষী দোষী লাগিবলৈ ধৰিছিল। পৰিত্ৰাণৰ উপায় বিচাৰি ময়ো হাহাকাৰ কৰি থাকিব লগা অৱস্থা হৈছিল। হকে বিহকে সেই কথাবোৰে মোৰ মনৰ ভিতৰখনত বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিবলৈ ধৰিছিল, বিশেষকৈ যেতিয়া ধনমইনা আহি আমাৰ ঘৰত উপস্থিত হৈছিল। তেওঁৰ দৰে বৰ্ত্তমান যুগত আধুনিক ব্যৱস্থাপনাৰ চাকৰিৰ ক্ষেত্ৰত উচ্চশিখৰত থকা ল'ৰা এজনে নিজস্ব ব্যক্তিগত সমস্যাৰ সমাধানৰ কল্পে মোৰ ওচৰলৈ আহিব, সেইয়া মোৰ বাবে কল্পনাৰো অগোচৰ আছিল। গীতা তেঁৱো পঢ়িবলৈ লৈছে যদিও বিশেষ কামত অহা নাই হেনো, ইফালে তেওঁ একেবাৰে নাচোৰবান্দা, গীতাৰ মাজেদিয়েই আমি তেওঁক কিবা এটা পৰামৰ্শ দিব লাগিব। কাৰণ মাকৰ পৰা তেওঁ এই বিষেয়ে কিছু কথা শুনি আহিছে। মই অৱশ্যে তেওঁৰ মুখলৈ চাই চাই বিস্ময়ৰ অতিশৰ্য্যাৰ মাজেদিয়েই প্ৰথমতে নামঘোষাৰ এফাকি ঘোষা আৰু গীতাৰ শ্লোকৰ অন্তত এটা কাহিনীপুকে অৱলম্বন কৰি বহুতো কথা কৈ গৈছিলো। ল'ৰাজনে কথাবোৰ কেনেদৰে হজম কৰিছিল সেই বিষয়ে মই একো ধৰিব নোৱাৰিছিলো। গুচি যোৱাৰ পাছতহে মই বহু পৰলৈ থৰ লাগি ৰৈ আছিলো, কেনেকৈ মোৰ মুখেৰে সেই কথাবোৰ ওলাই আহিছিল, সঁচাকৈ আমি নিমিত্ত মাত্ৰ নেকি, আমাৰ দ্বাৰা কোনোবাই আঁৰৰ পৰা কৰোৱাই থাকে নেকি? দুখী দুখী অৱস্থাৰে ময়ো স্বীকাৰ কৰিবলৈ বাধ্য হ'ব লগা হৈছে যে সাধাৰণতে "গীতাৰ অমিয়া সন্ধান" লিখাৰ পিচত দুখ সাগৰত পৰা লোকে বা আচম্বিতে নেপাবলগীয়া শোকত প্ৰিয়মান হ'বলগীয়া লোক সকলে আতুৰত পৰিয়েই গীতাৰ ফালৰ পৰা পৰিত্ৰাণৰ সম্বল বিতাৰিয়েই আমাৰ লগত যোগাযোগ কৰে। ময়ো অতি আন্তৰিকতাৰে সেইসকল লোকৰ মানসিক পৰিচৰ্যা কৰিবলৈ উঠি পৰি লাগি যাওঁ, লাহে লাহে মই তাক জীৱনৰ ব্ৰত হিচাৱে ল'বলৈও মনস্থ কৰাৰ কথা ভাবি আছো। এই দুদিনীয়া পৃথিৱীখনত কোনেনো কিবা কৰাৰ সুবিধা হাততে পায়? ইমান দিনে সমাধানৰ যে কিবা সূত্ৰ বিচাৰি উলিয়াব পাৰিছো সিও নহয়, মাথো আমাৰ নীৰৱ প্ৰচেষ্টাহে মাথো। তাৰ বাবে অৰ্ন্তজগতৰ পৰা সহাঁৰি পাই আছো যেনো লাগে।

এতিয়া আহিব বিচাৰিছো মই উল্লেখ কৰিব বিচৰা কাহিনীৰ অন্তৰভাগলৈ। বন্ধু ভাৱপন্ন দুটা পৰিয়ালৰ মাজত বহু দিনৰ পৰা হৃদয়তা গঢ়ি উঠাৰ বাবেই তেওঁলোকৰ সমূহীয়া এটা সমস্যাই মোকো মানসিকভাৱে খুব আঘাত দিছে, কাৰণ তেওঁলোকৰ সমস্যাৰ লগত ময়ো একপ্ৰকাৰ জড়িত হৈ আহিছো বুলি ক'লেও ভুল কোৱা নহ'ব। ময়েই বিয়াৰ বাবে দুয়োঘৰৰ মাজত দৰা-কন্যা দেখুৱাই দিছিলো। ওপৰে ওপৰে চাবলৈ গ'লে বৰ্ত্তমান সমাজখনত প্ৰাসংগিক হৈ পৰা বিবাহ বিচ্ছেদৰ জ্বলন্ত সমস্যাত পৰিছে যদিও লাহে লাহে মানুহে তাক সহজভাৱে ল'বলৈ আৰম্ভ কৰি দিছে। এনে ক্ষেত্ৰত তেওঁলোকৰ এই সমস্যাটোৰ কথা বহুত খুলি ক'লেহে পাঠকে বুজি পাব পাৰিব। বিয়াৰ ৬/৭ বছৰমানৰ পিচত ছোৱালীজনীয়ে মাক-দেউতাক, শহুৰেক-শাহুৰেক সকলোকে মুক্তভাৱে জনাই দিলে ল'ৰাজনৰ লগত প্ৰেম কৰিব পাৰি, তেওঁৰ মৰম আবদাৰৰ মাজত ডুবি থাকিব পাৰি, পিচে স্বামী হিচাপে তেওঁৰ লগত সংসাৰ পাতি থকাটো আত্মসন্মান থকা ছোৱালী হিচাপে সম্ভৱ নহয়। এইখিনি কথা ইতিমধ্যে মোৰ কাণতো পৰিছিল। ছোৱালীজনীৰ কাম মোৰ সৰু কালৰ বান্ধৱী, এতিয়াও এই বন্ধুত্ব সমানেই অটুত আছে। পিচে কথাখিনি সাঁতৰৰ দৰে লাগিছিল। কাৰণ বিয়াখন মই ঠিক কৰিছিলো।



ল'ৰা-ছোৱালীৰ অভিভাৱক দুয়োঘৰৰ মাজত যথেষ্ট মিল আছিল। এতিয়াও আছে, তেওঁলোকে দুয়োঘৰে মুকলিকৈ চিন্তা কৰিবলৈ ধৰিলে। ল'ৰা জনৰ পিতৃ হ'ব পৰা ক্ষমতা নাই নেকি? পিচে সিও সত্য নহয়, কাৰণ ছোৱালীজনীয়ে স্বীকাৰ কৰিছে তাই দুবাৰো এবৰছন কৰাইছে। কাৰণ হিচাপে তাই মাকক যুক্তি প্ৰদৰ্শন কৰিছিল এনেদৰে, ল'ৰাটোৰ এনে এটা বেমাৰ আছে যিটো গৰ্ভজাত সন্তানলৈ জীনৰ দ্বাৰা যাব পাৰে, সেই কথা মনে প্ৰাণে তাই কামনা নকৰে। বেমাৰটোৰ বিষয়ে শহুৰেক-শাহুৰেক বা তাইৰ মাক-দেউতাকে কি ব্যাখ্যা দিব পাৰে সেইয়া জানিবলৈ তাই মুঠেই আগ্ৰহী নহয়। মুঠতে বৰ্ত্তমান আধুনিক যুগৰ এজনী স্বাধীনচেতীয়া শিক্ষিত ছোৱালী হিচাপে তাইৰ দৃঢ় ধাৰণা ই এটা ডিজিজ। আচৰিত কথা জন্মদাতৃ পিতৃ-মাতৃয়েও ধৰিব নোৱাৰিলে সেই ডিজিজটোনো কি? অথচ বোৱাৰীয়েকৰ কথা বা যুক্তি অৱমাননা কৰিব নোৱাৰে, তেওঁলোকেওঁ জানে তাই এজনী অতিকে ভাল ছোৱালী। আৰু বোৱাৰী হিচাবেও মনালিচা তেওঁলোকৰ খুব প্ৰিয়। তেওঁলোকে পুত্ৰ-বোৱাৰীৰ মিল দেখিছে, দুয়োটাই দুয়োটাক অসম্ভৱ ভাল পায় এই বিষয়েও জানে। পিচে অন্তৰালৰ কথাহে ভালকৈ ধৰিব পৰা নাই।

কথাবোৰে মোকো বৰ বিভ্ৰান্তিত পেলাইছিল। ইমান মিলাপ্ৰীতি থকাৰ পিচতো এনে কি বিবাহ বিচ্ছেদৰ কাৰণ থাকিব পাৰে? সেয়ে বহু বছৰৰ আগৰ কথালৈও যাবলগীয়া হৈছিল। স্বামীৰ চাকৰিৰ সূত্ৰে ঘূৰি ফুৰোতে উজনি অসমৰ এখন চহৰক প্ৰশাসনীক চাকৰিয়াল হিচাবে এঘৰ মানুহৰ লগত আমাৰ খুব বত্ত্ব গঢ়ি উঠিছিল। তেওঁলোকৰেই একমাত্ৰ পুতেকৰ ঘৰত মতা নাম এই ধনমইনা। (অৱশ্যে তেওঁৰ প্ৰকৃত নাম গোপন কৰি ৰখা হৈছে) তেওঁ মাক-দেউতাকৰ বাবে চকুৰ মণি, এডোখৰ হীৰা, আমাৰো বৰ মৰমৰ আছিল।

*শেষাংশ ২১ পৃষ্ঠাত*

# কিছু সময় একান্ত নিজৰ সৈতে কটাওক

**যামিনী অনুৰাগ**

*আজিৰ ব্যস্ততাপূৰ্ণ পৃথিৱীত আমি সকলোৱেই কম-বেছি পৰিমাণে মানসিক চাপৰ অধীন। প্ৰতিখন কৰ্মক্ষেত্ৰতেই আমি বিভিন্ন প্ৰকাৰে মানসিক চাপৰ সন্মুখীন হ'ব লগাত পৰে। ইয়াক এৰাই চলাৰ বিকল্প আমাৰ হাতত নথকা হৈ আহিছে, কিন্তু কিছুমান সৰু সৰু কাৰ্যপ্ৰণালীৰ জৰিয়তে মানসিক চাপক সহজেই পৰিচালনা কৰিব পৰা যায়। এনেধৰণৰ বহুতো প্ৰক্ৰিয়া আছে যাৰ নিয়মীয়া অভ্যাসৰ জৰিয়তে মানুহে নিজকে শাৰীৰিক আৰু মানসিক ৰূপে অধিক কৰ্মক্ষম আৰু সৃজনীশীল কৰি গঢ়ি তুলিব পাৰে।*

জীৱনৰ গতিশীলতাই আমাক বিভিন্ন পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ গঢ়ি তোলে। বিভিন্ন ক্ষেত্ৰত থকা প্ৰতিযোগিতাই আমাক টিকি থাকিব পৰাকৈ সক্ষম কৰি তোলে যদিও আমি শাৰীৰিক আৰু মানসিক চাপ বুলি কওঁ। মানসিক চাপৰ বিভিন্ন স্তৰ থাকে। অত্যাধিক মানসিক চাপে আমাৰ শৰীৰ আৰু মনক লাহে লাহে বাধাগ্ৰস্ত কৰি আনে। মানসিক চাপে আমাৰ কৰ্মদক্ষতা আৰু উৎপাদনশীলতাৰ ওপৰত ঋণাত্মক প্ৰভাৱ বিস্তাৰ কৰে। সঠিক সময়ত আমি আমাৰ মানসিক চাপৰ কাৰক সমূহ চিনাক্ত কৰি তাৰ নিৰাময়ৰ উপায় হাতত নল'লে ই সময়ত দুৰাৰোগ্য ব্যাধিত পৰিণত হয়গৈ। অত্যাধিক মানসিক চাপৰ কবলত পৰি বহু প্ৰতিভাধৰ ব্যক্তিও এটা সময়ত বিফলতাৰ সন্মুখীন হ'ব লগাত পৰে।

মানসিক চাপে আমাৰ ওপৰত কেনেধৰণৰ প্ৰভাৱ বিস্তাৰ কৰে তাৰ তালিকা অন্তহীন। বিশেষকৈ ইয়াৰ ঋণাত্মক প্ৰভাৱে আমাৰ শৰীৰ আৰু মনৰ যি স্বয়ংক্ৰিয় প্ৰাকৃতিক ভাৰসাম্যতা সেয়া ক্ৰমশঃ নোহোৱা কৰি পেলাবলৈ আৰম্ভ কৰি দিয়ে। এটা সময়ত এনে এটা পৰ্যায় পায়গৈ যে আমি শাৰীৰিকভাৱে কোনো এটা কাম কৰাৰ সক্ষমতা ৰাখিও মানসিকভাৱে তাক কৰাৰ বাবে অগ্ৰসৰ হ'ব নোৱাৰাত পাৰো। কিছু ক্ষেত্ৰত তাৰ বিপৰীতো ঘটে, যেনে আমি মানসিকভাৱে কোনো এটা কাম কৰাৰ সক্ষমতা ৰাখো কিন্তু শাৰীৰিকভাৱে সক্ষমতা অনুভৱ নকৰো।

আজিৰ ব্যস্ততাপূৰ্ণ পৃথিৱীত আমি সকলোৱেই কম-বেছি পৰিমাণে মানসিক চাপৰ অধীন। প্ৰতিখন কৰ্মক্ষেত্ৰতেই আমি বিভিন্ন প্ৰকাৰে মানসিক চাপৰ সন্মুখীন হ'ব লগাত পৰে। ইয়াক এৰাই চলাৰ বিকল্প আমাৰ হাতত নথকা হৈ আহিছে, কিন্তু কিছুমান সৰু সৰু কাৰ্যপ্ৰণালীৰ জৰিয়তে মানসিক চাপক সহজেই পৰিচালনা কৰিব পৰা যায়। এনেধৰণৰ বহুতো প্ৰক্ৰিয়া আছে যাৰ নিয়মীয়া অভ্যাসৰ জৰিয়তে মানুহে নিজকে শাৰীৰিক আৰু মানসিক ৰূপে অধিক কৰ্মক্ষম আৰু সৃজনীশীল কৰি গঢ়ি তুলিব পাৰে।

শৰীৰ আৰু মনৰ যি স্বয়ংক্ৰিয় প্ৰাকৃতিক ভাৰসাম্যতা সি শিশু অৱস্থাত আটাইতকৈ অধিক হৈ থাকে। সেয়ে শিশুসকল সহজে নাভাগৰে নতুবা নিত্য নতুন কামৰ বাবে আগ্ৰহী হৈ থাকে। বয়সৰ লগে লগে আমি মানসিক উৎকৰ্ষ সাধনৰ চেষ্টাত ব্ৰতী হৈ শাৰীৰিক বিকাশৰ বহু পৰিমাণে মনোযোগৰ আঁতৰত ৰাখো। এই প্ৰক্ৰিয়া গোটেই জীৱনজুৰি চলি থাকে, কেতিয়াবা আমি শৰীৰৰ বাবে মনোযোগ দিওঁ আৰু কেতিয়াবা মানসিক বা বৌদ্ধিক বিকাশৰ বাবে, কিন্তু বহু কম সংখ্যকৰ বাহিৰে বেছিভাগেই এই দুয়োটা প্ৰক্ৰিয়াৰ ভাৰসাম্যতা বজাই নাৰাখে। ফলত আমি মানসিক চাপেই হওঁক বা শাৰীৰিক সক্ষমতাই হওঁক, এটা সময়ত ইয়াৰ সন্তুলন আমাৰ বাবে এক ডাঙৰ

*শেষাংশ ২১ পৃষ্ঠাত*

# কবিতাৰ বাকৰিত নতুন দিনৰ অনুভৱ....

## নাহৰ ফুলিয়েই দুয়ো পলাই যাম, ফুটুকী

মিতালী ভট্টাচায
ফোন ঃ ৮৬৩৮৭০০৩৪৪



মোক কিয় নোসোধা —??
সেই সোণবৰণীয়া খাৰুৰ কথা

কিয় নোসোধা মোক??
সেই মৌমাখি ৰহৰ ব্ৰুছ পিনৰ কথা

কিয় নোসোধা মোক —??
মই কিয় কাজল লওঁ দুচকুত
আৰু আন্ধাৰ কৰো পৃথিৱী
টোপ টোপ কৈ উচুপনিৰ আখৰবোৰ
কিদৰে তিয়ায় মোক
তুমি বৰ দুষ্ট হৈ গৈছা
তুমি ক'লা — যোৱা ফুটুকী, শুই থাকা গৈ
কাজলৰ নিয়ৰত তিতা ডেউকা দুটি জপাই,
তোমাক পোছাকৰ তলত
জোনাক বোৰে খৰমৰাইছে"

মই মৌমন, মৌমিঠা
আৰু তুমি ঈৰ্ষা কাতৰ
মোৰ বদনাম ৰটিবলৈ উঠি পৰি লাগিছা
বেয়া পাইছো তোমাক, বহুত বেয়া

তুমি ক'লা— "মৰম যদি তোমাৰ সোণ হয়,
জেওঁৰা পাৰ হৈ গুচি নাহা কিয়??
পাহাৰটোৰ গলধনেদি ভাবনাৰ
পখিলা জাক উৰুৱাই
পখিলা জাক উৰুৱাই
অকলে অকলে কি বলকি আছা তুমি, ফুটুকী —???
কিয় লিখি আছা শুকান মেঘৰ পাহাৰখনত
মোৰ নাম —???
পাহৰি পেলাইছো বুলি নাভাবিবা
সৌৱা, তোমাৰ আঙুলিত দেখোন
হীৰা হৈ জিলমিলাইছে
মোৰেই অহংকাৰ

তোমাৰ কুঁহিপাত কোমল আঙুলিৰে
চুই চোৱা মোৰ হৃদয়
ডোখৰ ডোখৰ কৰা কলিজাৰ বিষাদবোৰ
এতিয়া সোঁৱৰণি হ'ল।
কিয় পাহৰি গৈছা...ফুটুকী
তুমি যেতিয়া মেলি দিছিলা
তোমাৰ পলাশ কোমল আঁচল খনি
তেতিয়া স্বৰ্গকণা নামিছিলিহি
মোৰ হাতত, মুঠি মুঠি



আঃ কি শান্তি, ফুটুকী
এইবাৰ, নাহৰ ফুলিলেই
দুয়ো পলাই যাম, ফুটুকী।



## সোঁৱৰণি

হিৰক জ্যোতি ভট্ট

...ৰজন অসামাজিক কবি
...লৈ মোৰ মৃত্যু হ'ব
মোৰ মৃত্যুত কোনে চকুলো টুকিব !
আপুনি; তুমি আৰু তেওঁবিলাকৰ স'তে
মোৰ চিনাকি ফেচবুকত
সেয়ে হয়তো তেওঁবিলাকৰ দৰে
আপুনিও লিখি দিব
ৰিপ
মোৰ মৃত্যুত ।
ছয় ফুট দীঘল ছিটাত তুলি
মোক জ্বলাই দিব
আৰু নদীত উটুৱাই দিব মোৰ অস্তি
মই জ্বলি যাম, শেষ হ'ম
ধোঁৱা হ'ম, ছাই হ'ম
আৰু আপোনালোকৰ বাবে হৈ ৰ'ম
সোঁৱৰণি।



## ফাগুণ

অঘৰী চন্দন

মৰিচিকা সদৃশ
কেঁচা কলিজাত ফুলিল শিমলু মদাৰ...
ফাগুণ তই আহিলি....
কিমান যে আনন্দ
ফাগুণ তোৰ আগমনত...
কেঁচা কলিজাৰ ধাননিডৰাত আজি
ফাকুৱা উৎসৱ
বিষাদৰ নেৰানেপেৰা বৰষুণজাকত।
ফাগুণ তইও হাৰিলি
আৰু মোৰ ঘৰখনো
তই কিয় আহিলি ফাগুণ (?)
তই কিয় ধুঁৱাই পেলালি আইৰ বুকু...
মৰিশালিতো তোৰ জুঁইৰ সৈতে দপ্‌দপ্‌নি
শুদা কৰিলি দুখীয়াৰ পঁজা।
ফাগুণ তই কিয় আহিলি!!



## বিদায় ২০১৭

ধীৰেণ শইকীয়া

কেলেণ্ডাৰৰ পাতৰ পৰা আঁতৰিব ২০১৭। কি পালো, কি নাপালো। একে আষাৰতে কৈছো-পালো কিছুমান প্ৰতিশ্ৰুতি। হ'ব হ'ব আৰু হ'বৰ ধাৰাবাহিক এসোপা 'লোকাচাৰ'। দুৰ্নীতি নিৰ্মূল হ'ব, ব্ৰহ্মপুত্ৰ খনন হ'ব। ৰাস্তা ঘাট পকী হ'ব। অভয়াৰণ্যত বেদখল নচলিব আৰু ক'ত কি...।
পিছে পালো কি?
পুনৰ প্ৰতিশ্ৰুতি........
পালো কেৱল আমচাঙৰ উচ্ছেদ, এন আৰ চিক লৈ উৎকণ্ঠা
নমামি ব্ৰহ্মপুত্ৰ, নমামি বৰাক
অংকুশিতা বড়ো আৰু ক'ত কি....। লগতে পালো মৰিয়া হোলা,
নীল তমালৰ ৰ'দ........ চাকিৰা আহিব.......ৰ পৰা মিছ্ন চাইনালৈকে
এ পি এছ ছিৰ হুলস্থুলৰ পৰা ধলা শদিয়া দলঙলৈকে। এইবোৰ
দেখি শুনি ভাবিছো জীৱন অৰ্থহীন নহয়
জীৱন আশাৰ তামিঘৰা
সুগন্ধি দীঘল এক উপত্যকা
জীৱন যেন মহাৰাসৰ ৰাতি
য'ত কৃষ্ণই বজাই বাঁহী
য'ত আমি নাচি আছো গোপ-গোপী।।



## তুমিহীনতাত নিশাবোৰ

যাযাবৰ মিণ্টু শৰ্মা
ফোন ঃ ৯৯৫৭০৭৫৩৭০

এনেকৈয়ে যেন পাৰ হৈ গৈ আছে মোৰ জীৱনৰ বাটবোৰ
পাৰ কৰি গৈ আছো যাযাবৰী জীৱন
একেটা কামিজৰ মাজতে সীমাবদ্ধ মোৰ আবেগ-অনুভূতিবোৰ
এতিয়া প্ৰশ্ন হয় মই কোন?
তোমাক হেৰুৱাই হেৰুৱাই পেলাইছো মোৰ হৃদয়খন
এতিয়া তুমি হীনতাৰ বাবে উশাহবোৰ চুটি হৈ গৈ আছে,
আঃ কি কষ্ট কিমান বিষাদ
শূন্যতাৰ আৱৰণে মোক মৃত্যু দিছে,
আৰু মোৰ মৃতদেহৰ পৰা গোন্ধ ওলাইছে মই যে যাযাবৰ কবি
মোৰ আগমণত পৃথিৱী হৈ পৰে বিৰক্ত !
কিয় বাৰু?
আজিকালি মই মদিৰা পাণ কৰো,
নকৰিমনো কিয়
তুমিহীনতাত মোৰ জীৱন যে হৈ গৈছে ছিৰ্ণ-বিছিৰ্ণ
কাৰণ মই এতিয়া দুৰ্দান্ত যাযাবৰ।

## সমাধি

মুকুল জয়ন্ত

মই জানো
মই যেতিয়া আঁতৰি যাম
নাঙঠ কৰিবা মোক,
চিতাত ঘুমটি ভাগৰৰ
এই মৰিশালিত
মই ৰৈ থাকিম দিয়া
মোৰ মৃতদেহটো লৈ।



গল্প

# ঠাকুৰ মাৰ চকুলো

অলকা ডেকা

নববিবাহিতা নীতাৰ যুগ্মজীৱন আৰম্ভ হৈছিল ধুবুৰীত। তেতিয়াই হোৱা এটা অভিজ্ঞতা জীৱনত কোনো দিন পাহৰিব পৰা নাছিল। স্বামী মানসপ্ৰতীম চৌধুৰী স্থানীয় কলেজৰ প্ৰবক্তা। মানসে ঠিক-ঠাক কৰি থৈ যোৱা ভাড়াঘৰটো দুটা পাৰ্টৰ আহল-বহল। এটা পাৰ্টত নীতাহঁত আৰু আনটো পাৰ্টত বঙালী পৰিয়াল এটা আছিল। প্ৰথম দিনাখন আনটো পাৰ্টত থকা মানুহঘৰৰ লগত সিহঁতৰ ওপৰে ওপৰে চিনাকী হ'ল। মহিলাগৰাকীৰ স্বামী গাৰোপাহাৰত মৰ্যাদাসম্পন্ন চাকৰি কৰিছিল। টকা-পইচাৰো অভাৱ নাছিল। তেওঁলোকৰ ল'ৰা এটা কলিকতাৰ কাযৰ নৰেন্দ্ৰপুৰৰ পাব্লিক স্কুলত পঢ়িছিল। ধুবুৰীত মহিলাগৰাকী আৰু শাহুৱেক থাকে। মহিলাগৰাকী ৰঙিয়াল। নীতাই কথা পাতি ভাল পালে। তাই যেন এগৰাকী বান্ধৱীকে মনেৰে আশা কৰি আছিল। পিচে.....।

নীতাই সিহঁতৰ ঘৰটোৰ আগফালে ফুলিথকা কথানফুলৰ হে'জ দেখি আচৰিত হ'ল কাৰণ তাই আগতে কথনা ফুলেৰে হে'জ বনোৱা ক'ৰবাত আছে যদিও দেখা নাছিল। কেবাবিধো জবা, গুলঞ্চ, শেৱালী, কৰবী আদি ফুলেৰে আগফালখন সুশোভিত হৈ আছিল। ইমানবিলাক ফুলৰ সমাৰেশ দেখি তাইৰ মন আনন্দত অধীৰ হৈ পৰিছিল। ভাবিছিল মানুহগৰাকীৰ মনটোও ছাগে ফুলৰ দৰে কোমল।

প্ৰথমে গৈ সৰু চহৰখনৰ লগত মিলিব নোৱাৰিলেও লাহে লাহে যেন তাইৰ ভাল লাগিব ধৰিলে। মানসে নীতাৰ মন বহুৱাবলৈকে ধুবুৰী আৰু ওচৰ-পাজৰত থকা পৰ্যটন স্থানসমূহ সময় উলিয়াই ফুৰাবলৈ ধৰিলে। মহামায়া মন্দিৰ, গৌৰীপুৰৰ মাটিয়াবাগত থকা ৰাজবাৰী, ধুবুৰীৰ টেঁগাবাহাদুৰ গুৰুদ্বাৰ দৰগাহ আদি ঠাইবোৰ ঘূৰি নীতাৰ খুব ভাল লাগিল। ধুবুৰীৰ স্থানিয় দেশী ভাষা শুনিয়ো নীতাই বৰ আমোদ পোৱা হ'ল। সময় পালে সিহঁতে প্ৰায়ে গধূলি সময়ত ব্ৰহ্মপুত্ৰৰ পাৰত বহিছিল। কাৰণ ধুবুৰীৰ ব্ৰহ্মপুত্ৰৰ দৃশ্য অতিত মনোমোহা। নাৱৰ পৰা ভাহি অহা ভাটিয়ালী গীত বিলাকেৰে মন পৰশি যায়, তাতে আকৌ শিশুবোৰে মাজে মাজে পানীৰ পৰা ওপৰলৈ উঠি



আহি টুপুকৈ বুৰ মৰা দৃশ্যই নীতাক বিমুগ্ধ কৰি তুলিছিল। নীতাই যেন নদীৰ পৰা দৃষ্টি আঁতৰাই আনিব নোৱাৰে। অতীতৰ পৰা মানুহৰ অন্তৰত প্ৰকৃতিগত হিচাপে এটা আকৰ্ষণ থাকে সেই কথা উপলব্ধি কৰিছিল।

গুৱাহাটীৰ পৰা আহি পোৱাৰ দিনাখন কাষৰ পৰিয়ালটোৰ লগত ওপৰে ওপৰেহে পৰিচয় হৈছিল। নীতাই ভাবিলে এদিন তাই বহাকৈ যাব। মানস কলেজলৈ যোৱাৰ পিছত এদিন আনটো পাৰ্টত থকা পৰিয়ালটোলৈ ফুৰিবলৈ গ'ল। নীতাই কলিং বেলটো টিপি দুৱাৰ মুখত আৰি থোৱা মা দুৰ্গাৰ সৰু ফটোখনলৈ চাই থাকোতেই দুৱাৰখন খোলা শব্দ শুনিলে। দেখিলে এগৰাকী বৃদ্ধা ওলাই আহিছে। মিঠাবৰণীয়া, নিস্তেজ মুখখন উজ্বল এহাল চকু।

তাইক ভিতৰলৈ মাতি নি বহিবলৈ দি চা-চিনাকি হ'ল। নীতাই বুজিব পাৰিলে এখেতেই চিনাকী হোৱা মহিলাগৰাকীৰ শাহুৱেক। নীতাই তেখেতৰ লগত কথা পাতি বোৱাৰীয়েকৰ অনুপস্থিতি অনুভৱ নকৰিলে। প্ৰথম চিনাকীতে দুয়োৰে মাজত আন্তৰিকতা গঢ়ি উঠাত তেখেতে প্ৰায় নীতাৰ ঘৰলৈ আহিব ধৰিলে। শেষাংশ ২০ পৃষ্ঠাত

*যোৱা সংখ্যাৰ পৰা*

## *জীৱন সম্পৰ্কে এক মননশীল ধাৰাভাষ্য*

# বিষাদৰ বৰষুণ জীৱনৰ ৰ'দ

জীৱন বীক্ষণ



ড° দিনমণি কলিতা

'E' — মানে হ'ল Erase — অৰ্থাৎ মোচন কৰা বা নোহোৱা কৰা। অহংকাৰ, ক্ৰোধ, ভয় আৰু ঈৰ্ষা — এই চাৰিটা মানুহৰ পৰম শত্ৰু। ইহঁতক দূৰলৈ খেদি পঠিয়াব লাগে। অহংকাৰে মানুহক হিতাহিত জ্ঞান হেৰুওৱাত সহায় কৰে আৰু অহংভাৱৰ বশৱৰ্তী হৈ কৰিব নলগা কামো কৰি পেলায় আৰু ক'ব নলগীয়া বাক্যও প্ৰয়োগ কৰে। ক্ৰোধ হ'ল আন এক শত্ৰু যিয়ে মানুহৰ ৰক্তচাপ বৃদ্ধি কৰে আৰু ই মৃত্যুৰ কাৰণ পৰ্যন্ত হৈ উঠিব পাৰে। ভয় হ'ল মানুহৰ জীৱন যাত্ৰাৰ আটাইতকৈ শক্তিশালী বাধা প্ৰদানকাৰী সকলৰ অন্যতম। নাথানিয়েল হৰ্থৰ্নে কৈছিল — "নিজ মনৰ অন্ধকাৰৰ সমান ভয়ংকৰ অন্ধকাৰ কুঠৰি আন কোনো নাই আৰু নিজ মনতকৈ কঠোৰ জেইলৰ আন কোনো নাই।" ৰবীন্দ্ৰনাথ ঠাকুৰৰ ভাষাত ঃ

"বিপদে মোৰে ৰক্ষা কৰো
এ নহে মোৰ প্ৰাৰ্থনা
বিপদে আমি না যেন কৰি ভয়।"
(গীতাঞ্জলী)

হনুমানে সীতা উদ্ধাৰৰ খাতিৰত যেতিয়া লঙ্কা ছাৰখাৰ কৰি নিজে নিৰাপদভাৱে ঘূৰি আহিছিল, তেতিয়া শ্ৰীৰামচন্দ্ৰই এয়া কেনেকৈ সম্ভৱ হ'ল সুধিছিল আৰু হনুমানে উত্তৰত কৈছিল যে তেওঁ নিজে একো কৰা নাছিল স্বয়ং শ্ৰীৰামচন্দ্ৰই হনুমানৰ দ্বাৰাই সকলো কৰোৱাইছিল। 'S' - মানে হ'ল — 'Sharing' — অৰ্থাৎ সমভাৱে বিতৰণ কৰা বা বিলাই দিয়া। পাৰ্যমানে সম্পদ, ধন, জ্ঞান, হাঁহি, কান্দোন সকলো আনৰ লগত বিনিময় কৰাৰ অভ্যাস কৰক।

বিত্তশীল বা ধনীৰ মানুহে সততে ধন খৰছ কৰিবলৈ ভয় কৰে আন কথাত ধন খৰছ কৰিব লগা হ'লে তেওঁলোকে প্ৰাণ যোৱা যেন পায়। ধন সম্পদ, টকা-পইচা কেতিয়াও কাৰো বাবে পৰ্যাপ্ত নহয়, কাৰণ আকাংক্ষাৰ কোনো সীমা নাথাকে। তথাপি মনৰ প্ৰশান্তি লাভৰ বাবে পাৰ্যমানে অভাৱী আৰু দৰিদ্ৰজনৰ কামত অহাকৈ দান দিব লাগে। খুজিলে দান কৰা ভাল কিন্তু নুখুজাকৈ দান কৰাতো মহান। আমেৰিকাৰ পুজিপতিসকলে দুখীয়া কৃষক সকলক অলপ সহায় কৰাৰ উদ্দেশ্যে দান কৰা দূৰৰ কথা, তেওঁলোকৰ দোকানৰ পৰা কিবা এটা ক্ৰয় কৰিবলৈও ইচ্ছুক নাছিল, যাৰ বাবে কবি ৰবাৰ্ট ফ্ৰষ্টে ধনী পুজিপতিসকলক কৃপন আৰু নীচ বুলি কৈছিল ঃ

"You have the money, but
if you want to be mean
why keep your money and go along"

(A Roadside Stand)

কিছুমান দুৰ্নীতিপৰায়ণ অথচ ধনী লোকে জীৱনভৰ চাকৰি, ব্যৱসায় আদিৰ দ্বাৰা সুবিধা পালেই ধন আজুৰি পাহাৰ গঢ়ে আৰু ক্ৰমে যেতিয়া অনুভৱ কৰে যে ভৱামতে কামবোৰ দেখোন সিদ্ধি হোৱা নাই। জীৱনভৰ কেৱল অৰ্থ উপাৰ্জনতে ব্যস্ত থাকি পৰিয়াল সংসাৰৰ সকলো চিন্তা জলাঞ্জলি দি জীৱনৰ বিয়লিবেলাত সেই অৰ্থই কষ্ট আৰু যাতনাৰ কাৰণ হৈ পৰা যেন অনুভৱ কৰে। যেতিয়ালৈকে নিজ পুত্ৰই এৰি গুচি নাযায়, সমাজত দেউতাকৰ ধন ঐশ্বৰ্যৰ দোহাই দি অসামাজিক কামত লিপ্ত হৈ বাৰেপতি জেলৰ ভাত নাখায়, পুত্ৰী দস্যুৰ লগত প্ৰেমাপাশত আবদ্ধ হৈ পলাই নাযায় নাইবা ঘৰত বা পৰিয়ালত অন্য বিলাই বিপত্তিয়ে লগ নেৰা হয়, তেতিয়ালৈকে এইবিধ লোকৰ চকু মেল নাখায়। ইমানখিনি ঘটি যোৱাৰ পিছত 'দান' কাৰ্যত লাগি যায় পূৰ্বৰ কৰ্মদোষ মোচন কৰি স্বৰ্গত স্থান লাভৰ উদ্দেশ্য নতুবা 'দানবীৰ' হিচাপে স্বীকৃতি পাবৰ কাৰণে। তথাপি তেওঁলোকে মুক্তহস্তে পৰোপকাৰৰ কাৰণে দান নকৰে। বিখ্যাত দাৰ্শনিক আৰু চিত্ৰকৰ খলিল জিব্ৰানৰ মতে - "তুমি যেতিয়া তোমাৰ সম্পত্তিৰ অংশ দান দিয়া আচলতে ই একো দানেই নহয়। যেতিয়া তুমি নিজকে অৰ্পন কৰা তেতিয়াহে প্ৰকৃততে দান কৰা।" দান কৰা কাৰ্য কিদৰে কৰা উচিত আৰু কেনেকৈ দান কৰিলে ঈশ্বৰ লাভ হয় তাক জানিবলৈ টলষ্টয়ৰ 'দুজন বৃদ্ধ' নামৰ গল্পটো চমুকৈ কোৱা যাওঁক ঃ

এবাৰ ইফিম তাৰাচিচ চেভলভ, চমুকৈ ইফিম আৰু ইলিচা বডৰভ, চমুকৈ ইলিচা নামৰ দুই বৃদ্ধই জেৰুজালেমলৈ তীৰ্থভ্ৰমণৰ বাবে যোৱাৰ মনস্থ কৰিলে। ইফিম সদায় কৰ্মব্যস্ত কাৰণ তেওঁ গাৱৰ মুৰব্বী হিচাপে কাৰ্য নিৰ্বাহ কৰিছিল। কৰ্মী হোৱা বাবে ইফিম অৰ্থনৈতিক ভাৱেও টনকীয়াল। আনহাতে ইলিচা ধনীও নাছিল দুখীয়াও নাছিল। পূৰ্বতে মিস্ত্ৰী কাম কৰিছিল যদিও বৰ্তমানে মৌ বাহ পুহিবলৈ লৈছিল। অৱশেষত দুয়ো বৃদ্ধই জেৰুজালেমলৈ যাবলৈ সাজু হ'ল। ইফিমে নিজৰ লগত পৰ্যাপ্ত পৰিমাণে টকা লগত ল'লে আৰু প্ৰায় দুশ ৰুবুল ঘৈণীয়েকৰ হাতত দি তীৰ্থভ্ৰমণৰ বাবে সাজু হ'ল। আনহাতে ইলিচাৰ জমা টকা নাছিল যদিও আগতীয়াকৈ কেইখনমান মৌ বাহ বিক্ৰী কৰি কিছু টকা আগধন হিচাপে ল'লে। ইলিচাই ঘৈণীয়েক আৰু বোৱাৰীজনীয়েও কিছু টকা দিলে। ইফিমে ডাঙৰ ল'ৰাজনক ক'ত কি কৰিব লাগিব, কোনখিনি মাটিত সাৰ দিব লাগিব, ক'ত ঘাঁহ কাটিব লাগিব, ঘৰটোৰ মেৰামতি ক'ত ক'ত কৰিব লাগিব সকলো বুজাই বঢ়াই দিলে। ইফালে ইলিচা হাস্য বদনে অকনো চিন্তা নোহোৱাকৈ জেৰুজালেম যাবলৈ সাজু হ'ল। কিছুদূৰ যোৱাৰ পিছত ইফিমৰ মনত সন্দেহ হ'ল ডাঙৰ ল'ৰাটোৱে সকলো ঠিকে ঠাকে ঘৰুৱা কামবোৰ কৰিব পাৰিব নে সি মাকৰ হাতৰ পৰা টকা বিলাক নি খৰছ কৰি মদ ভাং খাব? এইবিলাক ভাবি চিন্তি ইফিমে জেৰুজালেম নগৈ ঘৰলৈ ঘূৰি যোৱাই ভাল হ'ব বুলি ইলিচাক মনৰ ইচ্ছাৰ কথা ক'লে। ইলিচাই ঘৰৰ চিন্তা বাদ দি তীৰ্থ ভ্ৰমণৰ যাত্ৰা উপভোগ কৰিবলৈ ইলিচাক পৰামৰ্শ দিলে। এইদৰে কিছুদূৰ খোজ কাঢ়ি যোৱাৰ পিছত ইলিচাৰ পিয়াহ লাগিল আৰু ইফিমক লাহে লাহে আগবাঢ়ি থাকিবলৈ ক'লে। ইলিচাই ইফিমক ক'লে — "বন্ধু তুমি লাহে লাহে আগবাঢ়ি গৈ থাকা। মই সৌ জুপুৰি ঘৰটোৰ গৃহস্থক খুজি পানী এগিলাচ খাই সাউতকৈ তোমাক লগ ধৰিম"। ইলিচাই জুপুৰি ঘৰটোৰ দুৱাৰত বাৰে বাৰে টুকুৰিয়ালে। "ঘৰত কোনোবা আছেনে? মই তীৰ্থযাত্ৰীহে। জেৰুজালেমলৈ বুলি ওলাইছো। পিয়াহত অষ্ঠ-কণ্ঠ শুকাইছে বাবে এগিলাচ পানী বিচাৰিহে আহিছো" বুলি বাৰে বাৰে চিঞৰি মতা স্বত্বেও জুপুৰিটোৰ পৰা কোনো ওলাই নাহিল আৰু কোনেও মাত এষাৰো নিদিলে। ইলিচাই লাহেকৈ দুৱাৰখন মেলি জুপুৰিটোৰ ভিতৰ সোমাই বৃদ্ধা এগৰাকী একেবাৰে কম কাপোৰ পিন্ধি বহি থকা দেখিলে। দেখিলেই গম পোৱা যায় যে বহুদিন ধৰি তেওঁ খাবলৈ নোপোৱাৰ বাবে তেওঁৰ এই অৱস্থা হৈছে। আৰু দুজন সৰু ল'ৰা আৰু ছোৱালীও বহুদিন খাবলৈ নাপায় মৃতপ্ৰায় অৱস্থাত পৰি আছে। ইলিচাই বুজি পালে যে খাদ্য আৰু পানীৰহে ঘৰখনৰ সদস্য কেইজনৰ প্ৰয়োজন। ইলিচাই ওচৰৰে কুৱা এটাৰ পৰা পানী আনি আটাইকেইজনকে খুৱালে। ইলিচাৰ লগত থকা ব্ৰেডখিনিও সকলোকে ভগাই দিলে আৰু যি অলপ টকা তীৰ্থ ভ্ৰমণৰ নিমিত্তে আনিছিল তাৰে কণী ধান, নিমখ, আটা আৰু তেল কিনি আনি জুপুৰিটোৰ সকলো সদস্যকে এসাজ ৰান্ধি খুৱালে। পানী আৰু খাদ্য খাই আটাইকেইজন কিছু সুস্থ হ'ল আৰু তেওঁলোকৰ কিয় তেনেকুৱা অৱস্থা হ'ল বিৱৰি ক'বলৈ ধৰিলে। বৃদ্ধ আৰু বৃদ্ধা দুয়োগৰাকীয়ে ক'লে যে তেওঁলোকৰ খেতি বাতি সকলো ধ্বংস হোৱাত খাবলৈ নোহোৱা হ'ল। কিছুদিন দিন হাজিৰা কৰি খালে যদিও পিছলৈ কাম নোপোৱা হ'ল। দিনে দিনে খাবলৈ নাপায় শুকাই খীনাই যাবলৈ ধৰিলে আৰু অৱশেষত মৃত্যুৰ বাহিৰে অন্য উপায় নেদেখি মৰিবলৈহে অপেক্ষা কৰি থাকিলে। শেষাংশ ১৯ পৃষ্ঠাত




# নৱবৰ্ষৰ আৰম্ভণিতে মুক্তি দিয়াৰ সিদ্ধান্ত অসমীয়া কথাছবি কেলেণ্ডাৰ



অসমীয়া চলচ্চিত্ৰ প্ৰেমীৰ বাবে অন্য এক সুখবৰ। হিমজ্যোতি তালুকদাৰৰ পৰিচালনাত এনাজৰী টকীজৰ বেনাৰত নিৰ্মিত এক নতুন অসমীয়া পূৰ্ণ দৈঘ্যৰ ছবি কেলেণ্ডাৰ শেষ পৰ্যায়ৰ নিৰ্মাণ কাৰ্য চলি আছে। এক বিশেষ সূত্ৰৰ পৰা জানিব পৰা মতে নৱবৰ্ষৰ আৰম্ভণিতে ছবিখন মুক্তি দিয়া হ'ব। এজন অৱসৰপ্ৰাপ্ত শিক্ষক আৰু তেওঁৰ পৰিবাৰৰ জীৱন যাত্ৰাৰ ওপৰত নিৰ্মিয়মান ছবিখনৰ প্ৰযোজক আৰু কাহিনী হৈছে হিমজ্যোতি তালুকদাৰ। তৰালি শৰ্মাৰ সংগীত পৰিচালনাত সিদ্ধাৰ্থ হাজৰিকাৰ কণ্ঠত ছবিখনৰ 'জীৱনে ওমলে জামলে' শীৰ্ষক গীতটোৱে ইতিমধ্যে দৰ্শকৰ সমাদৰ লাভ কৰিছে। কেলেণ্ডাৰৰ বিভিন্ন চৰিত্ৰত অভিনয় কৰিছে ক্ৰমে অৰুণ নাথ, মলয়া গোস্বামী, গুঞ্জন ভৰদ্বাজ, ৰিমজিম ডেকাৰ দৰে জনপ্ৰিয় তাৰকাই। দৈনন্দিন জীৱন শৈলীৰ ওপৰত নিৰ্মাণ কৰা এই ছবিখনক লৈ চলচ্চিত্ৰপ্ৰেমী খুবেই আশাৰে বাট চাই ৰৈছে।

## এই সপ্তাহৰ ছবিঘৰ



সঁচা প্ৰেম (অসমীয়া)
পৰিচালক ঃ প্ৰমোদ এছ
অভিনয়ত ঃ ব্ৰজেন বৰা, তাপশ্ৰী কলিতা, কল্পজ্যোতি গগৈ, ৰাহুল দাস

কুলদ্বীপ পাটোৱাল ঃ আই ডিড ন'ট ডু ইট (হিন্দী)
পৰিচালক ঃ ৰিমি কোহলী
অভিনয়ত ঃ জমিল খান, গুলসেন দেবায়া, ৰাইমা সেন, দীপক দবৰিয়াল

উৰণ ছু (হিন্দী)
পৰিচালক ঃ বিপিন পৰাশৰ
অভিনয়ত ঃ প্ৰেম চোপ্ৰা, আশুতোষ ৰাণা, ৰাজনীচ দুগ্গাল, ব্ৰুনা আব্দুল্লা

অল দ্যা মাণি ইন দ্যা ৱৰ্ল্ড (ইংৰাজী)
পৰিচালক ঃ ৰিদলি স্কট
অভিনয়ত ঃ মাইকেল উইলিয়ামছ, মাৰ্ক ৱাবাৰ্গ, ক্ৰিষ্টফাৰ প্লামাৰ, টিমথী হাটান।

ইন চিড়িয়াছ ঃ দ্যা লাষ্ট কী (ইংৰাজী)
পৰিচালক ঃ আদাম ৰবিটল
অভিনয়ত ঃ লিনশ্বায়ে, লেই ৱানেল, অংগুচ চেমচন

# হিৰ'ৰ পৰা জিৰ' শ্বাহৰুক খান



হিৰ'ৰ পৰা জিৰ' হ'ল বলিউডৰ কিং শ্বাহৰুখ খান। ফেন, জব হেৰী মেক ছিজল আদি ছবি বক্স অফিচত ফ্লপ হোৱাৰ পিছতেই হিৰ'ৰ পৰা জিৰ' হ'ল কিং খান। শেহতীয়াকৈ বক্স অফিচত ব্যৰ্থ হোৱা বলিউডৰ কিং শ্বাহৰুখ খানক এক নতুন ৰূপত দেখা পাব অনুৰাগীসকলে। বছৰৰ আৰম্ভণিতেই শ্বাহৰুখ খানে তেওঁৰ নতুন ছবি জিৰ'ৰ টেইলাৰ মুক্তি দিয়ে। উক্ত ছবিখনত সম্পূৰ্ণ নতুন ৰূপত প্ৰত্যাৱৰ্তন কৰিছে অভিনেতাগৰাকীয়ে। তেওঁৰ বিপৰীতে ছবিখনত অভিনয় কৰিছে অনুষ্কা শৰ্মা আৰু কেটৰিণা কাইফে। উল্লেখযোগ্য যে, বিগত সময়ছোৱাত তেওঁ পাৰিশ্ৰমিক নোহোৱাকৈয়েই ছবিকেইখনত অভিনয় কৰি আহিছিল। এক সূত্ৰই প্ৰকাশ কৰা মতে ছবিকেইখন বক্স অফিচত ফ্লপ হোৱাৰ পিছতেই তেওঁ প্ৰযোজকক পাৰিশ্ৰমিকৰ ধন ওভটাই দিছিল। আনহাতে বলিউডৰ আন এক তাৰকা অভিনেতা চলমান খানেও বহুদিনীয়া ফ্লপ চিনেমাৰ অন্ত পেলাই টাইগাৰ জিন্দা হে ছবিখনত এক বিশেষ সফলতা লাভ কৰিবলৈ সক্ষম হয়। ইয়াৰ পৰিপ্ৰেক্ষিতত শ্বাহৰুখ খানৰ বাবে আগন্তুক ছবি জিৰ'ই এক বিশেষ তাৎপৰ্য বহন কৰিছে। জিৰ'ৰ টেইলাৰ মুক্তি লাভ কৰাৰ পিছতেই ৩.২ কোটি অনুৰাগীয়ে উক্ত টেইলাৰটো পৰ্যবেক্ষণ কৰে। শ্বাহৰুখ খান অভিনীত জিৰ' ছবিখনে এই বৰ্ষৰ ডিচেম্বৰ মাহত মুক্তি লাভ কৰিব।

# সুনীধিৰ নতুন ইনিংছ



নৱবৰ্ষৰ পহিলা দিনতেই বলিউডৰ জনপ্ৰিয় গায়িকা সুনীধি চৌহানে এক নতুন ইনিংছ আৰম্ভ কৰিবলৈ সাজু হৈছে। বছৰৰ প্ৰথম দিনতেই পুত্ৰ সন্তান জন্ম দি সাংসাৰিক জীৱনৰ এক নতুন দিগন্তৰ সূচনা কৰে। মুম্বাইৰ চুৰিয়া হাস্পতালত চিকিৎসাধীন হৈ থকা গায়িকা গৰাকী সম্পূৰ্ণৰূপে সুস্থ বুলি জানিবলৈ দিয়ে চিকিৎসকে। উল্লেখযোগ্য যে, চাৰি বছৰ বয়সৰ পৰা সংগীতৰ লগতেই জীৱন আৰম্ভ কৰি ২০১২ বৰ্ষত সংগীত পৰিচালক হিতেশ শুনেকৰ লগত বিবাহপাশত আৱদ্ধ হয়।

## সাধু শুনো আহা




গুৱাহাটী মহানগৰীত জনপ্ৰিয় দল 'অন্তৰংগ'ই আয়োজন কৰিছে টেলি ৱেভাৰ্ছ — সাধু শুনো আহা নামৰ এক শিশু অনুষ্ঠান। দীঘলীপুখুৰীৰ গৌৰী সদনত অহা ছয় জানুৱাৰীত আবেলি ৪-৩০ বজাত এই অনুষ্ঠানটোৰ আৰম্ভণি কৰা হ'ব আৰু প্ৰতি মাহতেই ইয়াক অনুষ্ঠিত কৰাৰ 'অন্তৰংগ' গ্ৰুপে এক প্ৰয়াস কৰিছে। অনুষ্ঠানটোৰ বিষয়বস্তু হৈছে শিশুসকলৰ সাধু কোৱাৰ এক মুকলি মেলা। শিশুসকলৰ লগতে তেওঁলোকৰ অভিভাৱককো এই অনুষ্ঠানলৈ নিমন্ত্ৰণ জনাইছে অন্তৰংগ গ্ৰুপে। নৱবৰ্ষত শিশুসকলৰ বাবে এইটো এক সুন্দৰ প্ৰয়াস হিচাপে আমি ল'ব পাৰো।

## শ্বাহৰুখ দ্য বাদশ্বাহ অৱ বলীউড



# ২০১৭ বৰ্ষত বলীউডৰ সংগীতত ৰিমিক্সৰ প্ৰয়োভৰ




২০১৭ বৰ্ষটোত হিন্দী ছবিজগতৰ সংগীতত ৰিমিক্সে এক বিশেষ আসন দখল কৰা দেখা যায়। ৮০-৯০ দশকৰ গীতসমূহক ৰিমিক্স কৰি ইয়াৰ এক নতুন নামাকৰণ কৰি নতুন ৰূপ হিচাপে হিন্দী ছবিসমূহত অন্তভুক্ত কৰা পৰিলক্ষিত হ'ল। এৰি অহা বছৰটোৰ আৰম্ভণিতে ক্ৰমে শ্বাহৰুখ খানৰ ৰইচ, ঋত্বিক ৰোচনৰ কাবিল আৰু শ্ৰদ্ধা কাপুৰ অভিনীত অ'কে জানু বোলছবিত অন্তৰ্ভুক্ত ৰিমিক্সেৰে এই যাত্ৰাৰ আৰম্ভণি হয়। ৰইচৰ লেইলা মে লেইলা গানটো আশী দশকৰ জিনাত অভিনীত কোৰবাণী ছবিৰ জনপ্ৰিয় গানটোৰ ৰিমিক্স হিচাপে সজাই-পৰাই তোলা হ'ল। ইয়াৰ লগতে ৮১ ৰ য়াৰাণাৰ জনপ্ৰিয় গীত ছাৰা জামানা হাসীনো কা দিবানা শীৰ্ষক গীতটো ৰিমিক্স হিচাপে অন্তৰ্ভুক্ত কৰা হয় ঋত্বিক ৰোচনৰ ছবি কাবিলত। কিন্তু এই দুটা গানতকৈ অধিক জনপ্ৰিয়তা লাভ কৰিলে অ'কে জানু বোলছবিৰ হাম্মা হাম্মা শীৰ্ষক গীতটোৱে। ব'ম্বে বোলছবিৰ এ আৰ ৰহমানৰ সংগীতৰ পৰিচালনাত এই জনপ্ৰিয় গানটোৰ ৰিমিক্সটোৱে দৰ্শকৰ দৃষ্টি আকৰ্ষণ কৰে আলিয়া ভাট, বৰুণ ধাৱন অভিনীত টম্মা টম্মা শীৰ্ষক গীতটোক নতুনকৈ সজাই-পৰাই আকৌ দৰ্শকৰ মাজলৈ আগবঢ়াই দিয়া হ'ল। ইয়াৰ পিছত প্ৰীতমৰ সংগীত পৰিচালনাত এজেণ্ট বিনোদৰ জনপ্ৰিয় গীত ৰাৱতা ৰিমিক্স বনাই অন্তৰ্ভুক্ত কৰা হ'ল সুশান্ত সিং অভিনীত ৰাৱতা বোলছবিৰ শীৰ্ষক গীতটোৰ ৰূপত। গীতটোত দিপিকা পাদুকনৰ লয়লাস ভংগীৰ অভিনয়ে এক নিজস্ব স্বকীয়তা প্ৰদান কৰে। ইয়াৰ পিছত বছৰটোত ৰিমিক্সৰ এই ধাৰা অব্যাহত ৰাখে ক্ৰমে জানু মেৰী জান, দাৰু বীছ পে গোলাবী আখে, ৰাত বাকী, ইট্টেফাক ছে, হাৱা হাৱাই আদি গীতৰ ৰিমিক্সসমূহে।






জনপ্ৰিয়তাৰ ধাৰা অব্যাহত ৰখা দেখা গ'ল। ইয়াৰ পিছত ক্ৰমে হৰে ৰামা হৰে কৃষ্ণ, টু চিজ বাৰী হে মস্ত মস্ত, পল পল দিল কে পাছ, আজ জানে জিদ না কৰ' আদি বিভিন্ন গীতৰ সমাহাৰ ঘটে যদিও দৰ্শকৰ সঁহাৰি নাপালে। ইয়াৰ পিছত

২০১৭ ৰ শেষৰ পিনে জুড়ৱা টু ছবিখনে ৰিমিক্সৰ সকলো ৰেকৰ্ড ভংগ কৰিলে। ছবিখনৰ প্ৰায়কেইটা গীতেই ১৯৯৭ চনৰ জুড়ৱাৰ ৰিমিক্স হিচাপে অন্তৰ্ভুক্ত কৰা হ'ল। কিন্তু গীতসমূহে মুঠেই দৰ্শকৰ সমাদৰ লাভ কৰিব নোৱাৰিলে। মুঠৰ ওপৰত ২০১৭ বৰ্ষটোত হিন্দী চলচ্চিত্ৰ সংগীতত বিভিন্ন পুৰণি গীতৰ ৰিমিক্সৰ প্ৰয়োভৰ ঘটিলে যদিও দুটামান গীতৰ বাহিৰে বহুসংখ্যক ৰিমিক্সেই ভবা ধৰণে দৰ্শকৰ সমাদৰ লাভ কৰিব নোৱাৰিলে।

## কাশ্মিৰী যুৱতীৰ ৰূপত আলিয়া




বলিউডৰ মকটেইল আলিয়া ভাটক এইবাৰ দেখা যাব এক কাশ্মিৰী যুৱতীৰ ৰূপত। মেঘনা গুলজাৰৰ পৰিচালনাত ৰাজী বোলছবিৰ এই বিশেষ চৰিত্ৰটোৰ বাবে আলিয়াক খুব সুন্দৰকৈ সজাই-পৰাই তোলা হৈছে। হৰিন্দৰ সিঙৰ উপন্যাস কালিং চেহমতৰ কাহিনীৰ ওপৰত নিৰ্মাণ কৰা ৰাজীত আলিয়াৰ বিপৰীতে অভিনয় কৰিছে নৱাগতা বিকি কৌশলে। সপোন নগৰী কাশ্মীৰৰ মনোমোহা দৃশ্যাৱলীৰে শোভিত বিভিন্ন এলেকাত শ্বুটিং কৰা উক্ত বোলছবিখন মুক্তি দিয়া হ'ব চলিত বৰ্ষৰ এঘাৰ মে'ত। ৰহস্যধৰ্মী এই ছবিখনৰ নিৰ্মাতা হৈছে কৰণ জুহৰ। ছবিখনৰ সংগীত পৰিচালনা কৰিছে বিশাল শেখৰে। ছবিখনৰ অন্য কেইটামান বিশেষ চৰিত্ৰত দেখা যাব ক্ৰমে জয়দ্বীপ এহলাই, মুনি ৰাজদাদ, ৰজত কাপুৰ, আৰিফ জাকাৰিয়া আদি বিভিন্ন বলিউডৰ তাৰকাই। আলিয়াৰ এই ভিন্ন ৰূপ আৰু আলিয়া বিকিৰ যুৰীয়ে ৰাজীক দৰ্শকে আঁকোৱালি ল'ব বুলি নিৰ্মাতা কৰণ জুহৰ খুবেই বিশ্বাস।

## হেপী বাৰ্থ ডে



### উদয় চোপ্ৰা

বলিউড জগতৰ এক জনপ্ৰিয় নাম হৈছে উদয় চোপ্ৰা। এইজন জনপ্ৰিয় অভিনেতা তথা প্ৰয়োজক উদয় চোপ্ৰাৰ জন্ম হয় ১৯৭৩ চনৰ ৫ জানুৱাৰীত। বলিউডৰ অন্য এক জনপ্ৰিয় প্ৰযোজক পৰিচালক য়াছ চোপ্ৰাৰ সন্তান উদয় চোপ্ৰাই পিতৃৰ পেচাকে আদৰ্শ হিচাপে লৈ বলিউডত খোজ পেলায়। প্ৰথমে দেউতাকৰ তত্বাৱধানত সহ পৰিচালক হিচাপে কাম কৰা উদয় চোপ্ৰা বৰ্তমান সময়ত এগৰাকী সফল প্ৰযোজক-পৰিচালক হোৱাৰ উপৰিও অভিনেতা হিচাপেও জনপ্ৰিয়তা লাভ কৰিছে। উল্লেখযোগ্য যে, দেউতাকআৰু ভায়েকৰ পৰিচালনাত কেইবাখনো চলচ্চিত্ৰত অভিনয় কৰা উদয় চোপ্ৰাৰ জন্মদিনত আমি জনাইছো তেখেতক আন্তৰিক শুভ কামনা।

### দিপীকা পাডুকন



৩২ বছৰত ভৰি দিলে দিপিকা পাদুকনে। 'দিপিকা পাদুকন' বলিউড ছবিজগতৰ অপ্ৰতিদ্বন্দ্বি মোহময়ী অভিনেত্ৰী । প্ৰখ্যাত বেডমিণ্টন প্ৰকাশ পাদুকনৰ কন্যা দিপিকা পাদুকনৰ জন্ম হয় ১৯৮৬ চনৰ ৬ জানুৱাৰীত বাংগালুৰুত। পিতৃৰ আদৰ্শৰে মোহিত হৈ দিপিকা পাদুকনে প্ৰথমে বেডমিণ্টন খেলত মনোনিৱেশ কৰে যদিও পিছলৈ এগৰাকী মডেল হিচাপে জনপ্ৰিয়তা লাভ কৰা পাদুকনে কানাড়া ছবিৰ জৰিয়তে ছবিজগতত খোজ পেলাই ক্ৰমাৎ জনপ্ৰিয়তা লাভ কৰে। ২০০৭ চনত মুক্তি লাভ কৰা ব্যয়বহুল তথা বক্স অফিচ হিট কৰা ছবি ওমঃ শান্তি ওমঃত অভিনয় কৰা জনপ্ৰিয় অভিনেত্ৰীগৰাকীয়ে ইতিমধ্যে চলচ্চিত্ৰ জগতে প্ৰদান কৰা কেইবাটাও শীৰ্ষ মুকুট পৰিধান কৰাৰ সৌভাগ্য লাভ কৰিছে। মোহময়ী অভিনেত্ৰীগৰাকীৰ ওপজা দিনত 'জনমুক্তি কাকত'ৰ তৰফৰ পৰা জনাইছো অলেখ হিয়াভৰা শুভ কামনা।

**সহৃদয় লেখক-লেখিকা সকলৰ প্ৰতি ...**

জনমুক্তিত প্ৰকাশৰ বাবে আপোনাৰ নিবন্ধ, গল্প, কবিতা, সমসাময়িক ঘটনা প্ৰৱাহ সম্পৰ্কে আপোনাৰ বিশ্লেষণ ধৰ্মী লেখা আমালৈ প্ৰেৰণ কৰক। শব্দৰ সংখ্যা ৫০০-১০০০ ৰ ভিতৰত হোৱাটো বাঞ্চনীয়।

কাৰ্যালয়ৰ ঠিকনা ঃ

কুঁহিপাত প্ৰেছ
ৰাজগড়, বিহুতলি, গুৱাহাটী-৭

# জনজীৱনৰ এক এৰাব নোৱৰা অংগ

সাবিত্ৰী গগৈ

ঢেঁকী আৰু ঢেঁকীশালখন জনজীৱনৰ এক অপৰিহাৰ্য জনজীৱনৰ এখ অপৰিহাৰ্য অংগ। মানুহে সভ্যতাৰ পোহৰ পায়েই তেওঁলোকৰ মাজৰে কোনো এক অনামী ব্যক্তিয়ে গছৰ বাকলি এৰি কেনেকৈ এখন বস্ত্ৰ পিন্ধিব পাৰে, খোৱা আহাৰ মুঠি পৰিষ্কাৰ-পৰিচ্ছন্ন কৰি খাব পাৰে, তাৰ উপায় উদ্ভাৱন কৰিবলৈ ধৰিলে। পথাৰৰ শস্যমুঠি আনি ৰ'দত দি, খুন্দি চাউল উলিয়াব পৰাকৈ বোধহয় প্ৰথমে উৱালৰ আবিষ্কাৰ কৰিছিল।

ডাঙৰ শিলিখা বা আমগছৰ গুৰিফালৰ অংশ এটা কাটি লৈ, মাজতে বটালিৰে খুলি, মসৃণ কৰি গাঁত সদৃশ কৰি খুলি তৈয়াৰ কৰিছিল। দীঘলকৈ গোটা কাঠেৰে মাৰি এডালো কৰি লৈছিল। উৱালত শুকান ধান দি, থিয় হৈ সেই মাৰিডালেৰে খুন্দি চাউল উলিওৱা কাম সমাধা কৰা হৈছিল। দুগৰাকী মানুহে একেলগে অগা-পিছাকৈ ধৰি এক বিশেষ কায়দাৰে উৱালটোৰ সোঁ মাজত পৰাকৈ চাব মাৰে। এইদৰে উৱালতে পোনপ্ৰথমে প্ৰাচীন কালত ধান খুন্দি চাউল উলিওৱাই নহয়, চিৰা, সান্দহ, পিঠাগুড়ি খুন্দি বিভিন্ন সোৱাদৰ জলপান মুঠিও তৈয়াৰ কৰিবলৈ ঘৰৰ জীয়ৰী-বোৱাৰী সক্ষম হৈছিল।

এই নিয়মেৰে খুন্দাত যথেষ্ট সময়ৰ প্ৰয়োজন আৰু শৰীৰৰো যথেষ্ট শক্তি প্ৰয়োগ কৰিব লগা হৈছিল। সেয়ে উন্নত ধৰণৰ উপায়েৰে চাউল, চিৰা খুন্দাৰ কৌশল উদ্ভাৱনৰ কাৰণে সমাজৰে কোনোবাজন গুণী, চিন্তাশীল আৰু বুদ্ধিমান ব্যক্তিয়ে উৱালৰ দৰেই আম আৰু শিলিখা গছ কাটি, চাঁচি-চুৰুকি মসৃণ কৰি সাতফুটীয়া এডোখৰ কাঠ কাটি ঢেঁকীৰ বাবে ব্যৱহাৰ কৰা হৈছিল। এই কাঠডোখৰৰ মূৰৰ ফালটো মোটাকৈ ৰখা হয়, যাতে ভৰিৰ চাব মাৰোঁতে গধুৰ হৈ চাবটো পৰে আৰু সোনকালে খুন্দা কাৰ্য্য সম্পাদন কৰিব পাৰ হয়। সাতফুটীয়া কাঠডাল ঢেঁকীৰ বাবে আনি তিনিভাগ কৰিন ঢেঁকী থোৱা সুমুৱাব পাৰাকৈ ফুটা কৰি লোৱা হয়। উৱালৰ মাৰিৰ দৰেই ঢেঁকীথোৱাটো কাটি তলৰ ফালে লোহাৰ পাতি লগাই দিয়া হয়। ধান খুন্দা, চিৰা, পিঠাগুড়ি, সান্দহ খুন্দা ঢেঁকীথোৱা বেলেগ বেলেগকৈ ৰাখে। ঢেঁকীটোৰ শেষৰফালে তিনিফুটমান থাকোতে শলখামাৰি এডাল সুমুৱাব পৰাকৈ ঢেঁকীটোত সৰু ফুটা কৰা হয় আৰু দুয়োফালে বাঁহৰ দুটাকৈ খুঁটা কাটিস এক বেলেগ কায়দা কৰি মাটিত পুতি দিয়া হয়, যাতে শলখা মাৰিডাল ওলাই যাব নোৱাৰে আৰু ঢেঁকীটোও একে ঠাইতে থাকে, চাব মাৰোঁতে ইফাল-সিফাল নহয় আৰু ঢেঁকীথোৱাটোও খুৱলিৰ মাজঅংশতে পৰে। এগৰাকীয়ে ধান বানিবলৈ বা পিঠাগুড়ি খুন্দিবলৈ হ'লে বাঢ়নী এডালৰ প্ৰয়োজন হয়। ঢেঁকীটোৰ সমান দীঘল, হাতৰ মুঠিত ৰাখিব পৰা পোন, সৰু ফুটীয়া বাঁহ এডালৰ মূৰত ফটা কাপোৰ বান্ধি লৈ খুৱলিৰ পৰা ওলাই অহা ধান বা চাউলখিনি ভৰিৰ চাবে টাবে থোৱাত নলগাকৈ খুৱলিলৈ পেলাই দিয়া হয়। বাঢ়নী নাথাকিলে আগফালে এগৰাকী বহি লৈ হাতেৰেই সেই কাম কৰা হয়। ঢেঁকীৰ শেষ অংশটো (নেজ) দুজনী মানুহৰ দুখন ভৰি থৈ চাব মাৰিব পৰাকৈ মসৃণ কৰি লোৱা হয়। খুৱলিত থকা ধান বা চাউলৰ ওফৰত থোৱাটো পৰিছে, নে পাৰত পৰিছে, এইবোৰ কথা ঢেঁকী তৈয়াৰ কৰা মানুহজনে ঢেঁকী পাতোতে ভালকৈ লক্ষ্য কৰিহে পাতে, নহ'লে ঢেঁকীথোৱাই হাতৰ আঙুলি চিঙি টুকুৰা কৰিবও পাৰে।



আজিকালি ধান বনা, চাউল, চিৰা, সান্দহ খুন্দা কল (মেচিন) ওলোৱাৰ পাছত চহৰৰ কথা বাদেই, গাঁৱৰ জীয়ৰী-বোৱাৰীয়েও ঢেঁকীত ভৰি দিবলৈ বেয়া পোৱা হোৱাত পূৰ্বপুৰুষৰ দিনৰ পৰা প্ৰচলিত ঢেঁকীটো গাঁৱত যিদৰে লুপ্ত হ'বলৈ ধৰিছে, একেদৰে চহৰৰ মাজতো ক'ৰবাত, কাৰোবাৰ ঘৰতহে ই দণ্ডায়মান হৈ থকা দেখা যায়।

ঢেঁকী থোৱাটোৰ মাহাত্ম্য কিমান, সেই কথা আমি 'বুঢ়ী আইৰ সাধু'ত পাওঁ। আম বা শিলিখা গছ ব্যৱহাৰ কৰাৰো কাৰণ নথকা নহয়। তেতিয়াৰ দিনত মানুহে এইবোৰ কৰাৰো কাৰণ নথকা নহয়। তেতিয়াৰ দিনত মানুহে এইবোৰ গছ ঔষধি গছ বুলি গণ্য কৰিছিল। বৰ্তমান কল-কাৰখানাৰ দ্ৰুত উন্নতি আৰু প্ৰগতিৰ যুগত মানুহ অত্যাধুনিক হ'লেও বজাৰলৈ গৈ আমি দোকানীক সুধিব লগা হয়— ঢেঁকীৰ চাউল, চিৰা আছেনে আপোনাৰ দোকানত? ইয়াৰ পৰাই প্ৰমাণ হয় যে উৱাল আৰু ঢেঁকী বোলা সৰঞ্জাম দুটা জনজীৱনৰ পৰা একেবাৰে লোপ পোৱা নাই। জনজাতীয়সকলৰ অতি প্ৰিয় উৱালটো তেওঁলোকৰ জীৱনৰ এক এৰাব নোৱাৰা আহিলা।

আগৰ কালত গৃহস্থৰ ঘৰৰ সন্মুখত এফালে গোহালি ঘৰ, ভঁৰাল ঘৰ আৰু আনফালে গোঁসাই ঘৰ; সন্মুখৰ বাৰাণ্ডাত তাঁত শাল, পাকঘৰৰ এটা অংশত ঢেঁকীশালখন, লগতে জুইশালখন নাথাকিলে মানুহঘৰ সম্ভ্ৰান্ত পৰিয়ালৰ বুলি গণ্য কৰা নহৈছিল। শালৰ অৰ্থ হৈছে ঘৰ। ঘৰ বুলিলে খাপ নেখায় বাবে, তাঁতশাল, জুইশাল, ঢেঁকীশাল আদি শব্দবোৰ বৰ শুৱনী আৰু মৰম লগা, ঠাই বিশেষে ব্যৱহাৰ কৰিব পৰা শব্দ। শস্য চপাই হোৱাৰ পাছতে ঢেঁকীশালৰ আহৰি নোহোৱা হয়। দিনে-নিশাই চাউল, চিৰা, সান্দহ, পিঠা, আখৈ, মুৰি তৈয়াৰ কৰি বৰচাং ভৰাই ঢেঁকীশালখন গোবৰ আৰু ৰঙা মাটিৰে লেপি-মুচি চাৰি-পাঁচ মাহলৈ সামৰি থোৱা হয়।

## প্ৰত্যেকজন মানুহৰ কৰ্ম আৰু প্ৰগাঢ় ভাৱনা চিন্তাই আভামণ্ডল সৃষ্টি কৰে

অলকানন্দা দত্ত

সৰুতে খুব সম্ভৱ সাত-আঠ বছৰমান বয়সত মই প্ৰায়ে কৌতূহলবশতঃ দেউতাক প্ৰশ্ন কৰিছিলো,— কৃষ্ণ, শিৱ, দেৱ-দেৱতাসকলৰ, গৌতম বুদ্ধৰ আনকি মহাত্মা গান্ধীৰ ফটোখনত মূৰৰ পিছফালে গোল ব্যাসাৰ্দ্ধৰে পোহৰৰ এটা প্ৰতিচ্ছবি দেখিবলৈ পোৱা যায়, সেইটোনো কি? দেৱ-দেৱী বা গৌতম বুদ্ধৰো অলৌকিক ধৰণৰ কিবা পোহৰ থাকিবও পাৰে। (সৰু কালত গুৰু দুজনা শংকৰদেৱ মাধৱদেৱৰ ছবি অৱশ্যে দেখা নাছিলো)। দেউতাক প্ৰশ্ন কৰিছিলো, মহাত্মা গান্ধীক আপোনালোকেও দেখিছিল তেতিয়া, মূৰৰ পিছফালে সেই উজ্জ্বল পোহৰটো দেখিছিল নেকি? দেউতা থিতমত খোৱাৰ দৰে কৈছিল, 'তেওঁ জ্ঞান গৰিমাৰে ভৰপূৰ অতিমানৱ সেয়েহে....।' তাৰপাছত আন এদিন কৈছিল, 'তই যে পোহৰটোৰ বিষয়ে সুধিছিল, অধ্যয়ন কৰি জানিব পাৰিছো, আমাৰ এই স্থূল চক্ষুৰে অৰ্থাৎ আমাৰ চৰ্ম চক্ষু হালিৰে এই পোহৰ দেখিবলৈ পোৱা নাযায়, কিন্তু সূক্ষ্ম দৃষ্টিসম্পন্ন লোকে দেখিবলৈ পায়, তাকো লাখৰ ভিতৰতো দুই এজনেহে।' মই অবাক বিস্ময়েৰে দেউতাৰ মুখলৈ চাই থকা দেখি তেওঁ কৈছিল, 'তই যিহেতুকে প্ৰায়ে অদ্ভুত ধৰণৰ প্ৰশ্নৰ অৱতাৰণা কৰিয়েই থাক, ডাঙৰ হ'লে সেই বিষয়বোৰৰ ওপৰত চিন্তা-চৰ্চা আৰু অধ্যয়ন কৰিবি।' প্ৰত্যেক মানুহৰে সৰু কালত কত ধৰণৰ ভাৱে খেলা কৰি থাকে, নজনাটো জানিবৰ মন যায় আৰু প্ৰায় সকলোৰেই ভাৱে দেউতাকেহে সকলোবোৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিব। ময়ো তাৰ ব্যতিক্ৰম নাছিলো, দেউতা মানে যেন সকলো কথা জানিবই লাগিব। কিন্তু এই প্ৰশ্নটোত দেউতাৰ উত্তৰত মই বাৰুকৈয়ে খোকোজা খাইছিলো কাৰণেই নেকি বহুত দিনলৈকে মনত ক্ৰিয়া কৰি আছিল আৰু বিষয়টো জানিবলৈ প্ৰচণ্ড হেঁপাহ হৈ আছিল।

> *কেইবছৰ মানৰ আগতে আধ্যাত্মিক আলোচনী 'অখণ্ড জ্যোতি' খন পঢ়োতে এটা প্ৰবন্ধই মনটো টানি লৈ গৈছিল। ছেমুয়েল ইয়ং নামৰ এজন লিখকে 'চাইকিক চিলড্ৰেন' নামৰ এটা প্ৰবন্ধত উদাহৰণ হিচাপে এজনী আঠ বছৰীয়া ছোৱালীৰ কথা লিখিছিল এনেদৰে— ছোৱালীজনীয়ে মানুহৰ চাৰিওফালে বিয়পি থকা আভামণ্ডলৰ বৰণ সহজে দেখা এদিন ক্লাছত এটা অভদ্ৰ ল'ৰাই শিক্ষয়িত্ৰীৰ অজানিতে কিবা অদ্ভুত ধৰণৰ খং উঠা আচৰণ কৰি থাকোতে ল'ৰাটোৰ মূৰৰ পিছফালে তীব্ৰ ৰঙা ৰং এটা দেখিবলৈ পাইছিল, যি ৰং পাছত শৰীৰৰ চাৰিওফালে বিয়পি পৰিছিল। ৰঙা ৰঙটো হৈছেখং আৰু আক্ৰোশৰ প্ৰতীক।*

কেইবছৰ মানৰ আগতে আধ্যাত্মিক আলোচনী 'অখণ্ড জ্যোতি' খন পঢ়োতে এটা প্ৰবন্ধই মনটো টানি লৈ গৈছিল। ছেমুয়েল ইয়ং নামৰ এজন লিখকে 'চাইকিক চিলড্ৰেন' নামৰ এটা প্ৰবন্ধত উদাহৰণ হিচাপে এজনী আঠ বছৰীয়া ছোৱালীৰ কথা লিখিছিল এনেদৰে— ছোৱালীজনীয়ে মানুহৰ চাৰিওফালে বিয়পি থকা আভামণ্ডলৰ বৰণ সহজে দেখা এদিন ক্লাছত এটা অভদ্ৰ ল'ৰাই শিক্ষয়িত্ৰীৰ অজানিতে কিবা অদ্ভুত ধৰণৰ খং উঠা আচৰণ কৰি থাকোতে ল'ৰাটোৰ মূৰৰ পিছফালে তীব্ৰ ৰঙা ৰং এটা দেখিবলৈ পাইছিল, যি ৰং পাছত শৰীৰৰ চাৰিওফালে বিয়পি পৰিছিল। ৰঙা ৰঙটো হৈছেখং আৰু আক্ৰোশৰ প্ৰতীক।

আচলতে প্ৰত্যেক মানুহকে এক প্ৰকাৰ প্ৰাণ ইন্ধনেৰে আবৰি থাকে। ইয়াকে হিন্দীত আভামণ্ডল আৰু ইংৰাজীত অ'ৰা বুলি কোৱা হয়। ই এনে এবিধ বিদ্যুৎ চুম্বকীয় ইন্ধন যিয়ে মানুহৰ শৰীৰৰ চাৰিওফালে বিভিন্ন প্ৰকাৰৰ ৰঙেৰে আবৰি থকা দেখা যায়। মানুহৰ চিন্তা-ভাৱনা, স্বভাৱ-চৰিত্ৰ, ব্যৱহাৰ অনুসৰি আভামণ্ডল পৰিৱৰ্তন হৈ থাকে। সৰ্বসাধাৰণ মানুহৰ চকুত ই ধৰা নিদিয়ে, কিন্তু বৈজ্ঞানিকসকলে আৱিষ্কাৰ কৰা কিৰ্লিয়ান ফটোগ্ৰাফীৰ দ্বাৰা সেই আভামণ্ডলত ৰং দৃশ্যমান হোৱাত সহায় হৈছে।

শেষাংশ ১৮ পৃষ্ঠাত

*মনীষা শৰ্মা*

# অসমীয়া লোক সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ জঁাপি



আহোম যুগৰ পৰাই ‘জঁাপি’ অসমীয়া লোক সংস্কৃতিৰ এক আপুৰুগীয়া সম্পদ হৈ পৰিল। এই ‘জঁাপি’ বিশেষ ধৰণে সঁজা হয়। জঁাপি এটা সাঁজিবলৈ টকৌ গছৰ পাত কাটি তিনি-চাৰিদিন ৰ'দত শুকুৱাব লাগে। পূৰঠ জাতি বাঁহৰ দৈ চাঁচি-চুচি কমেও এদিন ৰ'দত শুকুৱাব লাগে। তাৰ পিছত চুপিসহ চালিখন সঁজা হয়। দৈবোৰ সৰু মিহি হ'লে সৰুদৈয়া জঁাপি আৰু ডাঙৰ হ'লে বৰদৈয়া জঁাপি বুলি কোৱা হয়। সৰুদৈয়া জঁাপিবোৰ বিহু নাচত ব্যৱহাৰ কৰা হয়।

অসমৰ বিভিন্ন ঠাইত জঁাপি তৈয়াৰ হ'লেও নলবাৰী জিলাত দেশৰ ভিতৰতে সৰ্বাধিক জঁাপি তৈয়াৰ কৰা হয়। সেয়ে হয়তো নলবাৰী জিলা জঁাপিৰ বাবে বিখ্যাত। নলবাৰী জিলাৰ বহু অঞ্চলৰ বহু পৰিয়ালৰ জীৱন আৰু জীৱিকা জঁাপিৰ ওপৰতেই নিৰ্ভৰশীল। ঘৰৰ পুৰুষ-মহিলা, জীয়ৰী-বোৱাৰী সকলোৱে আনন্দমনেৰে জঁাপি তৈয়াৰ কৰে। জঁাপি বিক্ৰী কৰিয়েই তেওঁলোকে পেট প্ৰৱতাই আহিছে। অসমীয়া সমাজ ব্যৱস্থাত অতীজৰে পৰা জঁাপিয়ে বিশেষ স্থান লাভ কৰি আহিছে যদিও প্ৰথমতে খেতিয়কসকলে খেতি-পথাৰতহে ৰ'দ-বৰষুণৰ পৰা ৰক্ষা পাবলৈ জঁাপিৰ ব্যৱহাৰ কৰিছিল, কিন্তু পিছলৈ অসমীয়া সমাজ জীৱনত জঁাপি আভিজাত্যৰ প্ৰতীক হিচাপে ব্যৱহাৰ হ'বলৈ ধৰিলে। বিশেষকৈ আহোম যুগত অসমীয়া সম্ভ্ৰান্ত মহিলাসকলে আবুৰ হিচাপে আভিজাত্য ৰক্ষাৰ বাবে জঁাপি ব্যৱহাৰ কৰিছিল। আনকি ৰাজ্যৰ ডা-ডাঙৰীয়াসকলে, সত্ৰৰ সত্ৰাধিকাৰসকলে ভ্ৰমণলৈ যাওঁতে জঁাপি ধৰি লৈছিল। বিয়া-সবাহত পানী তুলিবলৈ যাওঁতে, দৰাই বিয়া কৰাবলৈ যাওঁতে জঁাপি ধৰি যোৱাৰ নিয়ম আছিল। সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ৰুচি-অভিৰুচিবোৰ সলনি হ'ল। বিশেষকৈ ছাতি আৰু ৰেইনকোট, গাড়ী আদি আৱিষ্কাৰৰ ফলত জাপিৰ চাহিদা কমি আহিল। তথাপি বৰ্তমান আমাৰ সমাজত হালোৱা বা হালৌ জঁাপিৰ ব্যৱহাৰ কম হ'লেও একেবাৰে নোহোৱা হৈ যোৱা নাই। কিন্তু ফুলাম জঁাপিৰ ব্যৱহাৰ দিনক দিনে বাঢ়ি গৈছে। ফুলাম জঁাপি এতিয়া অসমীয়া জাতিৰ সৌন্দৰ্যৰ প্ৰতীক হৈ পৰিছে। চ'ৰাঘৰ, বৰঘৰ, সভামঞ্চ, তোৰণ আদি আটকধুনীয়াকৈ জঁাপিৰে সজাই-পৰাই তোলা দেখা যায়। তদুপৰি বিশিষ্ট ব্যক্তিসকলক আদৰোতে, সম্বৰ্দ্ধনা জনাওতে, গামোচাৰ লগত জঁাপিয়েও এতিয়া বেছ আদৰ পাইছে। বিহু নাচৰ লগত জঁাপিৰ মধুৰ সম্পৰ্ক। ইয়াৰ পৰা বুজা যায় যে অসমীয়া গীত-মাত, কলা,সাহিত্য-সংস্কৃতি সকলোতে অতীজৰে পৰা জঁাপিয়ে আদৰ পাই আহিছে।

জঁাপিৰ ব্যৱহাৰত অসমীয়া বহুতো লোকবিশ্বাস আজিও জড়িত হৈ আছে। খেতিয়কে প্ৰথম কঠীয়া পাৰোতে জঁাপি পিন্ধি কঠীয়া সিঁচিব লাগে। তেতিয়া ৰ'দ-বৰষুণৰ পৰা শস্যডৰা ৰক্ষা কৰিব পাৰি বুলি সকলোৱে বিশ্বাস কৰে। অসমৰ কৃষিজীৱি ৰাইজৰ লগত বা আভিজাত্যৰ প্ৰতীক ‘জাপি’ৰ সংৰক্ষণৰ ব্যৱস্থা কৰি প্ৰতিজন অসমীয়াই ইয়াৰ ব্যৱহাৰ কৰিলে লোক সংস্কৃতিৰ সম্পদবিধে সদায় প্ৰাণৱন্ত হৈয়ে থাকিব। যিহেতু অসমীয়াৰ আপুৰুগীয়া সম্পদ জঁাপি।

*সময়ৰ পৰিৱৰ্তনৰ লগে লগে মানুহৰ ৰুচি-অভিৰুচিবোৰ সলনি হ'ল। বিশেষকৈ ছাতি আৰু ৰেইনকোট, গাড়ী আদি আৱিষ্কাৰৰ ফলত জাপিৰ চাহিদা কমি আহিল। তথাপি বৰ্তমান আমাৰ সমাজত হালোৱা বা হালৌ জঁাপিৰ ব্যৱহাৰ কম হ'লেও একেবাৰে নোহোৱা হৈ যোৱা নাই। কিন্তু ফুলাম জঁাপিৰ ব্যৱহাৰ দিনক দিনে বাঢ়ি গৈছে। ফুলাম জঁাপি এতিয়া অসমীয়া জাতিৰ সৌন্দৰ্যৰ প্ৰতীক হৈ পৰিছে। চ'ৰাঘৰ, বৰঘৰ, সভামঞ্চ, তোৰণ আদি আটকধুনীয়াকৈ জঁাপিৰে সজাই-পৰাই তোলা দেখা যায়। তদুপৰি বিশিষ্ট ব্যক্তিসকলক আদৰোতে, সম্বৰ্দ্ধনা জনাওতে, গামোচাৰ লগত জঁাপিয়েও এতিয়া বেছ আদৰ পাইছে। বিহু নাচৰ লগত জঁাপিৰ মধুৰ সম্পৰ্ক। ইয়াৰ পৰা বুজা যায় যে অসমীয়া গীত-মাত, কলা,সাহিত্য-সংস্কৃতি সকলোতে অতীজৰে পৰা জঁাপিয়ে আদৰ পাই আহিছে।*

## সপ্তাহটোৰ ৰাশিফল



## কিৰো ইয়ং

**ৰত্ন কুবেৰ জেমছ এণ্ড জুৱেলাৰী**
**জিএছ ৰোড, মণিপুৰী বস্তী, গুৱাহাটী-৭**
**ভ্ৰাম্যভাষ ঃ ২৫১২১০২, ৯৯৫৭১-১১১৭১**

**মেঘ ঃ** মামলা মোকৰ্দমাত জড়িত হোৱাৰ আশংকা নুই কৰিব নোৱাৰি। গতিকে সাৱধান থাকক। ঘৰুৱা কিচু সমস্যা থাকিব ।ভ্ৰাতাৰ সৈতে মানসিক দূৰত্ব বাঢ়িব পাৰে।

**বৃষ ঃ** শিল্প ক্ষেত্ৰত থকা সকলৰ সুনাম ব-দ্ধি আৰু যোগ্যতাৰ পুৰস্কাৰ লাভ. ব্যৱসায় বাণিজ্যত মধ্যম। আৰ্থিকত বেয়া নহ'ব। কিন্তু লেন দেনত সতৰ্ক থকা ভাল হ'ব। প্ৰেমত ভাল। বন্ধুৰ দ্বাৰা উপকৃত হ'ব। চুটি ভ্ৰমণ হ'ব পাৰে। বিদ্যাত মধ্যম। সামাজিক সুনাম থাকিব। দাম্পত্যত মধ্যম। সন্তানৰ মধ্যম।

**মিথুন ঃ** ললিত কলা আদিত সুনাম বৃদ্ধি। বুদ্ধিজীৱিসকলৰ বাবে সময়চোৱা ভাল বুলি ক'ব পৰা যায়। শিল্প উদ্যোগসকলে যথেষ্ট সমস্যাৰ মাজেৰে সপ্তাহটো অতিবাহিত কৰিব লাগিব। টকা পইচাৰ ক্ষেত্ৰত বৰা অসুবিধা নহ'ব। ভ্ৰমণ ৰ'দ হ'ব পাৰে। ঘৰত আলহিৰ আগমন। কৰ্ম প্ৰাৰ্থীৰ কাৰণে মজলীয়া। প্ৰেমত ভাল দেখা যায়। প্ৰেমত প্ৰণয়ত এক প্ৰকাৰ ভাল।

**কৰ্কট ঃ** মননশীল কৰ্মত খ্যাতি লাভৰ যোগ বিদ্যমান। ব্যৱসায়ত বিনিয়োগ কৰিব পাৰে। অৱশ্যে যৌথ ব্যৱসায়ৰ বিনিয়োগৰ বিষয়ে সতৰ্ক থাকক। জমি মাটি আদি ক্ৰয় কৰাৰ কথা ভাবি চাব পাৰে। পিতাৰ আৰোগ্য লাভে আনন্দ দিব। সপ্তাহৰ প্ৰথম ভাগ নিবনুৱাৰ কাৰণে শুভ বুলি কব পৰা যায়। প্ৰেমত অথন্তৰ। সাময়িক বিচ্ছেদ হ'ব পাৰে।

**সিংহ ঃ** মাতৃৰ শাৰীৰিক অৱনতিৰ কাৰণে চিন্তা বাঢ়িব। সন্তানৰ বেমেজালিৰ কাৰণেও চিন্তা থাকিব। কিন্তু আৰ্থিক ভাল দেখা যায়। ভাই ভনীৰ পৰা যথেষ্ট সহায় লাভ কৰিব। নিবনুৱাৰ মজলীয়া। দাম্পত্যত অশান্তিৰ সাম কাটিব। কন্যা সন্তানৰ বিবাহৰ যোগ। চুটি ভ্ৰমণ হ'ব পাৰে। নতুন বন্ধু লাভ। যান বাহন ক্ৰয় বিক্ৰয় নকৰাই ভাল!

**কন্যা ঃ** নিবনুৱাৰ কাৰণে সপ্তাহটো উল্লেখযোগ্য হ'ব পাৰে। আৰ্থিকত মধ্যম। ঘৰুৱা লেঠা কিছু হ'লেও হ'ব। সন্তানৰ শাৰীৰিক অসুস্থতাৰ কাৰণে চিন্তা বৃদ্ধি হ'ব। চাকৰীয়ালৰ গতানুগতিক। সপ্তাহৰ শেষ ভাগত ফুৰা-চকাত সতৰ্ক হওঁক। যান বাহনৰ পৰা বিপদ হ'ব পাৰে। গুৰুজনৰ আশীৰ্বাদ পাব।

**তুলা ঃ** সপ্তাহটো ভাল হোৱাৰ মাজেৰে পাৰ হ'ব। পিতা-মাতা বা কোনো নিকটাত্মীয়ৰ অসুখ বিমুখৰ কাৰণে চিন্তা বৃদ্ধি। ধনত ভাল বুলি ক'ব পৰা যায়। সামাজিক ব্যস্ততা বৃদ্ধি হ'ব। ৰাজহুৱা কৰ্মত সুনাম বৃদ্ধি। সন্তান সন্ততিৰ সাফল্যত আনন্দ দিব। ভাই ভনীৰ বিয়াবাৰুৰ কথা আগ বাঢ়িব। দূৰ ভ্ৰমণৰ যোগ আছে। নতুন বন্ধু লাভ। সপ্তাহৰ শেষ ভাগত পাবলগীয়া ধন ঘুৰাই পোৱাৰ আশা আছে। দাম্পত্যত ভাল।

**বৃশ্চিক ঃ** পাৰিবাৰিক দিশতো বালেই ক'ব পৰা যায়। ব্যৱসায়ত ক্ষতি বা লোকচান হোৱাৰ আশংকা আছে। ৰাজনীতি ৰাজনীতি বিচাৰৰ সময়চোৱা জটিল হ'ব। বিৰোধিতা পূৰ্ণ পৰিবেশ নিয়ন্ত্ৰণ কৰিব লাগিব। বিশেষ কাৰণত ভ্ৰমণ ৰ'দ হ'ব পাৰে। উচ্চ শিক্ষাত বাধা আহিব পাৰে। কৰ্ম প্ৰাৰ্থীৰ কাৰণে সময়চোৱা মজলীয়া। চাকৰিয়ালৰ পদোন্নতিৰ সম্ভাৱনা আছে।

**ধনু ঃ** শনিৰ অশুভ প্ৰভাৱৰ কাৰণে স্বাস্থ্যৰ অৱনতি হ'ব পাৰে। স্ত্ৰীৰ স্বাস্থ্য ভাৱে নাযাব পাৰে। প্ৰয়োজনে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰিব। খৰচৰ মাত্ৰা বৃদ্ধি হ'ব। নিবনুৱাৰ কাৰণে সপ্তাহটো ভাল বুলি ক'ব পৰা যায়। বিদ্যাত যত্ন প্ৰয়োজন আছে। প্ৰেমত শুভ বিবাহৰ প্ৰস্তাব আহিব পাৰে। বন্ধু বৰ্গৰ পৰা সহায় পাব পাৰে। চুটি ভ্ৰমণ হ'ব পাৰে।

**মকৰ ঃ** কয়লা, শিলগুটি আদি ব্যৱসায়ৰ কাৰণে ভাল বুলি ক'ব পৰা যায়। আৰু ঠিকাদাৰি ব্যাপাৰতো ভাল। কৰ্মত ভাল। সম্ভাব্য ক্ষেত্ৰত বদলি হ'ব পাৰে। কৰ্মসূত্ৰে ভ্ৰমণো হ'ব পাৰে। এই সপ্তাহৰ আদ্য ভাগত জমি মাটি আৰু যান বাহন ক্ৰয় কৰিব পাৰে। ঘৰুৱা সিমান বেয়া নহ'ব। ভ্ৰাতাৰ সৈতে সদ্ভাৱ থাকিব।

**কুম্ভ ঃ** কোনো সংবাদে সাময়িক ভাৰসাম্যত প্ৰভাৱ পেলাব পাৰে। প্ৰতিযোগিতা মুলক পৰীক্ষাত সফল হোৱাৰ আশা আছে। মন কোনো আশা পূৰণ হ'ব পাৰে। চাকৰীয়ালৰ গতানুগতিক যদিও কৰ্মক্ষেত্ৰত সহকৰ্মীৰ বিৰোধিতাৰ সন্মুখীন হ'ব পাৰে। বন্ধুক সহায় কৰিব লগা হ'ব পাৰে। দাম্পত্যত শুভ। ভ্ৰমণ হ'ব পাৰে।

**মীন ঃ** এই সময়ছোৱাত আৱেগ নিয়ন্ত্ৰণ কৰক। কটূবাক্য নোকোৱা ভাল হ'ব। বন্ধুৰ সাহায্য পাব পাৰে। দাম্পত্যত যথাযথ। উচ্চ শিক্ষাত বাধা আতৰিব। সন্তানৰ বিবাহৰ যোগ। আয় অনুসৰি ব্যয় কৰক নহ'লে সপ্তাহৰ শেষ ভাগত অৰ্থাভাৱ হ'ব পাৰে। নতুন ঘৰ বাৰি নিৰ্মাণৰ চিন্তা কৰিব পাৰে। দাম্পত্যত বুজা পৰা ঠিকেই থাকিব।

১ পৃষ্ঠাৰ পৰা

# ৰক্ষা কৱচৰ শংখধ্বনিৰে...

এতিয়া প্ৰথমখন খচৰা প্ৰকাশৰ পিছত চৌদিশে এক আত্ম প্ৰত্যয়ৰ প্ৰতীক্ষা। অসমীয়া জাতিয়ে নৱবৰ্ষৰ প্ৰথম পুৱাতেই লাভ কৰিলে খিলঞ্জীয়াৰ অস্তিত্ব ৰক্ষাৰ এই ৰক্ষা কবচ। সুদীৰ্ঘ ৩৮ বছৰীয়া প্ৰতীক্ষা-বিভিন্ন সময়ৰ দাবী-সংগ্ৰামৰ অন্তত প্ৰকাশ পোৱা এই আংশিক খচৰাই খিলঞ্জীয়া অসমীয়ালৈ কঢ়িয়াই আনিলে আশাৰ বতৰা। অৱশ্যে প্ৰথমখন খচৰাৰ তালিকাত বহুতৰে নাম অন্তৰ্ভুক্ত হোৱা নাই যদিও পৰৱৰ্তী খচৰাত সেইসকলৰ নাম অন্তৰ্ভুক্তিৰ আশাত বাট চাইছে ভুক্তভোগী পৰিয়াল অথবা লোকসকলে। উল্লেখনীয় যে, সৰ্বোচ্চ ন্যায়ালয়ে ২.৩৮ কোটি লোকক লৈ প্ৰথমখন খচৰা প্ৰকাশ কৰিবলৈ নিৰ্দেশ দিছিল যদিও প্ৰথমখন খচৰাত ১.৯০ কোটি লোকৰ নামহে অন্তৰ্ভুক্ত হৈছে। এন আৰ চি কৰ্তৃপক্ষই প্ৰকাশ কৰা মতে ফেমিলী ট্ৰিত আসোঁৱাহ থকা ৪৭ লাখ লোক আৰু পঞ্চায়তৰ নথি দাখিল কৰা আন ২৯ লাখ লোকক লৈ ৭৬ লাখ লোকৰ নথি-পত্ৰ আৰু আন যাৱতীয় নথি নীৰিক্ষণ প্ৰক্ৰিয়া দ্বিতীয় পৰ্যায়ত সম্পন্ন হ'ব। এন আৰ চিৰ বাবে আবেদন কৰা মুঠ ৩.২৯ কোটি লোকৰ ভিতৰত প্ৰথমখন খচৰাত যি ১.৯০ কোটি লোকৰ নাম অন্তৰ্ভুক্ত হ'ল প্ৰথমখন খচৰাত তাৰ ফলত এতিয়া বাকী আছেগৈ ১.৩৯ কোটি লোক। ইয়াৰ ভিতৰত ফেমিলী ট্ৰিত আসোঁৱাহ থকা আৰু পঞ্চায়তৰ নথি জমা দিয়া লোকৰ সংখ্যা হৈছেগৈ ৭৬ লাখ। এই সকলৰ নাম পুনৰীক্ষণৰ যোগেদি অন্তৰ্ভুক্তিৰ বাবে প্ৰচেষ্টা চলি থকাৰ মাজতে আন ৬৩ লাখ লোক খচৰাত নাম অন্তৰ্ভুক্তিৰ বাবে অপেক্ষাৰত। সকলো ধৰণৰ ত্ৰুটি-নাটি নাইকিয়া কৰি পৰ্যায়ক্ৰমে এন আৰ চি প্ৰকাশৰ বাবে তৎপৰতাৰে কাম অব্যাহত ৰাখিছে এন আৰ চি কৰ্তৃপক্ষই। নৱবৰ্ষৰ নৱপ্ৰভাতত ৰক্ষা কবচৰ শংখধ্বনিৰ ই এক নিশ্চিতভাৱে ইতিবাচক খবৰ।

১ পৃষ্ঠাৰ পৰা

# এন আৰ চিক লৈ বাংলাদেশৰ উদ্বিগ্নতা ...

সুবিধা গ্ৰহণ কৰি বুজন তথা সৰহসংখ্যক এনে প্ৰব্ৰজিত হোৱা লোকে ভাৰতবৰ্ষ তথা অসমক নিৰাপদ আশ্ৰয়স্থল ৰূপে অগ্ৰাধিকাৰ দি আহিছে। যাৰ ফলত এনেদৰে হৈ থকা অবাধ প্ৰব্ৰজনে ভাৰতবৰ্ষৰ কেইবাখনো ৰাজ্যৰ লগতে বিশেষকৈ অসমত সামাজিক আৰু ৰাজনৈতিক জনজীৱনত বিৰূপ প্ৰভাৱ পৰিছে। ভাৰতবৰ্ষ এখন সাৰ্বভৌম গণতান্ত্ৰিক দেশ। আমাৰ দেশৰ সংবিধান আৰু বিভিন্ন দিশ তথা ক্ষেত্ৰক লৈ প্ৰৱৰ্তিত আইনসমূহ অন্য বহু দেশৰ তুলনাত ব্যাখ্যামূলক যদিও লক্ষ্যণীয়ভাৱে নৰম সুৰৰ। লগতে এই আইন সংবিধানৰ নিৰ্দেশসমূহ যথাযথভাৱে বলবৎ হোৱা নোহোৱাক লৈ তদাৰক কৰি থকা সংশ্লিষ্ট বিভাগ আৰু কৰ্তৃপক্ষসমূহৰ কাৰ্য পালনৰ ভূমিকা প্ৰয়োজনতকৈও বেছি শিথিল আৰু সোপাটিলা বুলি দেশৰ ভিতৰে বাহিৰে জনাজাত। যাৰ সুযোগৰ আলম লৈ বৰ্তমানৰ বাংলাদেশকে ধৰি নেপাল, ভূটান আৰু পাকিস্তান (পূৰ্বৰ পশ্চিম পাকিস্তান)। আদিৰ পৰা যুগ যুগ ধৰি অবৈধ প্ৰব্ৰজন ঘটি আহিছে। এনে অবাধ আৰু নিৰৱচ্ছিন্ন বিদেশী লোকৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰান্তৰ পৰা হোৱা বহিৰাগতৰ প্ৰব্ৰজনে অসমৰ থলুৱা লোকসকলৰ ওপৰত ব্যাপক বিৰূপ প্ৰভাৱ পেলাই আতংকগ্ৰস্ত কৰি তুলিছে। ইয়াৰ পৰিপ্ৰেক্ষিততে ৭০ দশকৰ (বিগত শতিকাৰ) শেষ ভাগৰ পৰা অসমৰ থলুৱা লোকৰ আবেগ আৰু অস্তিত্বৰ প্ৰশ্নত সদৌ অসম ছাত্ৰ সন্থাই সূচনা কৰিছিল অসমৰ অস্তিত্ব ৰক্ষাৰ্থে ঐতিহাসিক অহিংস আন্দোলনটো। সেই সময়ৰ কংগ্ৰেছ (ই) দলৰ ৰাজ্যিক চৰকাৰৰ লগতে কেন্দ্ৰীয় চৰকাৰে আন্দোলনৰ গূঢ়াৰ্থ উপলব্ধি কৰাৰ পৰিৱৰ্তে বিদেশী তথা বহিৰাগতৰ ৰক্ষণাবেক্ষণ দিয়াৰ আচৰণ কৰিলে। আন্দোলন দমনৰ নামত হত্যা-ধৰ্ষণ, অত্যাচাৰ আৰু গ্ৰেপ্তাৰ নিৰ্যাতন চলোৱা চৰকাৰখনে অনশেষত ছয় বছৰৰ অন্তত আন্দোলনৰ নেতৃত্বধাৰী ছাত্ৰ সন্থা আৰু সদৌ অসম গণসংগ্ৰাম পৰিষদৰ সৈতে অসম চুক্তি সম্পন্ন কৰি আন্দোলনৰ অৱসান ঘটাবলৈ বাধ্য হৈছিল। অসম চুক্তিত স্বাক্ষৰ কৰি ছাত্ৰ সন্থা আৰু গণ সংগ্ৰাম পৰিষদেও যেন আপোচহে কৰিলে। বিদেশী বহিস্কৰণৰ ভিত্তিবৰ্ষ ১৯৫১ চনৰ দাবীৰ পৰা দৃষ্টিকটু আৰু যুক্তিহীনভাৱে ১৯৭১ চনৰ ২৪ মাৰ্চত মানি ল'লে আন্দোলনৰ নেতৃত্বই। চুক্তি অনুসৰি দুটা পৰ্যায়ত বিদেশী চিনাক্তকৰণৰ সিদ্ধান্ত হৈছিল। অৰ্থাৎ ১৯৬৬ চনক ভিত্তি কৰি তথা ১৯৬৭ চনৰ ভোটাৰ তালিকাক কেন্দ্ৰ কৰি চিনাক্ত হোৱা বিদেশী সকলক দহ বছৰলৈকে ভোটাধিকাৰৰ পৰা বঞ্চিত কৰি পুনৰ নিয়মীয়াকৰণেৰে ভাৰতীয় নাগৰিক ৰূপে গ্ৰহণ কৰা হ'ব । আনহাতে ১৯৭১ চনৰ ২৫ মাৰ্চৰ পিছত অনুপ্ৰৱেশ কৰা সকলো বিদেশীকে বহিস্কাৰ কৰিবলৈ চৰকাৰে উপযুক্ত ব্যৱস্থা ল'ব। ইয়াৰ উপৰিও অসমীয়া লোকৰ ৰক্ষা কবচ আৰু অৰ্থনৈতিক বিকাশৰ বাবে কেতবোৰ নিৰ্দিষ্ট পদক্ষেপ ভাৰত চৰকাৰে ল'ব বুলি চুক্তিপত্ৰৰ জৰিয়তে দায়বদ্ধতা প্ৰকাশ কৰিছিল। তদানীন্তন প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীৰ উপস্থিতিত স্বাক্ষৰিত উক্ত চুক্তিপত্ৰকো পিছলৈ স্বয়ং চৰকাৰ পক্ষই অৱহেলা কৰাৰ ফলত বিদেশী বহিস্কাৰৰ নামত পিছৰ প্ৰায় চাৰিটা দশক অসমৰ থলুৱা জনগণক আভুৱাভৰা হ'ল। অবৈধ বিদেশী বিশেষকৈ বাংলাদেশী নাগৰিকে স্বছন্দে অসমভূমিত বিচৰণ কৰি দেশীয় নাগৰিকে লাভ কৰা সকলো অধিকাৰ বিভিন্ন কাচৰাজিৰে ভোগ কৰিব ধৰিলে। চৰকাৰৰ আন্তৰিকতাহীনতা আৰু কেইটামান সৰ্বভাৰতীয় ৰাজনৈতিক দলৰ ভোটবেংকৰ নিশ্চয়তা অক্ষুণ্ণ ৰখাৰ স্বাৰ্থত চলা প্ৰতিযোগিতাই অবৈধ বাংলাদেশী লোকক উৎসাহিত কৰি তোলাই নহয় আজি পৰ্যন্ত অৰ্থাৎ পৰৱৰ্তী ৩৮ বছৰ ধৰি অবৈধ বিদেশী লোকৰ প্ৰব্ৰজন অব্যাহত আছে।

সদৌ অসম ছাত্ৰ সন্থাই অসম চুক্তিক কাৰ্যকৰী কৰাৰ দাবীত পুনৰ আন্দোলন সূচনা কৰা ২০০৫ চনৰ ৫ মে'ত কেন্দ্ৰৰ ইউ পি এ চৰকাৰৰ তেতিয়াৰ প্ৰধানমন্ত্ৰী মনমোহন সিং আৰু অসম চৰকাৰৰ প্ৰতিনিধিৰ সৈতে ছাত্ৰ সন্থাৰ আন এক চুক্তিত আৱদ্ধ হয়। চুক্তি অনুসৰি অসমৰ বাবে ১৯৭১ চনক ভিত্তিবৰ্ষ ৰূপে লৈ ১৯৫১ চনৰ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখন উন্নীত কৰি প্ৰকৃত ভাৰতীয়সকলক চিনাক্ত কৰিলে অবৈধ বাংলাদেশীসকল বাদ পৰিলেই বহিস্কাৰৰ সুবিধা হ'ব। পূৰ্বৰ অসম চুক্তিখনক আখৰে আখৰে ৰূপায়ণ কৰাত হেমাহি কৰাৰ দৰে এন আৰ চি বা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীখনৰ উন্নীতকৰণতো চৰকাৰ দুখনে অযথা বিলম্ব ঘটালে। চৰকাৰৰ অনাহুত আঁচৰণৰ বিৰুদ্ধে এ পি ডব্লিউ নামৰ বে-চৰকাৰী সংস্থাটোৱে উচ্চতম ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজনিত গোচৰ তৰাত ন্যায়ালয়ে এন আৰ চি উন্নীতকৰণৰ নিৰ্দেশ দিয়াই নহয় সময়ো নিৰ্দ্ধাৰণ কৰি দিলে। সেই মৰ্মে আংশিক ৰূপত হ'লেও বিদায়ী বৰ্ষৰ অন্তিম নিশাত এন আৰ চি খচৰা ৰূপত প্ৰকাশ পাইছে। উচ্চতম ন্যায়ালয়ৰ নিৰীক্ষণতে দ্বিতীয় পৰ্যায়ৰ খচৰা তালিকা প্ৰকাশ হ'লে প্ৰয়োজনীয় সংশোধনীসহ চূড়ান্ত এন আৰ চিখন কেইটামান মাহৰ ভিতৰতে প্ৰকাশ পাব নিশ্চয়। এন আৰ চিৰ প্ৰথমখন খচৰা তালিকা প্ৰকাশ হোৱাৰ লগে লগে ইয়াৰ প্ৰতিক্ৰিয়া চুবুৰীয়া বাংলাদেশতো প্ৰকাশ পোৱাটো অত্যন্ত তাৎপৰ্য পূৰ্ণ ৰূপে পৰিগণিত হৈছে। কিয়নো, ৭০ বছৰ পূৰ্বে দেশ বিভাজন হোৱাৰ সময়ৰ পৰা তেতিয়াৰ পূব পাকিস্তান আৰু এতিয়াৰ বাংলাদেসৰ কোনো এখন চৰকাৰে আনুষ্ঠানিকভাৱে স্বীকাৰ কৰা নাছিল যে সেই দেশৰ পৰা ভাৰতবৰ্ষ বা অসমলৈ প্ৰব্ৰজন ঘটিছে বুলি। মাথোঁ আজিৰ পৰা কেইমাহমানৰ আগতে গুৱাহাটীলৈ আহোতে বাংলাদেশৰ বৈদেশিক মন্ত্ৰীগৰাকীয়ে সাংবাদিকৰ প্ৰশ্নোত্তৰত কৈছিল যে ভাৰতীয় ন্যায়ালয়ত বাংলাদেশী বুলি প্ৰমাণিত হোৱা লোক বিশেষক উপযুক্ত পৰীক্ষাৰ দ্বাৰা প্ৰয়োজনত বাংলাদেশে চমজি ল'ব। অথচ এতিয়া এন আৰ চি প্ৰস্তুত হৈ উঠিলে অন্তৰ্ভুক্তিৰ পৰা বাদ পৰা লোকৰ নাম স্বাভাৱিকভাৱে ভোটাৰ তালিকাৰ পৰাও কৰ্তন হ'ব। এনে লোকৰ সংখ্যা চৰকাৰী অনুমান মতেই ত্ৰিশ লক্ষাধিক হ'ব। ইমান বুজন সংখ্যক অবৈধ লোকৰ অধিকাংশ যিহেতু বাংলাদেশৰ বুলি নিশ্চিত তেন্তে সেই সকলক লৈ বাংলাদেশৰ চৰকাৰে উদ্বিগ্নতা প্ৰকাশ কৰি এই সন্দৰ্ভত ভাৰত চৰকাৰৰ সৈতে যোগাযোগ কৰিবলৈ আৰম্ভ কৰিছেই। বিগত ৬০-৭০ বছৰে বাংলাদেশৰ পৰা প্ৰব্ৰজিত লোকে ভাৰত তথা অসম ভূমিত সমস্যাৰ সৃষ্টি কৰাৰ কথাটো অস্বীকাৰ কৰি অহাৰ পিছত অসমত এন আৰ চি উন্নীতকৰণৰ ব্যৱস্থাই বাংলাদেশত আলোড়ন উঠাতো স্বাভাৱিক। ভাৰতৰ সৈতে বৰ্তমান বাংলাদেশৰ সম্পৰ্ক যথেষ্ট ভাল। গতিকে এই সম্পৰ্ক অক্ষুণ্ণ ৰখাৰ স্বাৰ্থতে ভাৰতৰ পৰা বহিস্কাৰ হ'বলগীয়া বাংলাদেশীসকলক সেই দেশৰ চৰকাৰে পুনৰ আঁকোৱালি ল'ব বুলি অনুমান কৰিব পাৰি। ভাৰতৰ পৰা বহিস্কৃতসকলক বাংলাদেশে গ্ৰহণ কৰা মানেই পুনৰ ভৱিষ্যতে সেই দেশৰ পৰা অবাধ প্ৰব্ৰজন হোৱাটো সেই দেশৰ চৰকাৰে ৰোধ কৰিবলৈ তৎপৰ হ'বলৈ বাধ্য হ'ব। সেইটো অসমৰ বাবে ইতিবাচক হ'ব বুলিয়েই ক'ব লাগিব।

এন আৰ চি উন্নীতকৰণ প্ৰক্ৰিয়াই অসমৰ থলুৱা জনগণক কেইবাটাও দিশত সতৰ্ক হ'বলৈ বাধ্য কৰিব। খিলঞ্জীয়া লোকৰ ৰাজনৈতিক আৰু জনগাঁথনিগত পৰিচয় কিছু পৰিমাণে নিষ্কণ্টক হ'ব যদিও সুখে-দুখে একেলগে থকা, শত্ৰুৰ বিৰুদ্ধে ঐক্যবদ্ধ যুঁজ দিয়াৰ মানসিকতা বঢ়াই তোলা, জাতীয় বৈশিষ্ট্য, পৰিচয়, ভাষা-সংস্কৃতিক যথোচিত মৰ্যাদা দানেৰে বিকাশত তৎপৰ হোৱা, কৰ্ম সংস্কৃতিক সকলোৱে গুৰুত্ব দিয়া, অসমীয়া জাতীয়তাবাদক বিজ্ঞানসন্মতভাৱে গঢ় দিয়া, জাতীয় অৰ্থনীতি সবল কৰাৰ বিভিন্ন উৎসৰ অন্বেষণ কৰা আদি দিশবোৰ সামূহিকভাৱে গুৰুত্ব দি পদক্ষেপ ল'ব লাগিব। এন আৰ চি উন্নীত হ'ল বুলিয়েই আহ্লাদিত হৈ এনেবোৰ দিশ পাহৰিলে নহ'ব।

১ পৃষ্ঠাৰ পৰা

# খিলঞ্জীয়াৰ স্বাধিকাৰ ...

এটা সঠিক পথ লাভ কৰিব পাৰি।

**জনমুক্তি ঃ** আনুষ্ঠানিক প্ৰক্ৰিয়াৰ মাজেৰে আপুনি সভাপতি ৰূপে নিৰ্বাচিত হৈছে। কিন্তু বহুতে এয়া আপোনাৰ পূৰ্ব পৰিকল্পিত ব্লু-প্ৰিণ্ট বুলি ক'ব খোজে। আপুনি হেনো ব্লু-প্ৰিণ্ট মতেই সভাপতি হ'ল। আপোনাৰ মতামত কি?

ঃ এটা সাংবিধানিক প্ৰক্ৰিয়াৰ মাজেৰে শাখা সভা সমূহে আমাক সভাপতি ৰূপে নিৰ্বাচিত কৰিছে। ইয়াত আমি নিজে ব্লু-প্ৰিণ্ট বনোৱাৰ কথা নাহে। মইতো কেতিয়াও কাকো নিজে সভাপতি হ'বলৈ বিচৰিছো বুলি কোৱা নাই।

**জনমুক্তি ঃ** আপোনাৰ দিনত অসম সাহিত্য সভাৰ গৰিমা বহু পৰিমাণে ম্লান পৰিল বুলি অভিযোগ শুনা যায়। এই সম্পৰ্কে কি ক'ব আপুনি?

ঃ প্ৰকৃততে অসম সাহিত্য সভাই নিয়মাৱলী অনুসৰি কাম কৰি গৈছে। আমি সভাক গতিশীল কৰি জনমুখী কৰিবলৈ কাম কৰিছো। কিন্তু তাতে যদি কোনোৱে গৰিমা ম্লান হোৱাৰ কথা হয় আমাৰ ক'বলগীয়া নাই। কিন্তু অসম সাহিত্য সভা মানেই বিতৰ্ক এই ভাৱটো ধৰি লোৱাটো ভুল। অৱশ্যে ড° ভূপেন হাজৰিকাৰ দিনটো বিতৰ্ক হৈছিল। আচলতে সাধাৰণ মানুহে সভাই কৰা জনমুখী কাম-কাজ বিলাকহে চাই, ব্যক্তি বিশেষক নাচায়।

**জনমুক্তি ঃ** অসম এক জটিল সন্ধিক্ষণত উপনীত হৈছে। এন আৰ চি প্ৰথমখন খচৰা ইতিমধ্যে প্ৰকাশ পাইছে। বিদেশী বহিস্কাৰৰ প্ৰসংগ পুনৰ সৰৱ হৈ উঠিছে। এই বিদেশী বহিস্কাৰৰ ক্ষেত্ৰত আপুনি বহু পূৰ্বৰ পৰাই জড়িত আছিল। এই সম্পৰ্কত অলপ ক'ব নেকি?

ঃ ৭০ দশকত আমি কেইগৰাকীমান সতীৰ্থই মঙলদৈ লোকসভা সমষ্টিৰ সাংসদ হীৰালাল পাটোৱাৰীৰ মৃত্যুৰ পাছত ভোটাৰ তালিকা সংশোধন পৰ্বত আত্মনিয়োগ কৰি সদৌ অসম ইনোমাৰেটৰ সন্থা গঠন কৰিছিলো। মনোজ বৰা, হবিবৰ ৰহমানসহ বৰপেটা,নগাঁও, ধুবুৰী আদি ঠাইলৈ গৈ এই ইনোমাৰেটৰ সংস্থা গঠন কৰি ভোটাৰ তালিকাৰ পৰা সন্দেহযুক্ত বিদেশীৰ নাম কৰ্তনৰ বাবে হাতে-কামে লাগি পৰিছিল। এতিয়া আকৌ এন আৰ চিৰ জৰিয়তে সেই পৰিৱেশ আহিছে। খিলঞ্জীয়াৰ ৰক্ষা কবচ স্বৰূপ এই এন আৰ চি প্ৰকাশৰ সন্ধিক্ষণত যাতে আমাৰ সাতাম পুৰুষীয়া ঐক্য সম্প্ৰীতি কোনো কাৰণতে বিঘ্নিত নহয়। ইয়াৰ বাবে আমি অধিক সতৰ্ক হ'বলৈ অনুৰোধ জনাইছো। অসমৰ শাখা আৰু জিলা সভাৰ লগতে মোৰ সন্মানীয় সতীৰ্থ সকলকো কোনো অপশক্তিয়ে যাতে পৰিৱেশ অস্থিৰ কৰিব নোৱাৰে। ইয়াৰ প্ৰতি সতৰ্ক দৃষ্টি ৰাখিবলৈ আহ্বান জনালো।

**জনমুক্তি ঃ** নাগৰিকত্ব সংশোধনী বিধেয়কক লৈ কেন্দ্ৰীয় চৰকাৰ তৎপৰ হৈ পৰিছে। এইক্ষেত্ৰত আপোনাৰ স্থিতি কি?

ঃ আমাৰ স্থিতি স্পষ্ট। কোনো কাৰণতে আমি এই সংশোধনী বিধেয়ক মানি ল'ব নোৱাৰো। বিদেশীক ধৰ্ম ভিত্তিত সংস্থাপন কোনোপধ্যেই অসম সাহিত্য সভাই মানি ল'ব নোৱাৰে। সভাৰ শতবৰ্ষীয় ঐতিহ্যমণ্ডিত পতাকাখন হৈছে আমাৰ জাতীয় জীৱনৰ অনন্ত আকাশৰ দৰে। জনমতক উপেক্ষা কৰি ইয়াৰ সংশোধন কৰিবলৈ গ'লে ভৱিষ্যৎ নেতিবাচক পৰিণামৰ বাবে কেন্দ্ৰীয় চৰকাৰে জগৰীয়া হ'ব।

**জনমুক্তি ঃ** মাতৃভাষা তথা চৰকাৰী ভাষা সংৰক্ষণ-সংৱৰ্দ্ধনৰ বাবে অসম সাহিত্য সভাৰ ভূমিকা বৰ্তমান কেনেধৰণৰ?

ঃ ইয়াৰ বাবে অসম সাহিত্য সভা দায়ৱদ্ধ। অসমৰ থলুৱা শাখাৰ লগতে সংযোগী অসমীয়া ভাষাৰ অস্তিত্বৰ প্ৰতি যি ভাবুকি আহিছে সেয়া প্ৰতিহত কৰাৰ বাবে সভাই এলানি হ্ৰস্বম্যাদি আৰু দীৰ্ঘম্যাদি আঁচনি প্ৰস্তুত কৰি কামত অগ্ৰসৰ হৈছে।

**জনমুক্তি ঃ** নৱপ্ৰজন্মক লৈ সাহিত্য সভাৰ পৰিকল্পনা কি?

ঃ সভাই আমাৰ নৱপ্ৰজন্মক মাতৃভাষাৰ জ্ঞান, তাৰ পাছত বিদেশী ভাষাৰ জ্ঞান প্ৰদান কৰাৰ উপৰিও জাতীয় অনুষ্ঠানটোলৈ আকৰ্ষণ কৰাৰ বাবে অন্যান্য শিক্ষানুষ্ঠানৰ মুৰব্বীৰ সৈতে বহি এক বিশেষ কৰ্মসূচী প্ৰস্তুত কৰা হৈছে। ইতিমধ্যে তেনে প্ৰক্ৰিয়া আমি আৰম্ভ কৰিছো। ৰামধেনু আৰু আকাশ অনুষ্ঠান সম্পৰ্কে আপোনালোক ইতিমধ্যে অৱগত।

**জনমুক্তি ঃ** নৱবৰ্ষত সাহিত্য সভাক লৈ আপোনাৰ পৰিকল্পনা কি?

ঃ সভাৰ স্থায়ী বৃত্তীয়নিধি সমৃদ্ধিশালী কৰা। ইয়াৰ সৈতে আজীৱন সভ্য ভৰ্তিৰে সভাৰ সাংগঠনিৰ ভেঁটি শক্তিশালী কৰাৰ প্ৰক্ৰিয়া আগতকৈ অধিক গতিশীল কৰা হ'ব। সভাৰ স্থায়ী অনুবাদ প্ৰকল্পৰ কাম পূৰ্ণ গতিত আগবঢ়াই নিয়া হ'ব। প্ৰাচ্য বিদ্যাৰ্ণৱ ড° মহেশ্বৰ নেওগ অসম তত্ত্ব গৱেষণা সংস্থা, সভাৰ মুক্ত শিক্ষা সংসদৰ কাম-কাজ অব্যাহত আছে। তেজপুৰ বিশ্ববিদ্যালয়ৰ সৈতে অসমীয়া মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ ইংৰাজী শিক্ষা আৰু ইংৰাজী মাধ্যমৰ ছাত্ৰ-ছাত্ৰীৰ বাবে বিশেষ অসমীয়া শিক্ষাৰ এবছৰীয়া পাঠ্যক্ৰম এই মাহতেই আৰম্ভ হ'ব। নৱবৰ্ষৰ প্ৰথম মাহতেই শতবৰ্ষীয় অসম সাহিত্য সভাৰ ইতিহাস দুটা খণ্ড, অৰুণোদয় পৰৱৰ্তী খণ্ড প্ৰকাশ কৰা হ'ব। সভাৰ প্ৰাক্তন প্ৰধান সম্পাদক ড° বসন্ত কুমাৰ গোস্বামীৰ দ্বাৰা এই মহৎ কৰ্ম সম্পাদন হৈছে। সকলো জনগোষ্ঠীয় সাহিত্য সভাৰ সৈতে একেলগে বহি খিলঞ্জীয়াৰ স্বাধিকাৰৰ হকে একেলগে যুঁজিম। আমি অসমৰ ৰাইজক আমাৰ জাতীয় জীৱন গঢ়া ভাষা জননীৰ পূৰ্ণ তীৰ্থ ক্ষেত্ৰ অসম সাহিত্য সভাৰ আজীৱন সভ্য হৈ এই শতবৰ্ষীয় অনুষ্ঠানটি আৰু অধিক শক্তিশালী কৰাৰ বাবে আগবাঢ়ি আহিবলৈ অনুৰোধ জনাই সবালৈকে ইংৰাজী নৱবৰ্ষৰ আন্তৰিক শুভ কামনা আৰু আগন্তুক ভোগালী বিহুৰ ওলগ জ্ঞাপন কৰিলো।

**জনমুক্তি ঃ** আপোনাৰ ব্যস্ততাৰ মাজত আমাক সময় দিয়াৰ বাবে আপোনাকো নৱবৰ্ষৰ আৰু ভোগালী বিহুৰ ওলগ অভিনন্দন জনাই সামৰিলো।

# ২০১৯ ৰ নিৰ্বাচনত ৰজনীকান্ত



**নিউজ ডেস্ক ঃ** বহু জল্পনা-কল্পনাৰ অন্তত চিনেমা জগতৰ পৰা ৰাজনীতিৰ পথাৰলৈ দক্ষিণৰ ছুপাৰষ্টাৰ ৰজনীকান্তৰ যাত্ৰা। চলিত সপ্তাহৰ দেওবাৰে ৰজনীকান্তে আনুষ্ঠানিকভাৱে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাৰ কথা ঘোষণা কৰে। কেৱল এয়াই নহয়, নতুন দল গঠন কৰি নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিব ৰজনীকান্তৰ দলে। প্ৰাক্তন মুখ্যমন্ত্ৰী জয়া ললিতাৰ মৃত্যুৰ এবছৰৰ পিছতেই ৰাজ্যখনৰ ৰাজনীতিত দেখা দিছিল অদ্ভুত শূন্যতাই। দুৰ্নীতিয়ে লগ এৰা নাছিল ৰাজ্যখনত। প্ৰথমে তামিলনাডুৰ ক্ষমতা জয়া ললিতাৰ হাতত আছিল যদিও তেওঁৰ মৃত্যুৰ পিছতেই এই ক্ষমতা শশী কলাৰ হাতত অৰ্পণ কৰা হয়। কিছুদিনৰ পিছতেই শশী কলাক দুৰ্নীতিৰ অভিযোগত গ্ৰেপ্তাৰ কৰি তেওঁৰ পৰা ক্ষমতা হস্তান্তৰ কৰা হয়। তাৰোপৰি টু জি স্পেকটাম কাণ্ডইয়ো ৰাজ্যখনৰ উন্নয়নত অস্থিৰ কৰি তুলিছিল। অৱশ্যে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন বিজেপি দলটোৱে ডি এম কেৰ সৈতে সংগ মিলাই দক্ষিণ ভাৰতত বিজেপিৰ শাসন চলাবলৈ চেষ্টা কৰি আহিছে। যাৰ পৰিপ্ৰেক্ষিতত দক্ষিণ ভাৰতক অধিক উন্নয়ন কৰাৰ লক্ষ্যৰে দাক্ষিণাত্যৰ ছুপাৰষ্টাৰ ৰজনীকান্তে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতাৰ কথা ঘোষণা কৰে। ইফালে ২০১৯ চনত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনত ৰজনীকান্ত নেতৃত্বাধীন দলটো এন ডি এৰ মিত্ৰজোঁটৰ অংশীদাৰ হ'ব। চলিত সপ্তাহৰ দেওবাৰে দক্ষিণৰ জনপ্ৰিয় ছুপাৰষ্টাৰ ৰজনীকান্তে নতুন দল ঘোষণা কৰাৰ পাছতেই তামিলনাডু বিজেপি মুৰব্বী তামিলী ছাই সৌন্দৰাৰাজাই এই মন্তব্য প্ৰদান কৰে। ইফালে তামিলনাডুৰ ৰাজ্যিক বিজেপিৰ সভাপতিজনে ছুপাৰষ্টাৰগৰাকীক শুভকামনা জনাই কয় যে তামিলনাডুৰ ৰাজনীতিত ৰজনীকান্তৰ আগমণে এক নতুন যুগৰ সূচনা কৰিব। মন কৰিবলগীয়া যে ৰাজ্যখনৰ ডি এম কেৰ সৈতেও বিজেপি নেতৃত্বাধীন এন ডি এৰ কথা-বতৰা চলি আছে। ৰাজনৈতিক প্ৰেক্ষাপটত ৰজনীকান্তৰ আৱিৰ্ভাৱৰ লগে লগে দৃশ্যপট সম্পূৰ্ণ সলনি হৈ পৰা দেখা গৈছে। মাদ্ৰাছ বিশ্ববিদ্যালয়ৰ জ্যেষ্ঠ অধ্যাপক ৰামু মণিমন্নই এই প্ৰসংগত কয় সন্দেহ নাই যে তামিলনাডুকে ধৰি সমগ্ৰ দক্ষিণ ভাৰতত ৰজনীকান্ততকৈ জনপ্ৰিয় ব্যক্তি আন কোনো নাই। আনকি বহুতেই তেওঁক ভগৱানৰ দৰে পূজাও কৰে। গতিকে ৰাজনৈতিক প্ৰেক্ষাপটত ৰজনীকান্তৰ আগমণৰ পাছতে বহু দলৰ ৰাজনৈতিক ভৱিষ্যৎ অন্ধকাৰ হৈ পৰাৰ সম্ভাৱনা আছে। বিশেষকৈ ৰাজ্যখনৰ ক্ষুদ্ৰ দলসমূহ ডাঙৰ বিপৰ্যয়ৰ সন্মুখীন হ'ব লাগিব।

## পাকিস্তানৰ মিথ্যাচাৰত ক্ষোভ প্ৰকাশ ড'নাল্ড ট্ৰাম্পৰ



**নিউজ ডেস্ক ঃ** সন্ত্ৰাসবাদৰ ক্ষেত্ৰত সদায় দুমুখীয়া আচৰণ দেখুৱাই অহা পাকিস্তানৰ বিৰুদ্ধে সৰৱ হৈ পৰিছে আমেৰিকা। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে ছ'চিয়েল মিডিয়াত পাকিস্তানৰ বিৰুদ্ধে তীব্ৰ বিষোদগাৰ প্ৰকাশ কৰি কয় যে মুৰ্খৰ দৰে আমেৰিকাই পাকিস্তানক ৩৩ বিলিয়ন ডলাৰতকৈ অধিক ধন সাহায্য হিচাপে আগবঢ়াইছিল। বিগত পোন্ধৰ বছৰৰ ভিতৰত এই ধন দিছিল আমেৰিকাই। কিন্তু এনেদৰে আৰ্থিক সাহায্য আগবঢ়োৱাৰ পাছত পাকিস্তানৰ পৰা একো নাপালে আমেৰিকাই। কেৱল পালে পাকিস্তানৰ পৰা মিথ্যাচাৰহে। আফগানিস্তানৰ সন্ত্ৰাসৰ বিৰুদ্ধে যুদ্ধ চলাইছিল পাকিস্তানে। সেই সময়ছোৱাত পাকিস্তানে নিজৰ ভূমি সন্ত্ৰাসবাদৰ বাবে মুকলি বিচৰণ কৰি দিছিল। প্ৰকৃততে পাকিস্তানৰ পৰা যি আশা প্ৰকাশ কৰা হৈছিল তাৰ বিপৰীত ছবিহে প্ৰদান কৰিলে দেশখনে। উল্লেখযোগ্য যে, আমেৰিকাৰ ৰাষ্ট্ৰপতি হিচাপে ড'নাল্ড ট্ৰাম্পক নিৰ্বাচিত কৰাৰ পিছতেই দেশখনৰ সৈতে ফাঁট মেলিছে আমেৰিকাৰ। আনহাতে আমেৰিকালৈ সাহায্য বিতৰণো ইতিমধ্যেই বন্ধ কৰিছে আমেৰিকাই।

## বাংলাদেশত চৰ্চিত বিষয় এন আৰ চি

**নিউজ ডেস্ক ঃ** ভাৰতবৰ্ষৰ চুবুৰীয়া ৰাষ্ট্ৰ বাংলাদেশত সম্প্ৰতি আটাইতকৈ বেছি চৰ্চিত বিষয় হৈ পৰিছে ৰাষ্ট্ৰীয় নাগৰিকপঞ্জী, চমুকৈ এন আৰ চিৰ বিষয়। এন আৰ চিৰ উন্নীতকৰণৰ বিষয়টোৱে যি সময়ত উত্তৰ-পূব ভাৰতৰ গুৰুত্বপূৰ্ণ ৰাজ্য অসমত সৰ্বাধিক চৰ্চিত বিষয় হৈ পৰিছে সেই সময়তেই ৰাজ্যখনৰ পৰা বিতাৰিত হ'বলগীয়া বাংলাদেশী নাগৰিকসকলকলৈও উদ্বিগ্ন হৈ পৰিছে শ্বেখ হাচিনাৰ



চৰকাৰ। এন আৰৰ চিৰ উন্নীতকৰণৰ ফলত চিনাক্ত হ'বলগীয়া ত্ৰিশ লাখ বাংলাদেশীক ভাৰতৰ চুবুৰীয়া ৰাষ্ট্ৰখনে কিদৰে গ্ৰহণ কৰিব সেই লৈ দেশখনৰ ৰাজনৈতিক মহলত ব্যাপক চৰ্চা লাভ কৰিছে। এক সূত্ৰৰ পৰা জানিব পৰা মতে শ্বেখ হাচিনাৰ চৰকাৰ আৰু ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ সৈতে ভাল বুজাবুজি থকাৰ হেতু বিতাড়িত বাংলাদেশীসকলক গ্ৰহণ কৰাটো সম্ভৱ হৈ উঠিব। দেশখনে বাংলাদেশী নাগৰিকসকলক গ্ৰহণ কৰিবলৈ প্ৰত্যাপূৰ্ণ চুক্তিখনৰ প্ৰয়োজন যদিও সেইখন আজিলৈ সম্ভৱ হৈ উঠা নাই। কিন্তু বাংলাদেশ চৰকাৰ আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী নেতৃত্বাধীন বিজেপি চৰকাৰখনৰ লগত ভাল সম্পৰ্ক থকা হেতুকে এয়া সম্ভৱ হৈ উঠিব পাৰে। ইফালে নৱবৰ্ষৰ পহিলা দিনতেই বাংলাদেশৰ কেন্দ্ৰীয় মন্ত্ৰী উবাইদুল কাদেৰে এক সংবাদমেল সম্বোধন কৰি কয় যে অসমৰ এন আৰ চি উন্নীতকৰণৰ প্ৰক্ৰিয়াক লৈ বাংলাদেশ চৰকাৰে গ্ৰহণ কৰা ব্যৱস্থাই বিশেষ তাৎপৰ্য বহন কৰিছে। পূৰ্বৰ বাংলাদেশ চৰকাৰ আৰু পূৰ্বৰ ভাৰত চৰকাৰৰ মাজত সু-ব্যৱস্থা নথকাৰ বাবে এই প্ৰক্ৰিয়াত কিছু জটিলতাৰ সৃষ্টি হৈছিল। কিন্তু এই সময়ত নৰেন্দ্ৰ মোডী আৰু শ্বেখ হাচিনা চৰকাৰৰ মাজত এটা ভাল সম্পৰ্ক আছে। সেয়েহে এই বিষয়টো অতি সহজেই নিষ্পত্তি হ'ব। তেওঁ কয় যে উত্তৰ-পূব ভাৰতৰ অসমত চলি থকা এন আৰ চি উন্নীতকৰণত প্ৰক্ৰিয়াৰ ওপৰত তীক্ষ্ণ দৃষ্টি ৰাখিব বাংলাদেশ চৰকাৰে।

## ভাৰতত কমিছে বিদেশী বেংকৰ চাহিদা

**নতুন দিল্লী ঃ** যোৱা তিনি বছৰত ভাৰতত বিদেশী বেংকৰ এটিএমৰ হ্ৰাসৰ সংখ্যা হৈছে ১৮ শতাংশ। ইয়াৰ লগতে বিদেশী বেংকসমূহে ভাৰতবৰ্ষত কেইবাটাও শাখা বন্ধ কৰাৰ পৰিলক্ষিত হৈছে। তথ্য অনুসৰি বৰ্তমান ভাৰতবৰ্ষত মুঠ ৪৫ টা বিদেশী বেংক আছে। ইয়াৰে ভিতৰত উল্লেখযোগ্য হ'ল ষ্টেণ্ডাৰ্ড ছাৰ্টাৰ বেংক, বি এন পি পৰিবাছ, ড'ইা বেংক, কাটাৰ নেশ্বনেল বেংক, দ্যা ৰিয়েল বেংক অৱ স্কটলেণ্ড, বেংক অৱ আমেৰিকা, ডি বি এছ বেংক আদি। আনহাতে ৰিজাৰ্ভ বেংকৰ তথ্য মতে ২০১৪ ৰ ছেপ্টেম্বৰৰ পৰা ২০১৭ ৰ ছেপ্টেম্বৰলৈ এই বেংক সমূহৰ ভিতৰত এটিএমৰ সংখ্যা ১৮ শতাংশ হ্ৰাস পাইছে।

## কাবুললৈ অধিক সামৰিক উপদেষ্টা প্ৰেৰণ



**নিউজ ডেস্ক ঃ** নৱবৰ্ষৰ সময়তেই আমেৰিকাই আফগানিস্তানৰ ৰাজধানী কাবুলত অত্যাধিক সামৰিক উপদেষ্টা প্ৰেৰণ কৰাৰ কথা ভাবে আমেৰিকাই। মাৰ্কিন প্ৰতিৰক্ষা সচিব জেমছ মেটিছে এই প্ৰসংগত কয় যে আফগান সেনাক শক্তিশালী কৰিবলৈ মাৰ্কিনৰ সহায়ৰ প্ৰয়োজন আছে। পাৰম্পৰিক প্ৰণালীৰে যুঁজ দি থকা আফগান সেনাক অত্যাধুনিক কৌশল সম্পৰ্কে প্ৰশিক্ষণ দিয়াৰ বাবে মাৰ্কিন সামৰিক উপদেষ্টাই কাম কৰিব। তালিবানৰ বিপক্ষে সম্পূৰ্ণৰূপে জয়লাভৰ বাবে আফগান সেনাক আৰু অধিক সময়ৰ আৱশ্যক বুলি উল্লেখ কৰে মাৰ্কিন প্ৰতিৰক্ষা সচিব জনে। তেওঁ কয় যে তালিবানৰ দৰে সন্ত্ৰাসবাদী সংগঠনৰ বিপক্ষে মুকাবিলা কৰিব পৰাকৈ সাজু হোৱাৰ বাবে আফগান সেনাক প্ৰশিক্ষণ দিব লাগিব।

৫ পৃষ্ঠাৰ পৰা

## বিদেশী বহিষ্ককৰণৰ প্ৰাসঙ্গিকতা

খাতিৰত তেনে জাতিধ্বংসী সিদ্ধান্ত লোৱা বুলি সদৰি কৰিলে। এয়া কেনে ধৰণৰ মানৱতাৰ আঁৰ কাপোৰৰ মাজেৰে সাম্প্ৰদায়িক আৰ্চিতহে বিষয়টো চোৱা দেখা গ'ল। ২০১১ চনৰ বিধানসভা নিৰ্বাচনতে বিজেপিৰ সুৰত সুৰ মিলাই কংগ্ৰেছেও মানৱতাৰ দোহাই দি বাঙালী বিন্দুসকলক শৰণাৰ্থীৰ মৰ্যাদাৰে নাগৰিকত্ব প্ৰদানৰ আশ্বাস দিছিল। এইবাৰৰ নিৰ্বাচনটো জয়লাভৰ স্বাৰ্থত দুয়োটা দলেই সংখ্যাগুৰু ভোটবেংক সুদৃঢ় মকৰাৰ চেষ্টাত ব্ৰতী হোৱা হোৱা পৰিলক্ষিত হ'ল। উল্লেখযোগ্য যে অসমীয়া জাতিৰ বাবে বিদেশী কেৱল বিদেশীয়ে আৰু বাঙালী ভাষা-সংস্কৃতিৰ আগ্ৰাসন কোনো কাৰণতে কোনেও মানি নলয়। এইবাৰৰ নিৰ্বাচনী প্ৰচাৰ তথা ভাষণবাজী আটাইতকৈ নেতিবাচক বুলি ক'লেও ভুল কৰা নহ'ব। ধাৰ্মিক মেৰু বিভাজনৰ বাবে এনে কিছু উত্তৰ ভাৰতীয় পন্থা আমদানিৰে অৱলম্বন কৰা হ'ল যে নিৰ্বাচনৰ আগৰ দুৰাতিতে হেনো ধাৰ্মিক মেৰু বিভাজন হৈ গৈছিল। শেষ ৰাতি কি খেল হৈছিল একমাত্ৰ ৰাজনৈতিক দলকেইটাহে অৱগত। একমাত্ৰ ধৰ্মীয় আৱেগৰ আধাৰতে দুয়োটা পৰ্যায়ৰ নিৰ্বাচনৰ পৰিসমাপ্তি ঘটিল। শংকৰ-আজানৰ নামো কলুসিত কৰাৰ প্ৰয়াস কৰা হ'ল। অসম বুৰঞ্জীৰ তিলমানো জ্ঞান নথকা এজন পাবত গজা নেতাই আজান ফকীৰকো বিদেশী সজোৱাৰ দুসাহস কৰিলে। শংকৰ-আজানৰ সাতাম পুৰুষীয়া সম্প্ৰিতি বিনষ্ট কৰাৰ প্ৰয়াস অহৰহ চলিল। শংকৰ-আজানৰ পৰিৱৰ্তে শংকৰ-মাধৱ সংস্কৃতিৰ কথা ইচ্ছাকৃতভাৱে উচ্চাৰিত হ'বলৈ ধৰিলে। যিমানেই নিৰ্বাচনী ভাষণৰ দ্বাৰা ধৰ্মীয় ঘৃণা-বিদ্বেষ বিয়পাব সিমানেই যেন সুদৃঢ় হ'ব ভোটবেংকো। আপাত দৃষ্টিত দুয়োপক্ষ সফল হোৱা যেন বোধ হৈছে। নৱপ্ৰজন্মই এই নেতিবাচক প্ৰচাৰৰ দ্বাৰা প্ৰভাৱিত হোৱা যেন বোধ হৈছে। শৰাইঘাটৰ শেষ ৰণৰ যি শ্লোগান ঐওৰোৱা হ'ল সি সঁচাকৈ এক নতুন ধাৰাৰ উদ্ৰেক কৰা পৰিলক্ষিত হ'ল। দুয়োপক্ষই বীৰ লাচিতক লৈ ৰাজনীতিত লিপ্ত হোৱা দেখা গ'ল। শৰাইঘাটৰ এই শেষ ৰণ যেন বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কৰা হ'ব! পৰিতাপৰ বিষয় এয়ে যে তেওঁলোকে ৬৬ শতাংশৰ যুঁজ ৩৪ শতাংশৰ বিৰুদ্ধে বুলিও প্ৰচাৰ চলালে। সেইটোও বুজিলো। পিছে ৩৪ শতাংশক সম্পূৰ্ণকৈ একাকাৰ কৰা হ'ল। অৰ্থাৎ ৩৪ শতাংশ অসমবাসী মুছলমানৰ আটাইবোৰে বিদেশী অনুপ্ৰৱেশকাৰী। অসমীয়া বা খিলঞ্জীয়া মুছলমানৰ অস্তিত্ব সম্পূৰ্ণ ৰূপে নাকচ কৰা হ'ল। অৰ্থাৎ এনে এক প্ৰচাৰ চলোৱা হ'ল যে, মুছলমান মানেই অভাৰতীয় মূলৰ বিদেশী আৰু হিন্দু সকলহে ভাৰতীয় মূলৰ। ২০১৬ চনলৈ অহা বাঙালী হিন্দু এজনক ভাৰতীয় হিচাপে স্বীকৃতি দিয়াত কোনো আসোঁৱাহ নাই। কিন্তু গৰিয়া-মৰিয়া দেশী বা উজেনি, জোলা, চৈয়দ-দানৰ, মণিপুৰী মুছলীম, বৰাকৰ বাংলাভাষী খিলঞ্জীয়া মুছলমান সকলৰ বিপক্ষে শৰাইঘাটৰ শেষ ৰণ। ব্ৰহ্মপুত্ৰ উপত্যকাত শ-ডেৰশ বছৰ আগেয়ে অসমলৈ অনা পূৰ্ববংগীয় মূলৰ মুছলমানৰ কোনোৰে ভাৰতীয় মূলৰ নহয় বুলি পাকে প্ৰকাৰে দাবী কৰা হৈছে। অসম চুক্তিক সম্পূৰ্ণৰূপে ভেঙুচালি কৰি ১৯৭১ ৰ ঠাইত ১৯৫১ চনটোকেভিত্তিবৰ্ষ হিচাপে লোৱাৰ পোষকতা কৰা হ'ল। মুঠৰ ওপৰত ৰাজনৈতিক লাভালাভৰ বাবে মুখত যি আহে তাকে ক'ব আৰু জনসাধাৰণে মানি ল'ব ! ফুটবলৰ দৰে আপোনালে লঠিয়াই থাকিব আৰু এবাৰ ইফালে এবাৰ সিফালে জনগণে ঘুৰ্মুটিয়াই ফুৰিব। বহুত হ'ল, বহুত খেলিলে এতিয়া ডাইৰেক্ট গ'ল দিয়ক। সুদূৰপ্ৰসাৰী ফলপ্ৰসু স্থায়ী সমাধান উলিয়াওক আৰু সকলোকে সমানে আগবাঢ়িবলৈ সুবিধা দিয়ক।

অৱশ্যে বিজেপি দলে খিলঞ্জীয়া মুছলমানৰ অস্তিত্ব ৰক্ষাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ আশ্বাস প্ৰদান কৰিছে। তেওঁলোকে সহমৰ্মিতাৰে আশংকা প্ৰদান কৰিছে যে ভোটবেংকৰ ৰাজনীতিত আটাইতকৈ অস্তিত্বৰ সংকটত ভুগিছে খিলঞ্জীয়া মুছলমানে। এনে ৰাজনৈতিক বক্তব্যক সমূলি বিশ্বাসো কৰিব নোৱাৰি, ঘৰিয়ালৰ চকুলোও হ'ব পাৰে। কাৰণ তেওঁলোকে ৩৪ শতাংশ অসমৰি মুছলমানৰ বিৰোধিতাৰে সকলোকে একাকাৰ কৰিছে। সমগ্ৰ অসমতে সিঁচৰিত হৈ থকা খিলঞ্জীয়া মুছলমানে অস্তিত্বৰ সংকটত ভুগি আজিলৈ মূৰ দাঙি থিয় দিব পৰা নাই? ইফালে খিলঞ্জীয়া মুছলমান কোন সেই বিষয়টোও চালি-জাৰি চাব লাগিব। উজনি অসমৰ মুছলমান সকলে আন জাতি-জনগোষ্ঠীৰ লেখিয়াকৈ অসমীয়া ভাষাতে ভাৱ বিনিময় কৰে, সেয়ে তেওঁলোকক অসমীয়া হিচাপে চিনাক্ত কৰাত কোনো অজুহাত নাই। কিন্তু নামনিৰ জিলাকেইখনৰ জনগাথনি সম্পূৰ্ণ সুকীয়া। কামৰূপ, নলবাৰী, দৰং, বৰপেটাৰ খিলঞ্জীয়া মুছলমানে আন জাতি-জনগোষ্ঠীৰ দৰে স্থানীয় অসমীয়া ভাষাৰে ভাৱ বিনিময় কৰে। পিছে গোৱালপাৰা, ধুবুৰী, বঙাইগাঁও, কোকৰাঝাৰ আজি জিলাৰ মুছলমানসকলৰ ভাষা কি তাক লৈ বিভ্ৰান্তিৰ সৃষ্টি হয়। এই জিলাকেইখনৰ খিলঞ্জীয়া মুছলমানসকলক 'দেশী' বা 'উজেনি' নামেৰে জনা যায়। কিন্তু মূল সুঁতিৰ অসমীয়াৰ অধিকাংশই 'দেশী', ভাটিয়া' আদি শব্দবোৰ শুনিছে নে নাই সন্দেহ ওপজে। স্পষ্ট কৰি দিয়া ভাল যে এই জিলাকেইখনৰ হিন্দু ধৰ্মাৱলম্বীসকলেও দেশী মুছলীমসকলৰ দৰে একে ভাষাৰে ভাৱ বিনিময় কৰে। বাঙালী ভাষাৰ সৈতে কিছু কিছু মিল থকা বাবেই দেশীসকলকো পূৰ্ব বংগীয় মূলৰ মুছলমান বুলি বিভ্ৰান্ত হোৱা দেখা যায়। ফলস্বৰূপে তেওঁলোক বিভিন্ন ঐতিহ্যৰ সন্মুখীন হোৱা পৰিলক্ষিত হোৱা দেখা যায়। আনকি খিলঞ্জীয়া স্বীকৃতিয়ে নাপায়। এসময়ত আনকি ৰাজবংশী মহিলা নিৰবালা দেৱীকো বিদেশী হিচাপে চিনাক্ত কৰি বিতাৰিত কৰাৰ যো-জা চলাইছিল। দেশী জনগোষ্ঠী অৰ্থাৎ গোৱালপৰীয়া মুছলমানসকল অসমৰ অন্যতম ভূমিপুত্ৰ। লিখিত ঐতিহাসিক তথ্য মতে ১২০৬ চনৰ বখতিয়াৰ খিলজীৰ অসম আক্ৰমণৰ সময়ত স্থানীয় মেচ জনগোষ্ঠীৰ ৰজাৰ ইছলাম ধৰ্ম গ্ৰহণৰ জৰিয়তে 'দেশী মুছলামান' জনগোষ্ঠীৰ আৰম্ভণি। বখতিয়াৰ খিলজীৰ চৰকাৰী ঐতিহাসিক মিনহাজ আল চিৰাজে তেওঁৰ কিতাপ 'তাবাকাত ই নাচিৰি'ত মেচ ৰজা 'আলি মেচ'ৰ ইছলাম ধৰ্ম গ্ৰহণৰ উল্লেখ আছে। দেশী জনগোষ্ঠীৰ লোকসকল মূলত ৰাজবংশী জনগোষ্ঠীৰ পৰাই ধৰ্মান্তৰিত, যদিও নামনি ব্ৰহ্মপুত্ৰ উপত্যকা তথা অবিভক্ত গোৱালপাৰা জিলাৰ স্থানীয় সভা, হাজং, নাথ-যোগী, আনকি কলিতা আদি জনগোষ্ঠীৰ পৰাও ধৰ্মান্তৰিত হোৱাৰ উদাহৰণ পোৱা যায়। কিন্তু মধ্য যুগত কোচ ৰজা চক্ৰধ্বজ সিংহৰ ইছলাম ধৰ্ম গ্ৰহণ আৰু ছুফি সাধক (পাঁচ বীৰ) সকলৰ সাম্য সম্প্ৰীতিৰ বাণীৰ প্ৰতি আকৃষ্ট হৈ বহু স্থানীয় ৰাজবংশীৰ লোকে ইছলাম ধৰ্ম গ্ৰহণ কৰে। ৬০০ বছৰ পুৰণা পাণবাৰীৰ মছজিদ, ১৬৬৬ চনত স্থাপিত ধুবুৰীৰ পাঁচ পীৰৰ দৰগাহ এই ধৰ্মান্তৰণৰ ঐতিহাসিক প্ৰমাণ বিদ্যমান। দেশী মুছলমান সকল যে মূলত স্থানীয় ৰাজবংশী জনগোষ্ঠীৰ পৰাই ধৰ্মান্তৰিত এই কথা সহজতে অনুমান কৰিব পাৰি 'দেশী' আৰু ৰাজবংশী সকলৰ দৈহিক গঠন, ভাষা, গীত-মাত, পিন্ধন-উৰণ, খাদ্য অভ্যাস আৰু ৰূপ কথাকে আদি কৰি সামাজিক ৰীতি-নীতিৰ আচৰিত ধৰণৰ মিলৰ পৰা। ফোন ঃ ৭০৮৬০২২৭৫৪

১৪ পৃষ্ঠাৰ পৰা

## প্ৰত্যেকজন মানুহৰ কৰ্ম ...

আমাৰ এই মানৱ শৰীৰ অনেক গুপ্ত ৰহস্য বা শক্তিৰ খনি স্বৰূপ। এই শক্তিক জাগৃত কৰিব পাৰিলে আমি শাৰীৰিক, মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক দিশত বিকাশ সাধন কৰি ক্ৰমে উচ্চ স্তৰলৈ যাবগৈ পাৰো আৰু তেতিয়াই প্ৰত্যক্ষভাৱে কোনো ব্যক্তিৰ আভামণ্ডল দৃষ্টিগোচৰ হ'ব পাৰে। অৱশ্যে ই একপ্ৰকাৰ বিৰল সাধনাৰ ফল। মই ওপৰত উল্লেখ কৰা ছোৱালীজনীয়ে জন্মসূত্ৰে পূৰ্বজন্মৰ পৰা পোৱা সঞ্চিত জ্ঞানৰ পৰা পোৱা এক ধৰণৰ প্ৰতিভা বুলিয়েই ধৰিব পৰা যায়। আভামণ্ডল প্ৰত্যক্ষ কৰিব পৰা জনে আন এজন মানুহৰ মানসিক দিশটো কেনে, বৌদ্ধিক- আধ্যাত্মিক বিষয়ত কিমান আগবঢ়া আদি অনেক দিশৰ বিষয়ে জানিব পাৰে। যেনেকৈ প্ৰত্যেক বস্তুৰে এটা ছাঁ থাকে, ঠিক তেনেদৰে প্ৰত্যেক মানুহৰে আভামণ্ডল থাকে। মানৱীয় চিন্তাৰ উৎকৃষ্টতাৰ ৰং হৈছে আলোকময়, তাত উজ্জলতা দেখা যায় আৰু নিকৃষ্টতাৰ চিন ক'লা আন্ধাৰময়। সাধাৰণতে আমি জনাৰ কোনো সাধ্যই নাথাকে কোন সময়ত কি ধৰণৰ মানসিক ভাব চিন্তা অনুসৰি আমাৰ শৰীৰৰ মাজেদিয়েই বাহিৰলৈ কি ৰং বিচ্ছুৰিত হৈ প্ৰকাশ হৈ থাকে।কেতিয়াবা এনেকুৱাও হয় যে কোনো লোকৰ পৰা পৰাপক্ষত আঁতৰি ফুৰিব লগীয়া হয়, দেখা পোৱা মাত্ৰকে কিবা অশান্তি অনুভৱ কৰিব লগা হয়। কিন্তু কোনো লোকক দেখিলে মনলৈ আনন্দৰ জোৱাৰ অহা যেন লাগে। বহুতেই অনুভৱ কৰে এজন প্ৰকৃত সাত্বিক স্বভাৱৰ মানুহ কোঠাটোলৈ সোমাই আহিলে পোহৰ এচাটি সোমাই অহাৰ দৰে লাগে। তেনে মানুহৰ সান্নিধ্যত থকাৰ অৱস্থাত সময়ৰ জ্ঞানেই নাথাকে। ইয়াৰ কাৰণ আভামণ্ডলৰ চমৎকাৰিতা বুলি ধৰি ল'ব পৰা যায়। মানুহজনৰ উৎকৃষ্ট কল্যাণমূলক ভাব চিন্তাৰ বাবে তেওঁৰ দেহৰ পৰা এক ধৰণৰ অদৃশ্য আলোক প্ৰবাহিত হৈ থাকে।

গীতাৰ এটা শ্লোক আছে এনেদৰে ...চাতুৰ্বৰ্ণ্যং ময়া সৃষ্টং গুণকৰ্ম বিভাগশঃ। তস্য কৰ্তাৰমপি মাং বিদ্ধ্যকৰ্তাৰিম ব্যয়ম। ৪/১৩

সাধাৰণতে গীতাৰ ভাষ্যকাৰ সকলে অতীজৰ পৰা ব্যাখ্যা কৰি আহিছে এনেদৰে। কৃষ্ণই গীতাত অৰ্জুনক কৈছে, মই সমাজখন শৃংখলাবদ্ধ কৰি ৰাখিবৰ বাবে চাৰি-জাতি নিৰ্মাণ কৰিছো,তেওঁলোকে ভাগে ভাগে কাম কৰিব। কিন্তু আমাৰ গুৰু আচাৰ্য ভৃগুগিৰিদেৱে ব্যাখ্যা কৰিছে এনেদৰে— কৰ্মৰ দ্বাৰাহে মানুহৰ গুণৰ সৃষ্টি হয়, জাতি এটাৰ সৃষ্টি হ'ব নাৱাৰে। গুণ অনুসৰি বৰ্ণ বা শৰীৰ বলয় অ'ৰা বাAura ৰ সৃষ্টি হয়। যিজন ব্যক্তি নীচ ভাৱ আৰু নীচ কৰ্মত সদায় মগন হৈ থাকে তেওঁ যি জাতিৰেই নহওক কিয় বগা ধুনীয়া হ'লেও তেনে মানুহৰ মুখৰ চাৰিওফালে ক'লা বলয় বা আভা ওলাবই। ক'লা ৰঙে শূদ্ৰ বুজায়। বৈশ্য মানে প্ৰজাৰূপী বৃত্তিধাৰী কৰ্ম কৰা ব্যক্তিজনৰ মুখমণ্ডলত পীত বৰ্ণৰ বলয় বা আভা ওলাবই। ক'লা ৰঙে শূদ্ৰ বুজায়। বৈশ্য মানে প্ৰজাৰূপী বৃত্তিধাৰী কৰ্ম কৰা ব্যক্তিজনৰ মুখমণ্ডলত পীত বৰ্ণৰ বলয় বা আভা প্ৰস্ফুতিত হয়। নিজ ক্ষেত্ৰ বা বৃত্তিৰ ৰক্ষাৰ বাবে যি সংঘৰ্ষ কৰে তাক ক্ষেত্ৰপ বা ক্ষত্ৰিয় বুলি কোৱা হয়। ক্ষত্ৰিয় বৃত্তিধাৰী ব্যক্তিৰ মুখমণ্ডলত ক্ৰোধৰ চিন ৰক্তবৰ্ণ বা বলয়ৰ আভা ফুটি উঠে। ব্ৰহ্ম কৰ্ম কৰা শুদ্ধ জ্ঞানমাৰ্গত থকা জনৰ মুখমণ্ডলত জ্যোতি বা পোহৰৰ আভা এটাই বিৰাজ কৰি থাকে। এনে দিব্য ভাৱাপন্ন ব্যক্তিজনক ব্ৰাহ্মণ বুলি কোৱা হয়। চাতুৰ্বৰ্ণ এক উন্নত বিজ্ঞান। গীতা বা উপনিষদে মানুহৰ গাৰ বৰণ বা জাতিৰ কথা কোৱা নাই, কৈছে একোজন মানুহৰ নিজ নিজ কৰ্মবৃত্তি আৰু ভাৱনা চিন্তা অনুসৰি প্ৰকাশ পোৱা বলয় অৰ্থাৎ অ'ৰাৰ কথাহে। যাক হিন্দীত আভামণ্ডল বুলি কোৱা হয়।

এইখিনিতে আৰু এটা কথা উল্লেখ কৰিব বিচাৰিছো যিটো পাঠকৰ বাবেও মনোগ্ৰাহী হ'ব বুলি ধৰি লৈছো। ১৯৮১ নবেল পুৰস্কাৰ বিজেতা আমেৰিকাৰ বিশিষ্ট চিকিৎসা বিজ্ঞানী ৰোজাৰ স্পেৰীয় মানবীয় মস্তিকৰ দুয়োটা গোলাৰ্ধৰ বিষয়ে গভীৰভাৱে অধ্যয়ন কৰি তাৰ পৰীক্ষা-নিৰীক্ষা কৰিবৰ বাবে সাত্বিক ভাৱাপন্ন জ্ঞানবন্তজনৰ প্ৰয়োগ কৰিছিল। তেওঁ দেখা পাইছিল যে এনে মস্তিকত দৈৱীয়ে প্ৰতিষ্ঠিত হোৱা বাবে এক বিশেষ প্ৰকাৰৰ তত্ব নিঃসৰণ হৈ থাকে, যাক তেওঁ মিস্তিকেল এলিমেন্ট নাম দিছিল। ভাৰতীয় প্ৰজ্ঞাৱান ঋষি-মুনি আৰু অৱতাৰী মহাপুৰুষসকলৰ মূৰৰ চাৰিওফালে জ্যোতিষমান হৈ থকা পোহৰ বা অ'ৰাক আভামণ্ডলৰ প্ৰতীক বুলি উল্লেখ কৰিছে। ওপৰত উল্লেখ কৰা সকলোবোৰ কথাৰ পৰা ইয়াকে বুজিব পাৰিলো একোজন ব্যক্তিৰ জ্ঞানৰ উচ্চতা, সাত্বিক ভাৱাপন্নতা আৰু নিজ নিজ ভাল-বেয়া কৰ্মৰ দ্বাৰা আভামণ্ডলৰ সৃষ্টি হ'ব পাৰে, যিটো বিষয় জানিবৰ বাবে মই সৰুৰে পৰাই চেষ্টা কৰি আছিলো।

শেষাংশ ১ পৃষ্ঠাত

## সোণালী সন্ধিক্ষণত জ্যোতি চিত্ৰবন

বিশ্বমানৱৰ সা-সঁজুলি তৈয়াৰ কৰি জ্যোতি চিত্ৰবনক নতুন ৰূপ দিয়াৰ প্ৰয়াস কৰিছো। চলচ্চিত্ৰ নিৰ্মাণকাৰীসকলক ৭০ শতাংশলৈকে ৰেহাই দিয়াৰ কথাও ভাবিছো। সেইদৰে ডিজিটেল আৰ্কাইভ উন্নীত কৰাৰ চিন্তা কৰা হৈছে য'ত পুৰণি চলচ্চিত্ৰ অথবা গীতসমূহ থাউকতে পোৱাকৈ বিজ্ঞানসন্মত ব্যৱস্থাৰে সংৰক্ষণৰ ব্যৱস্থা কৰা হ'ব। মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়া আৰু সাংস্কৃতিক মন্ত্ৰী নৱ দলে ডাঙৰীয়াৰ ঐকান্তিক প্ৰচেষ্টা আৰু সহযোগিতাত এতিয়া জ্যোতি চিত্ৰবনে নতুন ৰূপ পাইছে। বিগত ত্ৰিশ বছৰ ধৰি ৰং-তেল নলগাকৈ থকা দেৱালত ৰং লাগিছে ন ন পৰিকল্পনাৰে জ্যোতি চিত্ৰবনক নতুনকৈ সজাই তোলা হৈছে। লক্ষ্যণীয়ভাৱে বিগত ছয়-সাতমাহ পৰ্যন্ত দৰমহা নোপোৱাকৈ থকা কৰ্মচাৰীয়ে এতিয়া নিয়মীয়াকৈ দৰমহা পাবলৈ আৰম্ভ কৰিছে। এয়া নিশ্চয় ইতিবাচক খবৰ।

শেষাংশ ১ পৃষ্ঠাত

## এয়া ঐক্যৱদ্ধভাৱে যুঁজাৰ সময়

সন্দৰ্ভত নতুন দিল্লীত অনুষ্ঠিত বৈঠকত ফেব্ৰুৱাৰীৰ শেষ ভাগত অসমলৈ যুটীয়া সংসদীয় কমিটী অসমলৈ অহাৰ যি সিদ্ধান্ত লোৱা হৈছে সেয়া আদৰণীয়। কিন্তু কথা হৈছে আমি এই সম্পৰ্কে এটাই আহ্বান জনাম যে কমিটীৰ সদস্যসকলে অসমলৈ আহি যথেষ্ট সময় দি সকলোৰে মতামত সংগ্ৰহ কৰা উচিত। কিয়নো খৰখেদাকৈ আহি খৰখেদাকৈ গুচি যোৱা মানে হ'ব কেৱল আনুষ্ঠানিকতা ৰক্ষাৰ কচৰত। আমি ইতিমধ্যে মাননীয় ৰাষ্ট্ৰপতি মহোদয়ক এই বিধেয়কৰ বিৰুদ্ধে ৰাজহুৱা স্বাক্ষৰ সম্বলিত স্মাৰক পত্ৰ প্ৰেৰণ কৰিছো। পৰৱৰ্তী সময়ত ৰাজ্যজুৰি সজাগতা সৃষ্টিৰ বাবেও পৰিকল্পনা কৰিছো। আমি সকলো দল-সংগঠনৰ এই ক্ষেত্ৰত সহযোগ বিচাৰিছো। কিয়নো এয়া হৈছে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে এই বিধেয়কখন আনি হিন্দু-বঙালীক ৰঙা দলিচা পাৰি খিলঞ্জীয়াৰ অস্তিত্বৰ প্ৰতি যি ভাবুকি কঢ়িয়াই অনাৰ ষড়যন্ত্ৰ ৰচিছে তাক প্ৰতিহত কৰাৰ উপযুক্ত সময়। এয়া প্ৰকৃতাৰ্থত জাতীয় অস্তিত্ব ৰক্ষাৰ স্বাৰ্থত ঐক্যবদ্ধভাৱে যুঁজাৰ সময়।

৯ পৃষ্ঠাৰ পৰা

# আপুনি আপোন বন্ধু আপুনি আপোন শত্ৰু

আমাৰ দৃষ্টিত ধনমইনা আছিল অতিকৈ প্ৰতিভাশালী আৰু মেধাৱী ছাত্ৰ। সৰুৰে পৰা তেওঁৰ ব্যৱহাৰ-পাতি অত্যন্ত ভাল আৰু মৰমীয়াল স্বভাৱৰ আছিল। সেই সময়ছোৱাতে তেওঁৰ এটা এটাকৈ প্ৰতিভা বিকশিত হৈ উঠিছিল। খুব ভাল টেনিচ খেলিব পাৰিছিল, ডিবেচত নাম কৰিব পাৰিছিল আৰু গানো গাইছিল। আমি বুজি উঠিছিলো যি মূলা বাঢ়ে তাৰ দুপাততে চিন। মেট্ৰিক পৰীক্ষাত অসমৰ ভিতৰতে দ্বিতীয় স্থান পোৱা বাবে তাৰ গুণত সকলোৱে পঞ্চমুখ হৈ পৰিছিল। সি কটন কলেজৰ পৰা হায়াৰ ছেকেণ্ডাৰী, খড়গপুৰৰ পৰা ইঞ্জিনীয়াৰিঙ পাচ কৰি বাংগালুৰৰ পৰা আই আই এমৰ পৰা এম বি এ পাচ কৰি ৰেকৰ্ড ব্ৰেক কৰিছিল। লগে লগে মুম্বাইৰ মাল্টিনেচনেল কোম্পানী এটাত ইমান ভাল চাকৰি এটাত সোমাইছিল যে সি পোৱা অবিশ্বাস্য দৰমহা আৰু বাকী সুবিধাবোৰ দেখি সকলোৰে চকু গৈ ওপৰত উঠিছিল। আৰু চাকৰিও চাকৰি এনেকুৱা চাকৰি এবছৰ ট্ৰেইনিং লোৱাৰ পিচৰ পৰা কোম্পানীৰ কামতে গোটেই পৃথিৱীখনেই ভ্ৰমি ফুৰিব লাগিছিল। এনেহেন দৰা পাই ছোৱালীজনীক খুব ভাগ্যৱতীৰ দৰে লাগিছিল, কেইজনী ছোৱালীৰ ভাগ্যত এনে দৰা মিলিছে? বিয়াৰ পিচত মনাসিচাৰ মন আনন্দেৰে নধৰা হৈছিল। স্বামীৰ লগে লগে কোম্পানীৰ কামতো তায়ো গোটেইখন ভ্ৰমি ফুৰিছিল। বিদেশলৈও ৩/৪ বাৰ মানকৈ গৈছিল। পিচলৈ তাইৰ আমুৱাইছিল, এজনী উচ্চশিক্ষিতা চাকৰিৰ অৰ্হতা থকা ছোৱালী হিচাবে তাইৰো চাকৰিত সোমাবলৈ প্ৰবল হেঁপাহ জন্মিছিল। স্বামীৰ সহগযোগত মুম্বাইতে এটা ভাল চাকৰিও হৈ গৈছিল। স্বামীৰ যিহেতু মুম্বাইতে প্ৰধান অফিচ, বছৰৰ ৩/৪ মাহ তেওঁ পত্নীৰ লগত থাকিবলৈ আহিব পাৰিছিল। স্বামীৰ পৰা অপৰ্য্যাপ্ত টকা পইচা গাড়ী ড্ৰাইভাৰ বিলাসী আচবাৰৰ সৈতে ঘৰ দুৱাৰ পালেও মনালিচাই নিজৰ চাকৰিটো খুব আন্তৰিকতাৰে কৰিছিল আৰু কেৰিয়াৰৰ প্ৰতি মনোযোগ দিছিল। প্ৰথম অৱস্থাত বিয়াৰ পিচত ঘূৰি ফুৰিব লগা হোৱা বাবে, পিচত চাকৰিৰ বাবে সন্তান কামনা কৰা নাছিল। দুয়োজনে দূৰে দূৰে থাকিব লগা হোৱাত মনত যথেষ্ট কষ্ট অনুভৱ হৈছিল যদিও সকলো ঠিকে ঠাকেই চলি গৈছিল। ফোন যোগেৰেই স্বামী-স্ত্ৰীৰ মাজত মৰম, ভালপোৱা, প্ৰেম অটুট আছিল। বিশেষকৈ দিনটোত কিমানবাৰ যে ধনমইনাই স্বামীৰ দায়িত্ব পালন কৰি পত্নীৰ খা-খবৰ লৈছিল তাৰ লেখ-জোখ নাই। আঁতৰত থাকিও পত্নীৰ প্ৰতিটো বিষয়ৰ প্ৰতিও বৰ সজাগ আছিল। মনালিচাক মৰম সাগৰত ডুবাই ৰখাৰ কাৰণেই স্বৰ্গসুখ পোৱাৰ দৰেই তাই অনুভৱ কৰিছিল। ফোনৰ যোগেও স্বামীৰ পৰা মানসিক সহচাৰ্য পোৱাৰ উপৰিও তাইৰ ঘৰ সংসাৰ সুকলমে কৰিবলৈ এজনী দিনে ৰাতিয়ে থকা শিক্ষিতা পৰিচাৰিকা, ভাত ৰান্ধনি আৰু ড্ৰাইভাৰৰো বন্দবস্ত কৰি দিছিল স্বামীয়ে। মুম্বাই হেন মহানগৰীত এই সুখবোৰ মনালিচা অকলেই ভোগ নকৰি প্ৰায় শহুৰ-শাহু বা তাইৰ মাক-দেউতাকক নিমন্ত্ৰণ কৰি তাইৰ লগত সংগ দিবলৈও আৰু বিনোদনৰ বাবেই বাৰে বাৰে তাইৰ ঘৰলৈ গৈ এমাহ ডেৰমাহ আৰাম কৰি থাকি আহিছল।

এবাৰ ধনমইনাই বিদেশৰ পৰা তিনি চাৰি মাহৰ বাবে মুম্বাইলৈ থাকিবলৈ আহোঁতে তাৰ সৰুকালৰ তিনিজন বন্ধুকো খুব আদৰ-সাদৰকৈ ঘৰলৈ মাতি আনি ৰাখিছিল। বন্ধু বৎসল হিচাপে আগৰে পৰাই তাৰ খ্যাতি আছিল। বন্ধু কেইজন ইঞ্জিনীয়াৰ যদিও ধনমইনাহঁতৰ ঘৰৰ ধৰণ কৰণ আদব কায়দা আৰু ইলাহী কাৰবাৰ দেখি বিচূৰ্ত্তি খাইছিল। ধনমইনাই সকলোকে গোৱাত তেওঁলোকৰ কোম্পানীৰ বীচ্চত থকা বৃহৎ বঙলাত চাৰিদিনৰ বাবে ৰাখিছিল। উদ্দেশ্য মাথো বিনোদন আৰু লগৰ সমনীয়াৰ লগত ফূৰ্ত্তি আনন্দত মতলীয়া হৈ থকাৰ মানস, যাতে মনালিচায়ো সেই স্ফূৰ্ত্তিৰ মাজত মন ঢালি আনন্দ উপভোগ কৰিব পাৰে। মানুহৰ টকা-পইচা সা-সুবিধা বিলাক উভৈনদী হ'লে তাক আপোনজনৰ লগত উপভোগ কৰিবলৈ পোৱাটো তৃপ্তি আৰু আনন্দ থাকে।

গোৱাত থাকোতেই আনন্দৰ ফূৰ্ত্তিৰ মাজতে মদৰ নিচাত এজন বন্ধুৱে ধেমালিতে মনালিচাক ক'লে, "তুমি পিচে জানানে নাজানা ই সৰুৰে পৰাই সাংঘাতিক ধৰণৰ প্ৰেমিক আছিল, প্ৰেমৰ কাৰণে সি যে কি নকৰিছিল।" মনালিচাই পেটে পেটে ভাবিলে তাই নাজানেনে স্বামী কেনে প্ৰেমিক পুৰুষ। ফোনত এতিয়াও কিমান সুন্দৰ সুন্দৰ প্ৰেমৰ কথা ক'ব জানে। তায়ো সমান ধেমালিতে কৈছিল— "কোৱাচোন কোৱা কেওঁৰ বিয়াৰ আগতেনো কিমান প্ৰেমিকা আছিল? মোক অৱশ্যে তাৰে কিছুমান প্ৰেম কাহিনী কৈছিল যদিও মই পাত্তা দিয়া নাছিলো।" এটাই ক'লে— সি ক্লাচ টেইনত থাতোকে এবাৰ ইংলিচ মেডামৰ প্ৰেমত পৰিছিল নহয়, সি অত্যন্ত চোকা আছিল বাবে মেডামে টেষ্ট পৰীক্ষাৰ পিচত তাৰ মূৰত আশীৰ্বাদ স্বৰূপে এটা চুমা খাইছিল, সি সেই চুমাৰ স্পৰ্শ অনুভৱ কৰি থাকিবলৈ কেইবাদিনো মূৰটোকে ধোৱা নাছিল। তাই ধেমালিতে কৈছিল— "পাগল আছিল নেকি"? আন এটাই ক'লে— "অ অ সি একেবাৰে প্ৰেম পাগল আছিল। সৰুৰে পৰাই তাৰ লেখজোখ নাই। এতিয়াও বিদেশত কি কৰি আছে একো ঠিক নাই, তুমি পিচে অকল তোমাৰ কেৰিয়াৰৰ কথা ভাবি এইদৰে অকলে একলে থাকি একো ভাল কাম কৰা নাই দেই। অৱশ্যে এই বিলাক কথা আজিকালি ভাতৰ লগত পানী খোৱাৰ দৰে, তোমাৰ কাৰণে সি ইমান কেয়াৰিং, তোমাৰ কি ভাগ্য এনে এজন মৰমিয়াল পাৰ্টনাৰ পাইছা। সিহঁতে ধৰিবই পৰা নাছিল, বৰ্ত্তমান উচ্চ স্তৰৰ আধুনিক সমাজখনৰ উটি ভাঁহি থকা ছোৱালীৰ নিচিনা মনালিচা নহয়। তাইৰ চৰিত্ৰৰ বিশেষ এক ব্যক্তিত্ব আছে। ভিতৰি ভিতৰি তাই জিকাৰ খাই গৈছিল যদিও বাহিৰত তাৰ প্ৰকাশ কণমানো হ'বলৈ নিদিছিল। তাই মানি থকা প্ৰেমৰ সংজ্ঞাৰ এতিয়া বহুত পৰিৱৰ্তন হৈছে নেকি? তথাপিও তাই ভাবি আছিল তাইৰ প্ৰেমিক স্বামী অকল তাইৰ নিজস্ব সম্পত্তি। পিচত যেতিয়া নিৰিবিলি পৰত অকলে থাকোতে স্বামীয়ে স্বীকাৰ কৰিলে হয়, এতিয়ালৈকে বিয়াৰ পিচতো বহুতৰে লগত তেওঁৰ সাময়িক প্ৰেম জাগি উঠাই নহয়, শাৰীৰিক সম্বন্ধও ঘটি গৈছে। দীৰ্ঘ দিন পত্নীৰ পৰা আতৰত থাকিব লগা হোৱাৰ কাৰণেই হৈছে যদিও নাজানে, অৱশ্যে অনবৰতে নিজকে দোষী দোষী অনুভৱো কৰি থাকে, নিজকে বহুবাৰ ধিক্কাৰ দিয়ে, তথাপিও কাৰ্যক্ষেত্ৰত পুনৰ একেই ভুলকেই কৰি পেলায়। ক্ৰমে ক্ৰমে তেওঁৰ মনলৈ খুব অনুশোচনা আহিছে, অৱশ্যে এইটোও সত্য পত্নীতকৈ তেওঁ কাকো সঁচা অৰ্থত ভাল পাব নোৱাৰে। তাই তেওঁৰ হৃদয়ৰ ৰাণী, কিয় বাৰে বাৰে নতুন নতুন নাৰীৰ প্ৰেমত পৰে, কিয় শাৰীৰিক সম্বন্ধ হয়, তাৰ পৰা কেনেকৈ ৰক্ষা পাব পাৰি সেইটোহে তেওঁৰ বাবে এতিয়া বিচাৰ্য বিষয় স্বামীৰ অকপচ স্বীকাৰোক্তিত মনালিচাৰ বুকুৰ ভিতৰখনত এটা দ ক্ষত বহি গৈছিল যদিও ধৰিব পাৰিছিল স্বামী অনুশোচনাত ভীষণ দ্বগ্ধ আৰু সেইবাবেই যেন বন্ধু কেইজনক নিমন্ত্ৰণ কৰি আনি তেওঁলোকৰ মুখেৰেই সেই কথা আবগত কৰাইছিল। মনালিচাৰ এনে লাগিছিল চকুৰ আগতেই তাইৰ সপোনৰ সংসাৰখন থানবান হৈ কাঁচঘৰৰ দৰে ভাঙি ডোখৰ ডোখৰ হৈ গ'ল। অৱশ্যে স্বামীৰ বিষয়ে দুই এচা কথা তায়ো জানিছিল যদিও একেবাৰে বিশ্বাস কৰা নাছিল। তথাপিও তাই একেবাৰে ভাগি পৰিব নিবিচাৰিলে। অনুশোচনাত দ্বগ্ধ স্বামীৰ মুখৰ ফালে চাই উপলব্ধি কৰিলে ক্ষমাৰ যোগেৰে

হ'লেও তাইৰ প্ৰাণপ্ৰতীম স্বামীক সজ পথলৈ আনিব লাগিব। তাৰ প্ৰথম প্ৰচেষ্টাটোৱেই হৈছে তাহাঁতৰ সংসাৰত এটা ইচ্যুৰ প্ৰয়োজন হৈছে। তাইৰ শহুৰ-শাহু আৰু মাক-দেউতাকেও তাকেই কামনা কৰি আছিল আৰু আটাইতকৈ কামনা কৰিছিল তাইৰ স্বামীয়ে। তাইহে কেৰিয়াৰৰ কথা ভাবি আগবাঢ়িব পৰা নাছিল। অৱশেষত তাই স্বামীক খুব কৌশলেৰে জনাই দিলে তাই অন্তঃসত্বা হ'বলৈও ৰাজী, কিন্তু স্বামীৰ চৰিত্ৰৰ কণমানো কথাই তাইক কিন্তু সাংঘাতিক ধৰণে বিচলিত কৰিব, কিবা কথা শুনিবলৈ পালেই তাই এবৰচন কৰাই পেলাব। চুক্তি মতেই কিছুনিৰ পিচতেই সেই দিন আহিল, কিন্তু ভাগ্যৰ কি বিড়ম্বনা, স্বামীৰ চৰিত্ৰৰ নুশুনিব লগা কিছু কথা তাইৰ কাণত পৰিল, দুখ আৰু খঙৰ অতিশৰ্যাত আগপিচ নাভাবি এবৰচন কৰাই পেলালে। এই কথাত স্বামীয়েও ভীষণ আঘাত পালে। তাইক যিমান পাৰি সিমান বুজালে, আৰু শপক খালে ইয়াৰ যাতে কেতিয়াও পুনৰাবৃত্তি নঘটে, তাৰ বাবে সৰ্বতো প্ৰকাৰে যত্ন কৰিব। তাই দ্বিতীয়বাৰলৈ পুনৰ মাতৃত্বৰ পথলৈ আগবাঢ়িল, পিচে পুনৰ সেই খবৰেই কাণলৈ আহিল, তাই দিক্ *শেষাংশ ২২ পৃষ্ঠাত*

১১ পৃষ্ঠাৰ পৰা

# বিষাদৰ বৰষুণ জীৱনৰ ৰ'দ

এই কাহিনীটো শুনাৰ পিছত ইলিচাৰ বহুত দুখ লাগিল। ইলিচাই বাকী থকা টকা খিনিৰে বাচন-বৰ্তন, কাপোৰ, খাদ্য সকলো কিনি আনিলে আৰু ভালকৈ আটাইকেইজনকে এসাজ খুৱালে। ইলিচাই ভাবিলে যে তেওঁ যদি ইয়াৰ পৰা গুছি যায় তেতিয়াহ'লে এইখিনি খাদ্যবস্তু শেষ হোৱাৰ পিছত মানুহকেইজনে কি খাব। ইফালে ইলিচাৰ মনত পৰিল যে বন্ধু ইফিমক গৈ থাকিবলৈ কৈছে আৰু অতি সোনকালে তেওঁক লগ ধৰাৰ প্ৰতিশ্ৰুতিও দিয়া হৈছে। ইলিচাৰ মনটো খেলিমেলি হ'ল। একো সিদ্ধান্ত ল'ব নোৱাৰি সেই জুপুৰী ঘৰটোতে মানুহ কেইজনৰ খোৱা-বোৱা ব্যৱস্থা কৰি ৰাতিটো তাতেই ৰ'ল। পিছদিনা ৰাতিপুৱা ইলিচাই সিদ্ধান্ত ল'লে যে মানুহকেইজনক যদি এইদৰে এৰি যোৱা হয়, কিছুদিন পিছত তেওঁলোকৰ আৰু একেই অৱস্থা হ'ব। কাৰণ পুনৰ খেতি চপাবলৈ এবছৰ লাগিব আৰু তেওঁলোকৰ মাটিবিলাকো বন্ধকিত আছে। এই ভাবি ইলিচাই হাতত থকা টকাকেইটাৰে অন্ততঃ এবছৰ চলিব পৰাকৈ আটা, চাউল, তেল আদি কিনি আনিলে। তেওঁলোকৰ মাটিখিনিও মোকোলাই দিলে। ইলিচাই দেখিলে তেওঁৰ লগত এতিয়া মাত্ৰ সাত ৰুবুলহে ৰ'ল আৰু সাত ৰুবুলেৰে জেৰুজালেমলৈ যোৱাতো অসম্ভৱ। এইবুলি ইলিচা জেৰুজালেম যোৱাৰ আশা বাদ দিলে আৰু ঘৰলৈ উভতি গ'ল।

ইফালে ইলিচাৰ বন্ধু ইফিমে কিছুদূৰ বাট যোৱাৰ পিছত ইলিচাক বাট চালে যদিও ইলিচাৰ দেখা দেখি নাই। কিবা অসুবিধাত পৰি হয়তো ইলিচা আহিব পৰা নাই বুলি ভাবি ইফিমে অকলেই জেৰুজালেমলৈ গ'ল। ইফিমে ভাবিলে পিছত হয়তো জেৰুজালেমত দুয়ো লগ হ'ব পাৰিব। ইফালে ইলিচা ঘৰলৈ ঘূৰি আহি সকলো কথা পাহৰি আগৰদৰে নিজৰ কামত লাগি গ'ল। মানুহে ইলিচাক সুধিলে তেওঁ কিয় ঘূৰি আহিল? লগত বন্ধু ইফিম ক'ত গ'ল? ইত্যাদি। ইলিচাই গোটেইখিনি টকা আদবাটতে হেৰাল বাবে গুছি অহা বুলি ক'লে। ইলিচাই কামত লাগি বহুতো খৰি গটালে। ডাঙৰ ল'ৰাজনেও চাকৰি পালে। মৌ বাহ বোৰতো যথেষ্ট পৰিমাণে মৌ সঞ্চিত হ'ল। চাৰিওফালে এক নদন বদন পৰিবেশ ইলিচাৰ ঘৰলৈ আহি পৰিল।

আগলৈ...

4 পৃষ্ঠাৰ পৰা

# জনগোষ্ঠীয় স্বায়ত্ব শাসন...

আত্মসাৎ কৰাত লাগিল। নামনি অসমত জনপ্ৰিয় এষাৰি কথা আছে — "মেনা গৰুহাল কেনে? আগৰহাল যেনে পাছৰ হালো তেনে।" এইষাৰ কথাৰ মাজেৰে জনগোষ্ঠীয় নেতৃত্বই কিদৰে দুৰ্নীতি পৰায়ণ, স্বাৰ্থপৰ মধ্যবিত্ত অসমীয়া নেতৃত্বৰ অনুকৰণ কৰিছে তাৰ ব্যাখ্যা দিয়া হৈছে। জনগোষ্ঠীয় ক্ষোভক এইদৰে স্বাৰ্থপৰ নেতৃত্বই বাৰে বাৰে পদাঘাত কৰাটো সহজ কথা হৈ পৰিছে। সঁচাকৈয়ে অসমীয়া মধ্যবিত্তই ইতিবাচক দিশত সামগ্ৰিকভাৱে নেতৃত্ব দিব নোৱাৰিলেও নেতিবাচক দিশৰে ঠিকেই আৰ্হি দেখুৱাই আছে। লগতে এইটো কথাও লক্ষ্য কৰা উচিত যে এই সকলোবোৰ জনগোষ্ঠীয় যুৱনেতাবোৰ এসময়ত আছুৰ গৰ্ভতে লালিত-পালিত হৈছিল। নিজ জনগোষ্ঠীৰ বিকাশৰ নামত স্বাৰ্থপৰ নেতাবোৰে প্ৰফুল্ল-ভৃগু-বৃন্দাবনৰ আৰ্হি গ্ৰহণ কৰি আছে। এনে এক প্ৰক্ৰিয়াৰ মাজেৰে আমি জনগোষ্ঠীয় স্বায়ত্ব শাসনৰ বেলিকা সংশয় আৰু সংঘাতৰ ছবিখন দেখা পাইছো। ছানচুমা খুংগুৰ বিচমুতিয়াৰীয়ে উত্ৰাৱল হৈ সংসদত প্ৰায়ে ঘোষণা কৰা "আই এম কামিং ফ্ৰম বড়োলেণ্ড" বোলা কথাবোৰৰে জনগোষ্ঠীয় সংঘাতবোৰক জীপাল কৰাৰ বাহিৰে অইন একো কৰা নাই। জাতীয়তাৰ নামত লুণ্ঠনৰ মজা কাৰ্বি, মিছিং নেতৃত্বতকৈ আনে ভালদৰে বুজিব নোৱাৰে। এচাম স্বয়ম্ভু নেতাৰ বাবে স্বায়ত্ব শাসনবোৰ ভেকো-ভাওনাত পৰিণত হোৱাটো অৱধাৰিত। সামগ্ৰিক বিচাৰত ঐক্য-সংহতি বিচৰা দল মতেহে সংশয় আৰু সংঘাত এৰাই চলিব পাৰে। স্বাৰ্থপৰ জনজাতীয় নেতৃত্বই ইতিমধ্যে জনগোষ্ঠীবোৰৰ সপোন ধূলিসাৎ কৰি দিছে। ভৰত নৰহৰ দৰে ডলাৰ বগৰীয়ে লুণ্ঠনৰ বাহিৰে অইন একো বুজি নাপায়। চৰ-চাপৰিত ওচমানীৰ ডকাইতি আন এক জনগোষ্ঠীয় বিড়ম্বনা বুলি ক'ব পাৰি। কিন্তু সকলো জনগোষ্ঠীৰে স্বাৰ্থপৰ আৰু লুণ্ঠনৰাজৰ প্ৰৱক্তাবোৰ কংগ্ৰেছৰ একো একোজন উজ্জ্বল নক্ষত্ৰ। এনে এক অৱস্থাত ৰাভা, বড়ো, দেউৰী, লালুং, মৰাণ, মটক, সোণোৱাল আৰু মিছিং স্বায়ত্ব শাসনৰ ভৱিষ্যৎ ধোঁৱাচাঙত পৰ্যবসিত হোৱাটো অৱধাৰিত। গোৰ্খালেণ্ড স্বায়ত্ব শাসনৰ পৰিসৰত আমি যি দেখিলো তাৰ পৰাই বুৰ্জোৱা ব্যৱস্থাৰ নেতিবাচক দিশবোৰ অনুধাৱন কৰিব। চাওতাল জনগোষ্ঠীৰ পশ্চিমবঙ্গৰ অন্তৰ্ভুক্ত অংশটো ঝাৰখণ্ডতকৈ যথেষ্ট আগবঢ়া। ইয়াৰ দ্বাৰা আমি ক'ব পাৰো যে একে জাতীয় নেতৃত্ব হ'লেও বিকাশ নহ'ব পাৰে। বৰঞ্চ মধ্যবিত্তীয় বিলাসিতাই নিম্নবিত্তৰ সপোনবোৰ ছাৰখাৰ কৰি দিয়ে। আমি কোনোমতে স্বায়ত্ব শাসনৰ বিৰোধী নহয়। কিন্তু তাৰ দ্বাৰা যে সৰ্বাঙ্গীন বিকাশৰ পৰিৱৰ্তে হিতে বিপৰীতে হৈছেগৈ, উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন জনগোষ্ঠীৰ দুৰ্দশাবোৰ দেখিলেই বুজিব পাৰি। মুঠতে এক সামগ্ৰিক চেতনাবোধ আৰু সংহতি অবিহনে সামগ্ৰিক শত্ৰুবোৰ চিনাক্ত কৰাটো টান সেতুবন্ধনৰ। যিকোনো জনগোষ্ঠীয়েই নিৰ্দিষ্ট একোটা অঞ্চলত আৱদ্ধ হৈ থকা নাই। একোটা নিৰ্দিষ্ট অঞ্চলৰ সকলো জনগোষ্ঠীয়েই অনগ্ৰসৰ হ'ব পাৰে। তেনে ক্ষেত্ৰত আঞ্চলিক স্বায়ত্ব শাসনৰহে প্ৰয়োজন। জনগোষ্ঠীয় স্বায়ত্ব শাসনতকৈ আঞ্চলিক স্বায়ত্ব শাসনহে বেছি কাৰ্যকৰী। তাৰোপৰি জনগোষ্ঠীয় স্বায়ত্ব শাসনে এচাম ৰঘুমলাৰ সৃষ্টি কৰাৰ বাহিৰে অইন একো কৰা নাই। সেইবাবেই কংগ্ৰেছে দীৰ্ঘদিনত সমস্যা বৃদ্ধি কৰাৰ বাহিৰে আন একো কৰা নাই। মীমাংসাৰ নামত নিত্য নতুন সমস্যাৰ উদ্ভৱ কৰাটো কংগ্ৰেছৰ ঐতিহ্য। সেয়েহে স্বায়ত্ব শাসনৰ লগে লগে শোষণ-বঞ্চনাৰ বিৰুদ্ধে যুঁজখনো শ্ৰেণীৱদ্ধভাৱে চলাই নিব নোৱাৰিলে নিঃস্বজনৰ মুক্তি নাহে। স্বায়ত্ব শাসনে সংশয় আৰু সংঘাত বৃদ্ধি কৰাটো ধ্ৰুৱপ। যিকোনো জনগোষ্ঠীয় স্বাৰ্থপৰ নেতৃত্বই নিজৰ স্বাৰ্থত নিত্য নতুন সংঘাত জাপি দিয়াটো খাটাং। কেতিয়াবা সি আইন জনগোষ্ঠীৰ লগত আৰু কেতিয়াবা আন্তঃজনগোষ্ঠীয় সংঘাতৰ সৃষ্টি কৰাটো নতুন কথা নহয়। বুৰ্জোৱা ব্যৱস্থাত স্বায়ত্ব শাসনো এক বাগাড়ম্বৰহে। ই সামগ্ৰিক বিকাশৰ বাধাহে দিয়ে, লগতে সূত্ৰপাত কৰে অইন ভ্ৰষ্টাচাৰৰ।

ফোন ঃ ৮৬৩৮৪৫৩০৩১

৬ পৃষ্ঠাৰ পৰা

## আমাৰ ঘৰখনৰ অভ্যন্তৰীণ প্ৰদূষণ

শোষণ কৰিব পাৰে। ই কেৰাচিন, ৰন্ধন গেছ আদিৰ দহনত ওলোৱা ফৰ্মেলডিহাইড শোষণ কৰিব পাৰে।

চোহোনাঃ এইজোপাতো আমাৰ ঘৰতো আছে ককা। মায়ে এইজোপাক এলয়বেৰা বুলিহে কয়। আজি মই এজোপা ঘৰৰ ভিতৰলৈকে নি থম। ককা কাগজ এখন দিব নেকি মই আপোনাৰ কথাখিনি লিখি লও।

বৰুৱাঃ অ' অ' দিছো ৰ'বা। (বৰুৱাই সৰু বহী এখন আনি পেন এটাৰ সৈতে চোহানাক দিয়েহি) ঘৃতকুমাৰীৰে ইংৰাজী নাম এলয়বেৰা। তোমাৰ মায়ে ঠিকেই কৈছে। এইজোপা চোৱা মানি প্লেণ্ট। ই বায়ুৰপৰা ফৰ্মেলডিহাইড আৰু ট্ৰাইক্ল'ৰ'ইথিলিন শোষণ কৰি লয়। সেইকাৰণে মই এইজোপা কাঠৰ আচবাবৰ কাষত আৰু শোৱনি কোঠাত ৰাখিছো।

চোহানাঃ ককা এইজোপা কি গছ বাৰু?

বৰুৱাঃ অ' এইজোপা চোৱাচোন সাইলাখ মকৰাৰ দৰে হয়নে? সেইকাৰণে ইয়াক মকৰা গছ বুলি কোৱা হয়। এইবিধ উদ্ভিদক বেছি পানীৰ দৰকাৰ নহয় কাৰণে ইয়াক টাবত গজাই মই ওলোমাই ৰাখিছো। বাহিৰৰ যান-বাহনৰ পৰা আহি ঘৰৰ ভিতৰত সোমোৱা কাৰ্বন মন'ইড আৰু গেছ হিটাৰৰ পৰা ওলোৱা ফৰ্মেলডিহাইড গেছ শোষণ কৰে। সেইকাৰণে ইয়াক বাথৰুম আৰু যান-বাহন চলাচল কৰা ৰাস্তাৰ ফালে থকা এইখন খিৰিকীত ওলোমাই ৰাখিছো।

মামুদঃ এইবিধ দেখোন ৰবৰ গছ। ইয়াৰ বনছাই কৰা গছজোপা ইমান সুন্দৰ লাগিছে। ছাৰে ক'ৰ পৰা আনিলে?

বৰুৱাঃ অ' এইজোপা বাবাই বাহিৰলৈ চাকৰি সক্ৰান্তত যাওতে লৈ আহিছিল। বায়ু নিৰ্মল কৰিবৰ বাবে এইবিধ আটাইতকৈ উত্তম গছৰ ভিতৰত পৰে। এইজোপা চোৱা শান্তিৰ ভেঁটফুল, সৌজোপা ইন্দ্ৰমালতী আৰু ইন্দ্ৰমালতীৰ কাষত থকা জোপাক চীনা সেউজীয়া বুলি কয়। (চোহানা আৰু মামুদে গছৰ পাতবোৰ চুই চাব ধৰে, গোন্ধ লব ধৰে।)

মামুদঃ ছাৰ এইকেইজোপাৰ বিশেষত্ব?

বৰুৱাঃ শান্তিৰ ভেঁটফুল আৰু ইন্দ্ৰমালতী জোপাই পৰিৱেশত থকা বেনজিন যৌগ আৰু ফৰ্মেলডিহাইড শোষণ কৰে ট্ৰাইক্ল'ৰ'ইথিলিন আৰু জৈৱ আৱৰ্জনা অপসাৰিত কৰাত সহায় কৰে। ইয়াক কাৰ্পেট, ৰবৰ আদি পৰা ঠাই, গেছ'লিন, ধূমপানৰ ধোঁৱা, প্লাষ্টিক, কৃত্ৰিম সূতা, পেইণ্ট, বাৰ্ণিছ আদি থকা পৰিৱেশত ৰাখিলে সুফল পোৱা যায়।

পেট্ৰ'চঃ (দুৱাৰ মুখৰ পৰা) অ' এইকেইজোপা আমাৰ চেত্ৰী ইঞ্জিনীয়াৰৰ ঘৰত লগাব কব লাগিব। নতুনকৈ ঘৰ ৰঙো কৰিছে, লগতে চেত্ৰীয়ে দিনে ৰাতিয়ে চিগাৰেট খাইয়েই থাকে।

বৰুৱাঃ (খং কৰি) হ'ব তই লোকৰ ঘৰৰ কথা চিন্তা কৰিব নালাগে। তই কবি কিবা এটা বুজিব কিবা এটা। মই চেত্ৰীৰ লৰাটোক সিদিনা আহোতে বুজাই দিছো। মোৰ কথা শুনি সি আইটায়েকৰ ঘৰৰ পৰা পুলি অনাও মোক দেখাইছে। তই খালি কোনজোপা গছ কিয় লগাব লাগে মনত ৰাখি থবি। পিছত তোক কামত দিব।

পেট্ৰ'চঃ আপোনাৰ কথা মোৰ চব মনত থাকে। মই কাম কৰি কৰি শুনি আছো নহয়। (কান্ধত থকা গামোচাৰে হাত মচি মচি যায়গৈ)

চোহানা ঃ ককা, সাপৰ দৰে দেখিবলৈ এইজোপাৰ নাম কি?

মামুদঃ এইজোপাক সৰ্পগুল্ম বুলিছে চাগে নহয় জানো ছাৰ?

বৰুৱাঃ হয় হয় সেইকাৰণে ইয়াৰ নাম স্নেক প্লেণ্ট। এইজোপা আৰু চীনা সেউজীয়াই পৰিৱেশত থকা বেনজিন যৌগ আৰু ফৰ্মেলডিহাইড শোষণ কৰে। ই কাৰ্বন মন'ইড আৰু ট্ৰাইক্ল'ৰ'ইথিলিনো অপসাৰিত কৰে। সেইকাৰণে কাৰ্পেট পৰা কোঠাৰ লগতে খোলা খিৰিকী, বাৰান্দা আদিত ৰখা ভাল।

মামুদঃ ছাৰ আপোনাৰ বাৰান্দাত ওলমাই থকাজোপা ডেইজী ফুল যেন লাগিছে?

বৰুৱাঃ তুমি ঠিক ধৰিছা। বাৰান্দাত থকাজোপা ডেইজী আৰু এইজোপা ডাম্ব কেন হয়। এই দুজোপাই বেনজিন, ফৰ্মেলডিহাইড আৰু ট্ৰাইক্ল'ৰ'উথিলিন শোষণ কৰে। ডাম্ব কেনক মুকলি ঠাইতকৈ ফাৰ্নিচাৰ থকা ঠাইত থ'লে বেচি ভাল হয়।

চোহানাঃ (বহীখনত কিবা গণ্টি কৰে) ককা ৰঙ্ব জোপাহে হ'ল আৰু দুজোপা।

বৰুৱাঃ সেই দুজোপা মোৰ ঘৰত নাই অ' আইজনী। বষ্টন ঢেকীয়া আৰু ইংলিছ আইভিয়ে জাইলিন, বেনজিন আৰু ফৰ্মেলডিহাইড বায়ুৰ পৰা শোষণ কৰি বায়ু নিৰ্মল কৰাত সহায় কৰে।

মামুদঃ ছাৰ এই উদ্ভিদৰ প্ৰায়বোৰেই দেখোন সহজলভ্য।

বৰুৱাঃ অ' যতে ততে পায়। মইতো কেইজোপামান চিভিল হাস্পাতালৰ গেটৰ কাষৰ পৰা আনি লগাইছো। এখন ঘৰৰ অভ্যন্তৰীণ প্ৰদূষণ নিৰ্মূল কৰিবলৈ ইয়াৰ চাৰিজোপামান থাকিলেই যথেষ্ট। ব'লা এতিয়া বাহিৰতে বহোঁগৈ।

চোহানাঃ ককা গছবোৰৰ পাত চিঙাতকৈ ফটোকে তুলি নিও নেকি? নহ'লে মই কোনটো কি আছিল পাহৰি থাকিম।

বৰুৱাঃ ভাল চিন্তা কৰিছা। নিয়া নিয়া ফটোকে উঠাই নিয়া।

চোহানাঃ আব্বা তোমাৰ ফোনটো দিয়াচোন।

(মামুদৰ পৰা ফোনটো লৈ আতাইবোৰ গছৰ একপিকৈ ফটো তুলে)

মামুদঃ ব'লা চোহানা। বহু দেৰি হ'ল, মাৰাই চাগে চিন্তা কৰি আছে। মই বজাৰলৈও যাব লাগিব নহয়।

চোহানাঃ (ম'বাইলটো চাই) মায়ে তোমালে প্ত টা মিছকল মাৰিলে তুমি হ'বলা ম'বাইল চাইলেণ্ট কৰি থৈছিলা?

বৰুৱাঃ যোৱা মামুদ, বোৱাৰী চাগে ভাত বনাই ৰখি আছে।

মামুদঃ হয় ছাৰ। চোহানা আহা। কিবা থাকিলে ছাৰৰ ওচৰলৈ আকৌ আহিবা।

চোহানাঃ ককা কলমটো লওক। মই এইবাৰ এইটো বিষয়ৰ ওপৰতে প্ৰকল্প কৰিম। কিবা অসুবিধা হ'লে সুধিম দেই ককা।

বৰুৱাঃ সুধিবা মাজনী, তোমালোকৰ পৰাহে এইবোৰ খবৰ বেছিকৈ মানুহে বুজিব আৰু শুনিব। তোমাৰ দৰে কিশোৰীয়ে এইবোৰ বিষয়ৰ ওপৰত প্ৰকল্প কৰিব বিচৰাটো সমাজখনৰ কাৰণে এক শুভ-বাৰ্তা কঢ়িয়াই আনিছে বুলি ক'ব পাৰি।

চোহানাঃ আইটা, পেট্ৰ'চ দাদা আহো দেই। (বৰুৱানী ওলাই আহে)

বৰুৱানীঃ অ' যোৱা যোৱা। মই তোমাৰ ককাৰ কাৰণে জলপান বনাই আছিলো।

মামুদঃ পেট্ৰ'চ (চিঞৰি কয়) তই ৰেডি হৈ থাকিবি। মোৰ বাইকৰ হৰ্ণ শুনিলেই ওলাই আহিবি।

পেট্ৰ'চঃ (ঘৰৰ ভিতৰৰ পৰাই চিঞৰে) হ'ব ছাৰ আপুনি যাওক।

বৰুৱানীঃ (বৰুৱাৰ মুখলৈ চাই) আজি আপোনাৰ মুখখন বৰ সপ্ৰতিভ যেন লাগিছে।

বৰুৱাঃ হয় অ' মানুহে পেপাৰে পত্ৰই পঢ়ি হাতে কামেযে নকৰে তাৰে প্ৰমাণ আমাৰ মামুদৰ দৰে পাঠক সকল। সি প্ৰবন্ধটো পঢ়িছিল কিন্তু গুৰুত্ব দিয়া নাছিল। চেত্ৰীকো কিমান কলো সি গুৰুত্বই নিদিলে। মামুদৰ ছোৱালীজনী, চেত্ৰীৰ ল'ৰাটোৱেহে গুৰুত্ব দিলে। চেত্ৰীৰ ল'ৰাটো, চোহানাৰ দৰে উঠি অহা নৱপ্ৰজন্মই গুৰুত্ব দিলেহে যদি সমাজখনৰ কিবা এটা পৰিৱৰ্তন হয়। পেপাৰে পত্ৰই লেখাতকৈ এই নতুন চামক হাতে কামে শিকাবলৈ কিবা এটা অনুষ্ঠান মই গঢ় দিমেই। নতুন কিবা এটা কৰাৰ চিন্তাই মোক আজি পুলকিত কৰি তুলিছে। পেট্ৰ'চ, অই পেট্ৰ'চ . . .

পেট্ৰ'চঃ কি হ'ল ককা (উধাতু খাই আহে) তই আজি মাছৰ লগতে খাহী মাংস অলপো লৈ আহিবি। বহুত দিন বেমাৰ বুলিয়েই খোৱা নাই। এদিন খালে একো নহয় যা। এতিয়া আৰু বেমাৰক পাত্তা নিদিও, চোহানাৰ দৰে শিশু সকলক লৈ সমাজত বিজ্ঞান সানসিকতা গঢ় দিয়াৰ কাম কৰিম বুলি আজি ঠিৰাং কৰিলো।

(বৰুৱাৰ স্ফূৰ্তিৰে উজ্জ্বল হোৱা মুখখনলৈ বৰুৱানী আৰু পেট্ৰ'চে একেথৰে চাই থাকিল)

---

১১ পৃষ্ঠাৰ পৰা

## ঠাকুৰ মাৰ চকুলো

তেখেতে কেতিয়া যে নীতাৰ 'ঠাকুৰ মা' হৈ পৰিল তাই ধৰিবয়ে নোৱাৰিলে। ঠাকুৰ মায়ে দুয়ো ঘৰৰ মাজত থকা দুৱাৰখন খুলি সেইফালেদিয়েই অহা-যোৱা কৰিব ধৰিলে। নীতাই মন কৰিলে ঠাকুৰ মায়ে সদায় আধাঘণ্টামান থাকি খৰখেদাকৈ যাবলৈ ওলাল।

নীতাই মানসক ঠাকুৰ মাৰ বিষয়ে কোৱাত তেওঁ মিচিকিয়াই হাঁহি ক'লে— তোমাৰ খুউব ভালেই হৈছে দিয়া, এগৰাকী ধুনীয়া বান্ধৱী পাইছা যি গৰাকীক মনৰ কথা ক'ব পাৰিছা। মানসৰ কথা শুনি তাই খং উঠি উচাট্ মাৰি আগফালৰ বাৰাণ্ডালৈ গৈ ফুলি থকা ফুলবিলাকলৈ চাই চাই বিভোৰ হৈ পৰিল।

নীতা যোৱাৰ দুমাহমানৰ ভিতৰত ঠাকুৰ মা কেইবাবাৰো তাইৰ ঘৰলৈ আহিল। নীতাক বিভিন্ন ধৰণৰ ধুনীয়া নিৰামিষ আঞ্জা ৰান্ধিবলৈ শিকালে। কথাৰ মাজতে ঠাকুৰমায়ে হঠাৎ নীতাক ক'লে— 'মামনি, মই যে ইয়ালৈ আহোঁ তুমি বোৱাৰীক নক'বা। মই গ'লে দুৱাৰখন তোমালোকৰ ফালে মাৰি থ'বা। ঠাকুৰমা সাঁথৰ হ'ল। ঠাকুৰ মা যোৱাৰ পিছতো তাইৰ নিজৰ মনতে প্ৰশ্ন উদয় হ'ল— শাহু-বোৱাৰীৰ মাজত সংঘাট আছে নেকি বাৰু? নাই সেয়া তাইৰ ভ্ৰান্ত ধাৰণাহে নেকি? কাৰণ বোৱাৰীজনীও কথাই-বতৰাই ইমান ভাল।

এদিন ঠাকুৰ মা দুপৰীয়া সময়ত বহুত সময় বহাকৈ আহিছিল। নীতাই হাঁহি হাঁহি ক'লে— 'কি ঠাকুৰ মা আপোনাৰ অজি দৌৰা দৌৰি নাই নেকি? তেখেতে ক'লে— 'মামনি, মই আজি মোৰ জীৱনৰ বহুতো কথা তোমাক ক'ম। তুমি বহা। মোৰ বোৱাৰী আজি বান্ধৱীবিলাকৰ লগত চক্ৰশীলালৈ গৈছে।' তেখেতে ক'বলৈ আৰম্ভ কৰিলে— 'আমাৰ ঘৰ আছিল পূৰ্বাঙ্গৰ খুলনা চহৰৰ দাঁতিত। আমি যৌথ পৰিয়ালত বৰ আনন্দৰে আছিলো। মাটি-বাৰী, খেতি-বাতি, গৰু-ছাগলীৰে আমাৰ এখন ভৰপূৰ সুখৰ সংসাৰ আছিল। মোৰ স্বামী ল'ৰা দুটা সৰু থাকোতেই ঢুকাইছিল। ডাঙৰ ল'ৰাটো নৱম শ্ৰেণী আৰু সৰুটো সপ্তম শ্ৰেণীত পঢ়ি থাকোতে খুলনা চহৰত উঠা এটা গুজবৰ ফলত এৰাতিতে হাজাৰ হাজাৰ হিন্দু লোকক হত্যা কৰা হৈছিল। মই ভীতিগ্ৰস্ত হৈ সিহঁত দুটাক বৰদেউতাকৰ লগত সৰুতেই ভাৰতলৈ পঠিয়াই দিলো। তেতিয়াৰ পৰা সিহঁতে ভাৰততে পঢ়ি-শুনি আজিলৈকে চাকৰি কৰি আছে।

মামনি হিন্দু-মুছলমানৰ ঐক্য ধ্বংস কৰিবলৈ মিলিটাৰী শাসকবৰ্গই অহৰহ চেষ্টা কৰিছিল। সাধাৰণ হিন্দু-মুছলমানৰ মাজত কোনো বিদ্বেষ নাছিল। হিন্দু হত্যাযজ্ঞৰ বিপক্ষে প্ৰতিৰোধ গঢ়িবলৈ যাওঁতে বহুতো মুছলমানে নিজৰ জীৱন বলিদান দিছিল। বাংলাদেশ ১৯৭১ চনত স্বাধীন হোৱাৰ আগৰে পৰা পাকিস্তানী সৈন্যই কৰা বৰ্বৰ অত্যাচাৰৰ কথা মনত পৰিলে আজিও মোৰ গাৰ নোম শিয়ৰি উঠে। বঙালী বিষয়া, কৰ্মচাৰী জ্ঞানী লোক আৰু ডেকা ল'ৰাৰ ওপৰত খুব বেছি ধৰণে অত্যাচাৰ আৰম্ভ হৈছিল। লাহে লাহে বঙালীৰ ওপৰত কৰা অত্যাচাৰে হিন্দু নিধনৰ ৰূপ ল'লে। হিন্দুৰ দোকান, ঘৰবোৰৰ আগফালে হালধীয়া ইংৰাজী 'এইচ' আখৰটোৰে চিহ্নিত কৰা হ'ল। যাতে পাকিস্তানী সৈন্যই সহজে আক্ৰমণ কৰিব পাৰে। মামনি, মাইকী মানুহ আৰু ছোৱালীৰ ওপৰত নিৰ্যাতন আৰু শ্লীলতা হানিয়ে ভয়ানক ৰূপ ল'লে। কথাবোৰ কৈ থাকোতে ঠাকুৰ মা উত্তেজিত হ'বলৈ ধৰিলে, মানুহগৰাকী ঘামি যোৱা দেকি নীতাই তৎক্ষণাত পানী এগিলাচ আনি খাবলৈ দি বিচি দিলে। ঠাকুৰ মা অলপ ৰৈ আকৌ ক'বলৈ আৰম্ভ কৰিলে যেন চকুৰ আগতে ভয়ানক দৃশ্যবোৰ দেখিছে আছে। ঢাকা, কুমিল্লা, চিটাগং, আমাৰ কাষৰ খুলনা চহৰত লাখ লাখ হিন্দু লোকক হত্যা কৰা হৈছিল। আমাৰ ঘৰ জুই লগাই দিলে। চাৰিওফালে মৃত্যুৰ বিভীষিকা, প্ৰাণৰ ভয়ত পৰিয়ালৰ একপি ফটো আৰু সোণখিনি লৈ শ শ লোকৰ লগত পলাই তেওঁলোকৰ পিছে পিছে চুকনগৰ গৈ ভাৰতলৈ পলাবলৈ আৰম্ভ কৰিলো। আমি নাজানো ৰাস্তা কোনফালে। মাথো আগৰ মানুহৰ পিছে পিছে যাবলৈ ধৰিলো। মামনি, মৃত্যুৰ পৰা বাচিবলৈ পলাইছিলো, কিন্তু দুৰ্ভাগ্যই আমাক এৰি নিদিলে। মাজনিশা আমি কিছুমান লুণ্ঠনকাৰীৰ হাতত পৰিলো, সিহঁতে বহুতকে হত্যা কৰিলে। দুজনমানে মোক কি আনিছ নে নহ'লে হত্যা কৰিম বুলি কোৱাত বুকুত বান্ধি অনা সোণৰ টোপোলাটো দি দিলো। অলপমান সোণ আৰু সৰু ফটো এখন শাৰীৰ আন এটা খোচনিত আনিছিলো যদিও আন এটা দলে মোক চৰিয়াই, ভুকুৱাই নঙঠা কৰি বাকী থকা সোণখিনিও লৈ গ'ল। ৰৈ গ'ল মাথো ফটোকপি। মই পৰিয়ালৰ মানুহখিনিৰ পৰা বিচ্ছিন্ন হৈ পৰিলো। নীতাই দেখিলে ঠাকুৰ মা বিহুল হৈ পৰিছে। সেহাই সেহাই ক'লে— আমি যদি এদিন পিছত চুকনগৰৰে আহিলোহেঁতেন তেতিয়াহ'লে ময়ো গণহত্যাৰ পৰা বাচি নগ'লোহেঁতেন। ভোকে-পিয়াহে জৰ্জৰিত কৰা দেহাৰে সাৰ্তখৰা হৈ পশ্চিমবংগত সোমালো। মোৰ ল'ৰা দুটাই বিচাৰি বিচাৰি মোক শৰণাৰ্থী শিবিৰৰ পৰা লৈ আহিল। বাতৰি শুনি শুনি মই আহিম বুলি সিহঁতে ভাবিবই পৰা নাছিল। সিহঁত দুটাক বহুত বছৰৰ মূৰত পাই মই একো ক'ব পৰা নাছিলো। কেৱল সিহঁতক সাৱটি ধৰি কান্দিছিলো।

নীতাই ঠাকুৰ মাৰ অশান্ত মনৰ যন্ত্ৰণাৰ কথা বুজিব পাৰিছিল। তেখেতক সান্ত্বনা দিবলৈ বহু যত্ন কৰিলে তাই। ক'লে ঠাকুৰ মা আপুনি এতিয়া দুই পুত্ৰৰ লগত আছে যেতিয়া একো ভয় নাই। আপোনাৰ দেশ স্বাধীন হ'ল, শান্তি আহিল। যি হৈ গ'ল সেয়া দুঃস্বপ্ন বুলি পাহৰি যাওঁক। বুজনিৰ মাজতে হঠাৎ ঠাকুৰমায়ে চকুলো মচি আহত অন্তৰেৰে কঠোৰ ভাষাৰে নীতাক ক'লে— 'তুমি মনে মনে থাকা। একো নাজানা। তোমাৰ জীৱনৰ অভিজ্ঞতা কম। এই বুলি কৈ তেওঁ মাজৰ দুৱাৰখনেৰে গুছি গ'ল। নীতাই চিঞৰি চিঞৰি ক'লে— ঠাকুৰ মা, মই কিবা ভুল কৰিছো নেকি ঠাকুৰ মা? ঠাকুৰ মা...। বৰ্তমান অৱস্থাৰ সুস্থিৰ জীৱন-যাপনৰ মাজতো অতীতৰ দুৰ্ভাগ্যৰ কথা পাহৰি যাব পৰা নাছিল বাবেই হয়তো তেওঁৰ ক্ষোভ আঁতৰি যোৱা নাই।

৭ পৃষ্ঠাৰ পৰা

# ৭১ বছৰীয়া ভাৱৰীয়া-ওজাপালিৰ...

শ্ৰীশ্ৰীৰাধাকৃষ্ণৰ বাৰোৱাৰী ৰাস মহোৎসৱত পোন্ধৰ বছৰ ভাৱৰীয়া নৃত্য পৰিৱেশন কৰি ডাইনাপালি প্ৰতাপ বেজবৰুৱাই এজন সুদক্ষ ডাইনাপালি হিচাবে প্ৰতিষ্ঠানসমূহৰ পৰা প্ৰশংসা পত্ৰ বুটলিবলৈ সক্ষম হয়।

১৯৭৭ চনত সদৌ অসম ভিত্তিত আয়োজিত বেলশৰত ভাওৰীয়া নৃত্য পৰিৱেশন কৰি বিষ্ণু ডাইনাপালি তৃতীয় বঁটা লাভ কৰে। ১৯৯৮ চনত এই গৰাকী সুদক্ষ ডাইনাপালিয়ে জাগাৰাৰ গোপালপুৰ চুবুৰীৰে নগেন বেজবৰুৱা নামৰ এজন যুৱকক ভাওৰীয়া ওজাপালিৰ ওজা হিচাপে, জগদীশ বেজবৰুৱাক ডাইনাপালি হিচাপে, ৰমেন বেজবৰুৱা, প্ৰদীপ বেজবৰুৱা আৰু তপন বৈশ্যক পালি হিচাপে নিৰ্বাচন কৰি ভাওৰীয়া ওজাপালিৰ এটি দল গঠন কৰি দি প্ৰশিক্ষণো দিয়ে। এই দলটিৰ গুৰিয়াল হিচাপে আজিও আছে প্ৰতাপ চন্দ্ৰ বেজবৰুৱা। তেতিয়াৰে পৰা আজিকোপতি এই দলটিক লৈ অসমৰ বিভিন্ন স্থানত ভাওৰীয়া ওজাপালি পৰিৱেশন কৰি সুনাম কঢ়িয়াই আহিছে। প্ৰায় আঠ বছৰ পূৰ্বে জাগাৰাৰ বুকুত আৰু শিশু ভাওৰীয়া ওজাপালি দলৰ জন্ম দিয়ে প্ৰতাপ চন্দ্ৰ বেজবৰুৱাই। এই গাঁওখনৰ গোপালপুৰ চুবুৰী নিবাসী হৰেন বেজবৰুৱাৰ বাৰ বছৰীয়া পুত্ৰ কিশোৰ বেজবৰুৱাক ওজা, সুকুমাৰ বৈশ্যক ডাইনাপালি, বিমল বৈশ্য, ৰঞ্জন বৈশ্য, নৰজিৎ তালুকদাৰ আৰু ৰঞ্জিত বৰুৱাক পালি হিচাপে লৈ এটি ভাওৰীয়া ওজাপালিৰ দল গঠন কৰি প্ৰশিক্ষণো দিয়ে। নাঁৱৰ গুৰিৰ বঠাৰ লেখিয়াকৈ সঠিক পথত অগ্ৰসৰ কৰি নি আহিছে এই শিশু দলটিক বেজবৰুৱাই। ইতিমধ্যে এই শিশু ওজাৰ দলটিয়ে স্থানীয় বিভিন্ন স্থানৰ লগতে তামুলপুৰত ভাওৰীয়া ওজাপালি পৰিৱেশনেৰে দৰ্শক ৰাইজৰ পৰা ভূয়সী প্ৰশংসা বুটলিছে। ইয়াৰোপৰি পূৰ্বে ১৯৬৭ চনতে প্ৰতাপ চন্দ্ৰ বেজবৰুৱাই নলবাৰী জিলাৰে বালিলেচাৰ প্ৰতাপ ডেকা নামৰ এজন লোকক ভাওৰীয়া ওজাপালিৰ ওজাৰ প্ৰশিক্ষণ দিয়ে। ইয়াৰোপৰি ২০০৫ চনৰ ৫ অক্টোবৰত প্ৰতাপ চন্দ্ৰ বেজবৰুৱাৰ দূৰদৰ্শন যোগে Documantary প্ৰচাৰ হোৱাৰ লগতে নিউজ লাইভ যোগে তেওঁৰ সাক্ষাৎকাৰ কেবাবৰো প্ৰচাৰ হৈছে। লুপ্ত হ'বলৈ ধৰা সংস্কৃতিটো জীয়াৰ ৰাখিবলৈ প্ৰচেষ্টা অব্যাহত ৰখা বেজবৰুৱাক জনকল্যাণমূলক অনুষ্ঠান 'হেঙুল হাইতালে' ২৩ ডিচেম্বৰ ২০১৩ ত ৰবীন্দ্ৰ ভৱন, গুৱাহাটীত এক অনুষ্ঠানযোগে সম্বৰ্দ্ধনা পত্ৰও জ্ঞাপন কৰে।

জীৱনৰ শেষ ভাগ পৰ্যন্ত ওজাপালি পৰিৱেশনৰ বাবে ডাইনপালি হিচাপে বন্ধপৰিকৰ হোৱা প্ৰতাপ বেজবৰুৱাই আজি শ্ৰৱণ শক্তিখিনি হেৰুৱাই পেলাইছে। প্ৰতিজন শিল্পীয়ে জীৱনত বিচাৰে ৰাইজৰ মৰম আৰু স্বীকৃতি। পিছে নিজৰ জীৱন কালত সেই মৰম স্বীকৃতি নাপালে মৰণৰ পিছত তেওঁৰ স্মৃতিত চকুপানী নিৰৰ্থক। ৭১ বছৰীয়া ভাওৰীয়া ওজাপালিৰ শিল্পী বেজবৰুৱাই বিগত বছৰবোৰত ওজাপালি পৰিৱেশনত ডাইনাপালি ৰূপত হাস্যকৰ কথাৰে দৰ্শকক হাঁহিৰ খোৰাক দি আহি আজি নিজেই কান্দিব লগা হৈছে জীৱনৰ শেষ চোৱাত আৰ্থিক দৈন্যত ভূগী। ৰজাঘৰৰ এধানিমান আৰ্থিক সাহায্যৰ বাবে সাধাৰণ শিল্পী পেঞ্চনখিনিৰ কাৰণে কেবাবৰো আবেদন-নিবেদন কৰিও শিল্পী পেঞ্চন লাভ কৰিব পৰাৰ সৌভাগ্য ঘটা নাই বেজবৰুৱাৰ। লোক-সংস্কৃতিৰ বৰ পথাৰত নিজকে সাপ দি প্ৰতাপ বেজবৰুৱাই কি পালে? এয়া আজি বেজবৰুৱাৰ লগতে ৰাইজৰ মাজত প্ৰশ্ন হৈ উঠিছে।

ফোন - ৯৮৫৯৪ ৬১১৫৭

৭ পৃষ্ঠাৰ পৰা

# সাম্প্ৰতিক কালত নাৰীৰ সামাজিক দায়বদ্ধতা

সমাজৰ প্ৰতি বিশেষ অৰিহণাও যোগাই অহা উদাহৰণ আছে। ইমান কম সংখ্যক নাৰীৰ দায়বদ্ধতাক সমূহ নাৰী জাতিৰ সজাগতাক নুবুজায়। সেয়েহে প্ৰতি গৰাকী নাৰীৰেই দায়িত্ব আৰু কৰ্তব্য আছে সমাজখনক ব্যভিচাৰ, শোষণ আৰু নিপীৰণৰ পৰা মুক্ত কৰিবলৈ। ইয়াৰ প্ৰধান দায়িত্ব হ'ল দেশৰ নাগৰিক সকলক প্ৰকৃত মানুহ হিচাপে গঢ়ি তোলাত সহায়ক হোৱা। মানুহৰ ব্যক্তিগত সামাজিক জীৱনৰ আধাৰ হ'ল পৰিয়াল। সমাজৰ পৰিয়ালেই হ'ল প্ৰাথমিক গোট। জীৱনৰ বুনিয়াদ গঢ়ি উঠে পৰিয়ালতেই।" আজিৰ শিশু কাইলৈ দেশৰ ধৰণী স্বৰূপ— এই কথা সৰোগত কৰি মাতৃসকলেই সৎ নাগৰিক হিচাপে শিশুক গঢ়ি তুলিব লাগিব। এগৰাকী মাতৃ এশজন শিক্ষকৰ সমান। এই কথাষাৰ মহাত্মা গান্ধীয়ে দঢ়াই দঢ়াই কৈ গৈছিল। মাতৃত্বৰ গধুৰ বোজা বহন কৰি সন্তানৰ চাৰিত্ৰিক দৃঢ়তা আৰু মানসিক শক্তি প্ৰদানৰ কৰাটো নিতান্তই আৱশ্যক। শিশুৰ অন্তৰ্নিহিত প্ৰতিভা বিকাশত মাতৃসকলেই আগভাগ ল'ব লাগিব।

আজিৰ এই বিশ্বায়নৰ যুগত পয়ালগা সামাজিক ব্যৱস্থাৰ বৈপ্লৱিক ৰূপত অৱসান ঘটাব নোৱাৰিলে সৎ শিক্ষা আৰু সুন্দৰ স্পন্দপূৰ্ণ সমাজৰ আশা কৰা আকাশ কুসুম কল্পনা হৈয়ে ৰ'ব। চৰকাৰে কোটি কোটি টকা ৰাইজৰ ৰাজহৰ ধনেৰে মানৱ সম্পদ গঢ়াত খৰচ কৰিছে। কুশিক্ষাৰ ফলত সেইবোৰ হৈ আছে অপচয় আৰু আত্মসাৎ। সমাজ বিবৰ্তন বিনে ইয়াৰ ৰূপান্তৰ অসম্ভৱ। আদৰ্শ সংস্কৃতি সম্পন্ন পৰিয়ালৰ বিপৰীতে সমাজত বিষলতা সদৃশ দেশৰ সকলো প্ৰান্ততে এক শ্ৰেণীৰ পৰিয়াল বৰ্তি আছে। আধুনিক সভ্যতাৰ নামতি কিছুমিন অপসংস্কৃতি গ্ৰহণ কৰি সমাজত বিশৃংখলতাৰ সৃষ্টি কৰে। শিক্ষিতৰ হাৰ সমাজত বাঢ়িছে যদিও সৎ আদৰ্শৰ মানুহ বৃদ্ধি হোৱা নাই। উচ্চ শিক্ষাৰে শিক্ষিত মহিলাসকলে বিভিন্ন অনুষ্ঠান, প্ৰতিষ্ঠানত কৰ্মৰত হৈও নিজৰ পৰিয়ালৰ, ওচৰ-চুবুৰীয়াৰ লগতে দেশৰ নৱ প্ৰজন্মক প্ৰণালীবদ্ধ জ্ঞান আৰু শিক্ষাৰে মানসিক শক্তিৰ বিকাশত অৰিহণা নজগালে আজিৰ যুৱ প্ৰজন্মক মানুহ ৰূপে গঢ়ি তুলিব নোৱাৰিব। এচাম সচেতন মানৱীয় গুণ সম্পন্ন মানুহে একাংশ শিক্ষিত ব্যক্তিক, তেওঁলোকৰ নিন্দনীয় কৰ্মৰাজিৰ বাবে ঘৃণা কৰিবলৈ আৰম্ভ কৰিছে। এজন শিক্ষিত লোক যেতিয়া ঘৃণাৰ পাত্ৰ হ'ব তেতিয়া তেওঁবিলাকক মূলসূতিলৈ ঘূৰাই অনাৰ দায়িত্ব থাকিব ঘৰৰ মহিলাগৰাকীৰ। সংস্কাৰ সাধনৰ নামত চৰকাৰে বিভিন্ন আয়োগ, আঁচনি গঠন কৰিলে, কিন্তু এইবোৰৰ প্ৰয়োগেহে বাস্তৱ ক্ষেত্ৰত নহল।

পৃথিৱীৰ নাৰীসকলৰ এটা সুকীয়া বৈশিষ্ট্য আছে। যিহেতু নাৰীসকল মাতৃ, ধাতৃ, শিক্ষক, গৃহিণী আৰু সুপথ দ্ৰষ্টা, সেয়েহে যি ভাবেৰেই হওক নিজৰ সন্তান সমাজৰ দেশৰ আৰু দহৰ কল্যাণৰ হকে আজিৰ যুগত আৰ্হি আদৰ্শ শিক্ষাৰে পুৰপুষ্ট হৈ গুৰি ধৰিব পাৰিলে নিশ্চয় এদিন অইন উন্নতিশীল ৰাষ্ট্ৰৰ দৰে আমাৰ দেশৰ নাম উজলাব পাৰিব।

সমাজ নহ'লে মানুহ জীয়াই থাকিব নোৱাৰে। সামাজিক দায়িত্ব পালনত নাৰীসকলৰ পূৰ্ণ সহযোগ অপৰিহাৰ্য। সমাজখনৰ মান নাৰীৰ মৰ্যাদাৰ দ্বাৰাহে নিৰ্ণয় কৰা হয়। যৌতুকৰ নামত নিৰপৰাধী জীয়ৰী-বোৱাৰীয়ে অত্যাচাৰ, উৎপীড়ন সহি মৃত্যুবৰণ কৰিব লগা হৈছে। সমাজ জীৱন দুষিত হৈ পৰিছে। ধৰ্ষণৰ নিচিনা অপৰাধ দিনে দিনে সংঘটিত হ'বলৈ ধৰিছে। চাকৰিৰ নামত প্ৰলোভিত এচাম যুৱতীয়ে দুষ্ট প্ৰকৃতিৰ মানুহৰ হাতত লাঞ্চিত হৈছে। এগৰাকী নাৰী আন এগৰাকী নাৰীৰ শত্ৰু। সেয়েহে সমাজত সুদক্ষ মহিলাৰ অভাৱত যৌতুকৰ দৰে ঘৃণনীয় কাৰ্য সমাজৰ পৰা এতিয়াও নিৰ্মূল কৰিব পৰা নাই। সুস্থ পাৰিপাৰ্শ্বিকতাৰ অভাৱ ঘটিছে। এইক্ষেত্ৰত কৰ্মৰত মহিলাসকলে গাঁৱে-নগৰে জাগৰণ সৃষ্টি কৰি সকলো শ্ৰেণীৰে মহিলাক আগবঢ়াই আনিব লাগিব। "চেষ্টাৰ অসাধ্য একো নাই।" এই মূলমন্ত্ৰ সৰোগত কৰি সমাজত দেখা দিয়া অসামাজিক কামবোৰ মষিমূৰ কৰাৰ বাবে সেইখন সমাজৰ লোকে অৰ্থাৎ পুৰুষ আৰু মহিলাই অতি সাৱধানে আৰু আন্তৰিকতাৰে চেষ্টা চলালে এনে দুষ্কাৰ্য সমাজৰ পৰা আঁতৰ হ'ব। যুক্তিনিষ্ঠ, ন্যায়সংগত কথাৰ ওপৰত সকলোৰে মূৰ দো খায়। লাগে মাথোন সুহৃদয় আৰু সমভাবপূৰ্ণ মনোবৃত্তি।

অভিজ্ঞতাৰ শিক্ষা আহৰণ কৰিব খোজা লোকে কেতিয়াও আনৰ সহায় বিচাৰিলৈ পৰাঙ্মুখ নহয়। যিয়ে নিজকে অতি জ্ঞানী বুলি গণ্য কৰি আনৰ পৰা একো শিকিবলৈ নথকা বুবি ভাবে, সি সংসাৰত কোনো সৎকাৰ্য বা মহৎ কাম সম্পাদন কৰিব নোৱাৰে। যিসকল আমাতকৈ বেছি জনা-বুজা আৰু অভিজ্ঞ লোক সেইসকলৰ সহায়ত শিক্ষা ল'ব লাগে। অভিজ্ঞতাৰ ফলবোৰ আমি জীয়াই থাকিলেহে লাভ কৰিব পাৰো। সময় হ'ল অভিজ্ঞতাৰ ফচল, জ্ঞানৰ উবৰ্বৰ ভূমি। বিফলতাৰ যোগেদিহে মানুহে বহুত বেছি সফলতা অৰ্জন কৰিব পাৰে। সজ উদ্দেশ্য এটাৰ সফলতা লাভ কৰোঁতে বিলম্ফ হ'ব পাৰে। কিন্তু যেতিয়া শেষত উদ্দেশ্য সাধন হয়, তেতিয়া তাৰ মূলতে থাকে প্ৰথম চেষ্টাত বিফল হোৱা সকল আৰু শেষত থাকে সফল হোৱাসকল।

সমাজত দেখা দিয়া কৰ্মবিমুখ সংস্কৃতি, ভোগ-বিলাসী জীৱন-যাপনৰ আগ্ৰহী আৰু অদূৰদৰ্শী মনোভাৱে এচাম লোকক স্বাৰ্থান্বেষী কৰি তুলিছে। সততাক সন্মান জনাব জানিলে সৎ আদৰ্শ তিস্তি থাকে। সৎ আদৰ্শ বিনষ্ট হ'লে সমাদ ধ্বংসৰ মুখলৈ গতি কৰে। সেয়েহে এনেস্থলন নাৰী পুৰুষৰ উভয়ৰে সৎ চিন্তা, সৎ আদৰ্শই সমাজ এখনক উচ্চাখাপলৈ লৈ যায়। ভোগবাদক প্ৰাধান্য নিদি প্ৰকৃত সততাৰ আধাৰত জীৱনক পৰিচালিত কৰিবলৈ শিকিলেই সমাজত নিকা ভাবমূৰ্তি প্ৰদৰ্শিত হ'ব। তেতিয়াহে সমাজৰ লগতে দেশৰ সৰ্বকোপ্ৰকাৰে কল্যাণ হ'ব।।

# কিছু সময় একান্ত নিজৰ...

প্ৰত্যাহ্বান হৈ পৰে। বিশ্বৰ বিভিন্ন প্ৰান্তত এই সমস্যাক লৈ বিভিন্ন ধৰণৰ গৱেষণা চলি আছে। বিভিন্ন ধৰণৰ গৱেষণাৰ ফলসমূহে এটা কথা বাৰে বাৰে প্ৰতীয়মান কৰি আহিছে যে, এই সমস্যাৰ স্থায়ী সমাধান কিন্তু ঔষধ সেৱনৰ দ্বাৰা পাব পৰা নাযায়। দেখাত বিৰাট ডাঙৰ এটা সমস্যা হ'লেও ইয়াৰ সমাধান কিন্তু আমাৰ প্ৰত্যেকৰে নিজৰ ওচৰতেই থাকে। বিজ্ঞানে প্ৰমাণ কৰিছে যে আমি সমগ্ৰ জীৱনকালত আমাৰ মগজুৰ অতি নিৰ্দিষ্ট পৰিমাণৰহে ব্যৱহাৰ কৰাত সমৰ্থ হওঁ। প্ৰকৃততেই আমাৰ মগজুত মানসিক শক্তিৰ এক অক্ষয় ভাণ্ডাৰ আছে যাক আমি সম্পূৰ্ণৰূপে ব্যৱহাৰ কৰিব পৰা নাই। আমি আমাৰ মানসিক সক্ষমতা বৃদ্ধিৰ জৰিয়তে নিজকে যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিব পৰাকৈ লাহে লাহে গঢ়ি তুলিব পাৰো। মানসিক সক্ষমতা বৃদ্ধিৰ বাবে আমি বিভিন্ন ধৰণৰ প্ৰক্ৰিয়া অৱলম্বন কৰিব পাৰো। নিয়মীয়াকৈ অভ্যাস কৰিব পৰা কিছু সৰু সৰু কাৰ্যপ্ৰণালী তলত উল্লেখ কৰা হ'ল —

ঃ সন্তুলিত আহাৰে আমাক বিভিন্ন ধৰণৰ শাৰীৰিক সমস্যাৰ পৰা মুক্ত কৰি ৰাখে। যিমান পাৰি লাহে লাহে চোবাই খোৱাৰ অভ্যাস কৰক। লাহে লাহে সম্পূৰ্ণকৈ চোবাই খালে অত্যাধিক ভোজনৰ অভ্যাসো নোহোৱা হয়।

ঃ নিশা অতি কমেও ছঘণ্টা শোৱাৰ অভ্যাস কৰক। শৰীৰ আৰু মনৰ ক্লান্তি আঁতৰ কৰাৰ বাবে পৰিপূৰ্ণ নিদ্ৰা অতিশয় দৰকাৰী। নিশা দেৰিলৈকে জাগি থাকি কাম কৰাৰ সলনি পুৱা সোনকালে উঠি কাম কৰাৰ অভ্যাস কৰক। পুৱাৰ ভাগত শৰীৰ আৰু মন দুয়োটাই সজীৱ হৈ থাকে বাবে কৰ্মক্ষমতা বহু পৰিমাণে বৃদ্ধি পায়।

ঃ প্ৰাণায়াম আৰু যোগাসনৰ অভ্যাস কৰক। পুৱা কিছু সময় প্ৰাণায়ম আৰু যোগাসনৰ অভ্যাস কৰিলে দিনটোৰ বাবে শৰীৰ আৰু মন দুয়োটাই সক্ৰিয় হৈ থাকে। ধ্যানৰ (মেডিটেচন) অভ্যাসে মনৰ একাগ্ৰতা আৰু সক্ষমতা বৃদ্ধি কৰে। কিছুসময়ৰ বাবে ধ্যান অৱশ্যেই কৰক।

ঃ গান শুনাৰ অভ্যাস কৰক। এটা ভাল গানে মনক পুনৰুজ্জীৱিত কৰি তোলে।

ঃ আনক সহায় কৰাৰ অভ্যাস কৰক। স্বাৰ্থবিহীনভাৱে কাৰোবাৰ বাবে কৰা অকণমান সহায়ে আপোনাক মানসিক অৱসাদৰ পৰা বাহিৰ কৰি আনে।

ব্যস্ততাপূৰ্ণ পৃথিৱীখনত আমি নিজৰ বাবে খুব কম সময়হে ৰাখো। দিনটোত ভিতৰত যেতিয়াই সময় পাই কিছুসময় নিজৰ সৈতে কটাওক। আপোনাৰ প্ৰিয় ৰং, প্ৰিয় ঠাই, প্ৰিয় কিতাপ আদি যিকোনো বিষয়ত মন দিয়ক। কিছুসময় চকুমুদি নিজৰ হৃদযন্ত্ৰৰ কম্পনকে অনুভৱ কৰক। আপোনাৰ নিজৰ সৈতে একাত্ম অনুভৱ কৰালৈকে চকুমুদি থাকক। নিজকে বহু উজ্জীৱিত অনুভৱ কৰিব।

এনেধৰণৰ বিভিন্ন সৰু সৰু অলেখ প্ৰক্ৰিয়া আমি প্ৰয়োগ কৰি নিজকে চাপমুক্ত কৰি ৰাখিব পাৰো। এই ধৰণৰ প্ৰক্ৰিয়াবোৰে আমাক লাহে লাহে মানসিক আৰু শাৰীৰিকভাৱে সবল কৰি আনে। প্ৰকৃতিয়ে প্ৰতিটো বস্তুকেই অতি ভৰাসম আৰু সংবদেনশীল হিচাপে গঢ়িথে। শৰীৰ আৰু মনৰ প্ৰতি আপোনাৰ মনোযোগে শৰীৰ আৰু মনকো আপোনাৰ প্ৰতি মনোযোগী কৰি তুলিব। **ফোন ঃ ৮০১১৫১৩৬৯৮**

*১৯ পৃষ্ঠাৰ পৰা*

# আপুনি আপোন বন্ধু আপুনি...

বিদিক্ শূণ্য দেখিলে, পুনৰ সেই পন্থাকে লোৱাই নহয় তাইৰ পত্নী সত্তাত খুব আঘাট লাগিল, অভিমানত হৃদয় ভাঙি থানবান হৈ গ'ল। তাই ঠিক কৰিলে স্বামীৰ পৰা অব্যাহতি ল'ব, যেনে ইচ্ছা তেনে কাম, এনেকৈয়ে যুগ্ম জীৱনৰ পৰিণতি ঘটিল। ঘনমইনাৰ বহুত অনুনয় বিনয়ও মনালিচাক ক্ষান্ত কৰিব নোৱাৰিলে। লৌকিকভাৱে কাগজে-পত্ৰই আইনৰ ধৰা বন্ধা নীতিৰে বিবাহ বিচ্ছেদ হৈ গ'ল, সম্ভৱ হ'ল মুম্বাইলৈ আহিলেও বেলেগ বেলেগ থকা, কিন্তু ইমানৰ পিচতো সম্ভৱ নহ'ল সিহঁতৰ দুয়োজনৰ মাজত থকা প্ৰেম আৰু মৰমৰ এনাজৰীডাল। ধনমইনাই আগৰ দৰেই মনালিচাৰ ফোনেৰে খা-খবৰ লোৱাৰ উপৰিও সমস্ত দায়িত্ব আগৰ দৰেই লৈ থাকিল। অভিমানী মনালিচাই বহু চেষ্টা কৰিও আন এখন ঘৰলৈয়ো যাব নোৱাৰিলে, ধনমইনাই নিদিলে। অ'তদিন এই বিলাসিতাপূৰ্ণ আৰামী ঘৰত তাই অভ্যস্থ হৈ গৈছিল।

এই সমস্ত খবৰবোৰ মই মোৰ বান্ধৱীৰ পৰা জানিব পাৰিছিলো। আমি দুয়োজনীয়ে কথা পাতো নতুন প্ৰজন্মৰ এই মানসিকতাৰ প্ৰকৃত সম্ভেদ আমি পাব নোৱাৰো নিশ্চয়। সিহঁতৰ মন জগতত কি চলি আছে সেইয়াও জনাৰ সাধ্য নাই। ইয়াৰ আগলৈকে জানি আছিলো বিবাহ বিচ্ছেদ মানেই স্বামী-স্ত্ৰীৰ মাজত অহিনকুল সম্বন্ধৰ কথা, দুয়োটায়ে দুয়োটোৰ ছাঁটোকে সহ্য কৰিব নোৱাৰে। কিন্তু ইহঁতৰ বেলিকা যেন সম্পূৰ্ণ বেলেগে। এক মুহূৰ্তৰ কাৰণেও মনালিচাই স্বামীক পাহৰিব নোৱাৰে, দ্বিতীয় এজন পুৰুষক লোৱাৰ কথা তাই কেতিয়াও ভাবিবই নোৱাৰে। ঠিক ধনমইনাৰো একেই অৱস্থা, হৃদয়ৰ ৰাণী কৰি এবাৰ সি যাক বহুৱালে পুনৰ সেই দৃষ্টিৰে আন কাকো চাব নোৱাৰে। অথচ সি এনে ভুলৰ পুনৰাবৃত্তি কৰিয়েই থাকে, অনুশোচনাত বাৰুকৈয়ে দগ্ধ হৈ গৈছে তাৰ হৃদয়। এতিয়া হেনো সি আৰ্ট অফ লভিঙৰ শৰণাপন্ন হৈছে, গীতা পঢ়িবলৈ লৈছে, মুঠতে সি নিজকে নিয়ন্ত্ৰণলৈ আনিবলৈ অসম্ভৱ যত্ন কৰি আছে। সিও হেনো এতিয়া বিশ্বাস কৰিবলৈ লৈছে এইটো এটা তাৰ ডিজিজ, তাৰ শিপাডাল সংস্কাৰ ৰূপত আত্মাৰ লগত জড়িত হৈ আছে। এই বিলাক কথা সৌ সিদিনালৈকে বান্ধৱীৰ পৰা শুনিয়েই আছিলো।

হঠাতে এমাহমানৰ আগতে বান্ধৱীয়ে ফোন কৰি জনালে ধনমইনা গুৱাহাটীলৈ আহিছে, তাইকো দেখা কৰিছে। তাই হেনো তাক দেখি হিয়া উজাৰি কান্দিছিল, সিও কান্দি কাৰিন্দ কৈছিল, "মই বাৰু কেনেকৈ মোৰ কৃতকৰ্মৰ পৰা পৰিত্ৰাণ পাওঁ"? মোৰো সেই কথা শুনি খুব বেজাৰ লাগিছিল, মোৰো তাক এবাৰ ওচৰৰ পৰা চাবৰ মন গৈছিল। তাৰ মনৰ কথাবোৰ শুনিবৰ মন গৈছিল। আচৰিত কথা দুদিন পিচতেই আমাৰ ঘৰলৈও আহিছিল। এসময়ত মোৰ বাবে হীৰা মাণিক ডোখৰক মই বহুপৰ চাই আছিলো। মুখমণ্ডলত সেই বিদুষণৰ আভা, দেখনিয়াৰ পুৰুষসুলভ চেহেৰা, তাৰ মাজতো যেন মই দেখা পাইছিলো মানসিকভাৱে জৰ্জড়িত এখন হৃদয়। সি আঁৰবেৰ নথকাকৈ এফালৰ পৰা সকলো কথাই মই মোৰ বান্ধৱীৰ পৰা আগতেই জানিছিলো। তাৰ মোৰ প্ৰতি থকা বিশ্বাস আৰু আগ্ৰহ দেখিয়েই নিঃসংকোচ প্ৰথমতেই সুৰ লগাই গাই গৈছিল নামঘোষাৰ এফাকি পদ—

আপুনি আপোন বন্ধু<br>
আপুনি আপোন শত্ৰু<br>
আপুনি আপোন ৰাখে মাৰে<br>
হৰিক হোৱয় নৰ<br>
আপুনি হোৱয় নষ্ট<br>
হৰি ভজি আপোনাক তৰে

আমি নিজৰ দ্বাৰা নিজকে কেনেকৈ উদ্ধাৰ কৰিব পাৰি তাৰ চিন্তা কৰাৰহে একান্ত প্ৰয়োজন আছে। ইয়াৰ তাৎপৰ্যৰ কথা হ'ল শৰীৰ, মন, বুদ্ধি ইত্যাদিৰ প্ৰভাৱৰেৰে নিজেই নিজক মুক্ত কৰিব লাগিব। এতিয়া আমাৰ মনলৈ প্ৰশ্ন আহিব পাৰে ঈশ্বৰ, সাধু, মহাত্মা, গুৰু শাস্ত্ৰৰ বিদ্যা এইবিলাকৰ দ্বাৰাওতো মানুহ উদ্ধাৰ হয়, তেনেহ'লে নিজেই নিজৰ উদ্ধাৰ কৰিব পাৰি এই কথাও নো নামঘোষাত কিয় মাধৱদেৱে পুৰুষে ক'লে। তাৰ উত্তৰত ইয়াকে ক'ব পাৰি ওপৰত উল্লেখ কৰা সকলো উক্তিয়ে আমাক উদ্ধাৰ কৰিব পাৰে যেতিয়া তেওঁলোকৰ প্ৰতি আমাৰ একান্ত শ্ৰদ্ধা হয়। সেই শ্ৰদ্ধা আমাৰ ভিতৰৰ পৰা আহিব লাগিব, নিজেই কৰিব লাগিব। আজি পৰ্যন্ত ভগৱানৰ অনেক অৱতাৰ আবিৰ্ভূত হৈছে, অনেক ভগৱদ প্ৰেমী গুৰৱে নিস্বাৰ্থভাৱে জগতৰ মানুহৰ বাবেই কাম কৰি গৈছে, তথাপিও মানুহে উদ্ধাৰ পোৱা নাই। ইয়াৰ পৰা এইটোৱেই প্ৰমাণিত হৈছে যে আমি তেওঁলোকক অন্তৰেৰে সৈতে শ্ৰদ্ধা কৰা নাই, তেওঁলোকে দেখুৱাই যোৱা পথ অনুকৰণ কৰা নাই, উদ্ধাৰো পোৱা নাই। সেয়েহে নিজকে নিজে উদ্ধাৰ হ'ব পৰা একান্ত বন্ধু হ'ব পৰা নাই, তাৰ বিপৰীতে নিজৰ কাৰণে নিজেই শত্ৰুতা কৰি আছো। তাৰ প্ৰাধান কাৰণ আমাৰ মন আৰু বুদ্ধি এই কথাও আমি জানো, কিন্তু কাৰ্যক্ষেত্ৰত মনক কাবু কৰিব নোৱাৰো। নিজ জ্ঞানৰ অশ্ৰদ্ধা কৰাৰ অৰ্থ হ'ল আমি যি জানো সেই অনুযায়ী কাম নকৰো। যেনেদৰে সত্য কাৰা উচিত, মিচা কোৱা অনুচিত, তথাপিও স্বাৰ্থৰ কাৰণে মিচা কওঁ, কিন্তু অন্তৰৰে জানি থাকো তাৰ বাবে দুখ পাওঁ। কোনোৱে ভাল কথা কৈ সুখ দিলে ভাল পাওঁ, দুখ দিলে বেয়া পাওঁ, সেই কথা জানিও নিজৰ সুখৰ কাৰণে ইন্দ্ৰিয় তৃপ্তিৰ কাৰণে বেলেগক দুখ দিওঁ। এইবোৰ কিমান পৰিতাপৰ কথা। জানি শুনিও আমি ভুল কৰি থাকো।

মই ধনমইনাৰ মুখলৈ নেচোৱাকৈ অনৰ্গল কথাবোৰ যেন গাই গৈছিলো। তেওঁ শুনি থকাৰ পৰাই কৈছিল— "আমাৰ মন বুদ্ধিয়েই আমাক লৈ ফুৰাই নহয়নে? গীতাত সেই যিয়ে কি কয় মোক এটা আভাস দিবনে?"

মোৰ ভাল লাগিছিল সঁচাকৈয়ে তেওঁ গীতাৰ জ্ঞান পাব বিচাৰে। আচলতে গীতাৰ কথাবোৰ পৰম শ্ৰদ্ধাৰে আকোৱালি ল'ব পাৰিলেহে কল্যান হয়, অন্যথা পঢ়ি গ'লে শুনি গ'লে বিশেষ একো কামত নাহে।

মই ভাবি চিন্তি গীতাৰ ষষ্ঠ অধ্যায়ৰ কেইটামান শ্লোকৰ ভাবাৰ্থ কৈ গৈছিলো।

"গীতাত অৰ্জুনে কৃষ্ণক কৈছিল— হে কৃষ্ণ, মনটো স্বাভাৱিকতে বৰ চঞ্চল, সি উত্ৰাৱল আৰু আকোৰগোজ স্বভাৱৰ অথচ বৰ শক্তিশালী। মই ভাবো তাক বশ কৰাটো বায়ুক বশ কৰাতকৈয়ো অধিক কঠিন।"

সংসাৰত বাস কৰা মানুহে অনবৰতে নানা ৰকমৰ প্ৰতিকূল অৱস্থাৰ লগত সংগ্ৰাম কৰি থাকিবলগীয়া হোৱা বাবেই মনক নিয়ন্ত্ৰণ ৰাখিবলৈ প্ৰবল বতাহক নিয়ন্ত্ৰণ কৰাতকৈয়ো কঠিন হৈ পৰে, সন্দেহ নাই মানুহৰ মনটো অতিকৈ চঞ্চল। অকল অভ্যাস আৰু বৈৰাগ্যৰ ভাব জগাই তাৰ বশীভূত কৰিব পৰা যায়।

"নিজৰ মনটোৰ সহায়েৰেই বন্ধনত থকা নিজৰ জীৱটোক ওপৰলৈ নিব লাগে, তাক তললৈ থেলি দিব নালাগে। মনটোৱে ই নিশ্চিতভাৱে নিজৰ বাবে বন্ধুও হ'ব পাৰে আৰু শত্ৰুও হ'ব পাৰে।"

মনটোক নিয়ন্ত্ৰিত কৰি ইন্দ্ৰিয় বিষয়ৰ আসক্তিৰ পৰা আতৰাই আনিবলৈ এনেভাৱে মনক প্ৰশিক্ষণ দিব লাগিব যাতে জীৱই অজ্ঞানবশতত পৰি থকা মহাসংকটৰ পৰা নিজে নিজেই উদ্ধাৰ কৰিব পাৰে। যিজনে মনটো জয় কৰিব পাৰিছে, তেওঁৰ বাবে মনটোৱেই আটাইতকৈ ডাঙৰ বন্ধু। কিন্তু যিজনে তেনে কৰিব পৰা নাই তেওঁৰ মনটো সদায়েই শত্ৰু হৈ ৰ'ব। সেয়ে মানৱ জীৱনৰ সৎ উদ্দেশ্য সাধনৰ বাবে অভ্যাস প্ৰণায়াম আদি কৰাৰ অভ্যাস কৰিব লাগে। যিজনে মনক সংযত কৰিব নোৱাৰে তেওঁ অনবৰতে শত্ৰুৰ লগত সহবাস কৰি থকাৰ দৰে হয়। যনেকৈ প্ৰকৃত বন্ধুৱেনহে আমাক ভুল শুদ্ধবোৰ দেখুৱাই দিব জানে।

ধনমইনাই মোৰ মুখলৈ চাই আবেগমিহলি মাতেৰে কৈছিল— "মই যে দিনে দিনে মনালিচাৰ বিচ্ছেদ একেবাৰে সহ্য কৰিব নোৱাৰা হৈ আহিছো, অথচ মোৰ মাজে মাজে কি হয় জানো নিজকে নিয়ন্ত্ৰণ আৰু ক'ব নোৱাৰিলে, আত্মগ্লানিত দুটোপাল চকুলো বৈ আহিল, মোহাৰিবলৈও চেষ্টা নকৰিলে।

মই তেওঁক আশ্বাস দিবলৈকে গভীৰ আন্তৰিকতাৰে কৈছিলো,— "দৰি লৈছো ই এটা তোমাৰ বেমাৰ, তেজতেই আছে, পিচেএই বেমাৰ আঅকল যে তোমাৰেই আছে বুলি নাভাবিবা, আমাৰ এইখন সমাজতে এনে বহু প্ৰসিদ্ধ শিল্পী, সাহিত্যিক, বুদ্ধিজীৱি, ৰাজনীতিবিদৰ আছে। তেওঁলোকে নাৰীৰ পৰা প্ৰেম আৰু সান্নিধ্য ভোগ কৰি থাকে, আনন্দত মতলীয়া হৈ ভাবে যশ আৰু কীৰ্তি থকাৰ বাবেই এইয়ো তেওঁলোকৰ প্ৰাপ্য, নাৰী মাথো পুৰুষৰ ভোগৰ বাবেই। তোমাৰ দৰে অৱশ্যে এইদৰে অনুশোচনাত দগ্ধ হৈ প্ৰতিকাৰৰ উপায় বিচাৰি থকা মানুহ খুব বিৰল। তোমাৰ হৃদয়ৰ ৰাণী গৰাকীক এদিন হয়তো আকোৱালি ল'ব পাৰিবা। অৱশ্যে নিজকে সংযত কৰিব নোৱাৰিলে মানসিক যন্ত্ৰণাত ভুগি ভুগিয়েই প্ৰিয়তমা পত্নীৰ পৰা আতৰি থাকিয়েই এদিন এই পৃথিৱীৰ পৰা বিদায় মাগিব লাগিব, তোমাৰ আত্মাত সঞ্চিত হৈ ৰ'ব মাথো কিছু কলংৰ চেকা। ঠিক আছে, শেষত তোমাক এটা কাহিনী কৈ মোৰ ব্যক্তব্য শেষ কৰিব বিচাৰিছো। মনত ৰাখিবা ইয়াৰ পিচত যাতে কোনো প্ৰশ্নই অৱতাৰণা নকৰা, তুমি যেনেকৈয়ে যি বুজিবা মই উত্তৰ দিবলৈ অপাৰগ।

**কাহিনী ঃ** এবাৰ জন বহুমূত্ৰ ৰোগত আক্ৰান্ত ৰোগীয়ে ডাক্তৰৰ ওচৰলৈ গৈ ক'লে— "সকলো ডাক্তৰে মোক মিঠা খোৱাৰ পৰা বিৰত থাকিবলৈ কয়, কিন্তু মই কোনো পধ্যেই মোৰ লোভ সম্বৰণ কৰিব নোৱাৰো, লুকাই চোৰকৈ হ'লেও খাবই লাগিব, তথাপিও প্ৰখ্যাত ডাক্তৰ হিচাপে আপোনাৰ ওচৰলৈ আহিছো। দুই কুল ৰক্ষা কৰি মোৰ কিবা এচটা পৰামৰ্শ দিয়ক।" ডাক্তৰে বহুত ভাবি চিন্তি ক'লে— "আপুনি অকপচে নিজৰ লোভৰ কথা স্বীকাৰ কৰিছে সেয়ে ময়ো পৰামৰ্শ দিও আপুনি বাৰু দিনৌ এটা লাড্ডু খাব, তাতকৈ বেছি কেতিয়াও নাখাব। এমাহ মানৰ পিচত মোৰ ওচৰলৈ পুনৰ আহিব পৰীক্ষা কৰি দৰৱ কমা বঢ়া কৰিব লাগিব পাৰে।" ৰোগীজনে তিনিমাহ মানৰ পিচত হে ডাক্তৰৰ ওচৰলৈ গ'ল। ডাক্তৰে পৰীক্ষা কৰি জানিব পাৰিলে ইতিমধ্যে ৰোগ বহুত বাঢ়ি গৈছে, ৰোগ নিয়ন্ত্ৰণৰ বাহিৰত। ভৰিৰ আঙুলিটো ঘজ্জা হৈছিল, মানুহজন একেবাৰে নিশকটীয়া হৈ পৰিছিল, কাৰণ একো দৰবেই কাম দিয়া নাছিল। ডাক্তৰে চিন্তিত হৈ মানুহজনক সুধিলে, আপোনাক মই এটা লাড্ডুহে খাবলৈ দিছিলো। মোৰ কথা কিয় নুশুনিলে।" তেতিয়া মানুহজনে ক'লে— "বিশ্বাস কৰক ডাক্তৰ, মই দিনৌ এটা লাড্ডুহে খাইছিলো।" ডাক্তৰে খঙেৰে সুধিলে— "তেনেহ'লে আপোনাৰ লাড্ডুটো আধাকেজি মানৰ আছিল নেকি?" ৰোগীজনে উত্তৰ দিলে— নহয় নহয় মই খোৱা লাড্ডুটোৰ ওজন এশ ডেৰশ গ্ৰাম মানৰহে হ'ব। আপুনি যেতিয়া নিতৌ লাড্ডু খোৱাৰ কথা কৈছিল মোৰ মনলৈ তেতিয়াই বুদ্ধিটো আহিল ডাক্তৰে যিহেতু এটা লাড্ডু খাবলৈ দিছেই মইনো ডাঙৰ পৰিমাণৰ নাখাও কিয়।" ডাক্তৰে চিঞৰি উঠিল, "ইস্ ইস্ আপুনি কি কৰিলে, অকল জীভাৰ লোভৰ বাবে শৰীৰটোত ইমান অত্যাচাৰ কৰিব লাগেনে? আপোনাৰ ধ্বংসপ্ৰাপ্ত শৰীৰটো এতিয়া কোনো ডাক্তৰেই মেৰামেট কৰিব নোৱাৰে, ভৰিৰ আঙুলি কিটাও ঘা ডোখোৰৰ বাবে কাটিবলগীয়া হ'ব পাৰে।" মানুহজনৰ মনলৈ তেতিয়াহে অনুশোচনা হ'ল, তেতিয়া তেওঁৰ আৰু কোনো উপায়েই নাছিল। নিজেই নিজৰ দেহাৰ ওপৰত শত্ৰুতা কৰি ভুল কৰিলে সেই কথা উপলব্ধি কৰিব পাৰিলে, কাক দোষাৰোপ কৰিব এতিয়া? তেওঁৰ দুষ্ট বুদ্ধিয়েই তেওঁকেই কেনেকৈ শত্ৰুতা কৰি ধ্বংস কৰি দিলে। তেওঁ বাৰুকৈয়ে ধৰিব পাৰিলে লোভটো সম্বৰণ কৰিব নোৱাৰা মনটোৱেই তেওঁ আটাইতকৈ ডাঙৰ শত্ৰু হিচাবে ধৰা দিলে, এই শত্ৰুৰূপী মনটো বন্ধু ৰূপেৰে জয় কৰিব পাৰিলেহে মানুহে উদ্গতি লাভ কৰিব পাৰে। অন্যথা এই অমূল্য মানৱ জীৱন নিজৰ ভুলৰ বাবেই একেবাৰে বৃথা হৈ যায়।

কাহিনীটো শেষ হোৱাৰ লগে লগে এটাও প্ৰশ্ন অৱতৰণ নকৰাকৈ ধনমইনাই মাত লগাই গুচি গ'ল, সেই মুহূৰ্তত মই একো ধৰিবই নোৱাৰিলো পিচত মুম্বাই চহৰৰ পৰা ফোন কৰি জনাইছিল, "আণ্টি চাই থাকিব, এটা বা দুটা বছৰৰ পিচত মই মনালিচাক লৈ অসমলৈ আহিম, পুনৰ সংসাৰ পাতিম। এতিয়া ময়ো তাৰ প্ৰতিজ্ঞাতে দিন কটাইছো। আপুনি আপোন বন্ধু হ'ব পাৰিবনে ধনমইনাই?

*শেষাংশ ১ পৃষ্ঠাত*

# শুভ নৱবৰ্ষ

যুগত ৰাজ্যৰ যুৱ সমাজ পথভ্ৰষ্ট হোৱা বুলি সততে অভিযোগ উঠি আহিছে। পুৰণিক পাহৰি নতুনক আদৰি জীৱনৰ বাটত আগবাঢ়ি যোৱাই মানুহৰ জীৱনৰ প্ৰধান ব্ৰত। আমি এটা বৰ্ষক বিদায় দি আন এটা নতুন বছৰ আদৰি ল'লো। নতুন বছৰত কিছু চিন্তা কিছু আশাৰ বতৰা লৈ বছৰৰ প্ৰথম দিনটোতে মহানগৰীৰ বিভিন্ন স্থানত দৰ্শক, ভক্তপ্ৰাণ, কাব্যগ্ৰন্থপ্ৰেমী ৰাইজৰ সমাহাৰে জীপাল কৰিলে ৰাজ্যৰ প্ৰধান চহৰ গুৱাহাটী মহানগৰ। উল্লেখযোগ্য যে, অসম প্ৰকাশন পৰিষদৰ উদ্যোগত চলি থকা ৩১ তম গুৱাহাটী গ্ৰন্থমেলাত বনভোজৰ আনন্দক নেওচি বিভিন্ন প্ৰান্তৰ পৰা গ্ৰন্থপ্ৰেমী লোক, শিশু, অভিভাৱক-অভিভাৱিকাৰ উপস্থিতিয়ে এক নতুন আশাৰ সঞ্চাৰ ঘটাইছে। আমাৰ মাজৰ পৰা হেৰাই যোৱা কিতাপ পঢ়াৰ প্ৰৱণতা পুনৰ উজ্জীৱিত কৰাৰ মানসেৰে সচেতন পিতৃ-মাতৃয়ে তেওঁলোকৰ সন্তানক বছৰৰ প্ৰথম দিনাই গ্ৰন্থৰ সুবাস দিয়া এক ইতিবাচক চিন্তাৰ প্ৰকাশ বুলিব পাৰি। অন্যহাতে ২২ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা গুৱাহাটী গ্ৰন্থমেলাত প্ৰত্যেকদিনাই ন-পুৰণি সাহিত্যিকৰ গ্ৰন্থ উন্মোচন হৈ আহিছে। তাৰ ব্যতিক্ৰম নহ'ল বছৰৰ প্ৰথম দিনটোও। গ্ৰন্থমেলাৰ বাকৰিত তিনিশৰো অধিক ন-পুৰণি দেশী-বিদেশী কবিৰ কাব্য সংকলন হেজাৰ কবিৰ সপোন উন্মোচন কৰা হয়। উল্লেখযোগ্য যে, সদৌ অসম কবি সন্মিলনীৰ সভাপতি আনিছ উজ জামান, জ্যেষ্ঠ কবি ৰবীন্দ্ৰ বৰা, কৌস্তভ মণি শইকীয়া আদি উপস্থিত থকা সভাত হেজাৰ কবিৰ সপোন উন্মোচন কৰে চিৰপৰিচিত কবি ৰবীন্দ্ৰ বৰাই। ড° লখিমী গগৈক মুখ্য সম্পাদক আৰু মৃণাল কুমাৰ বৰাৰ লগতে প্ৰীতি বৰাক সম্পাদক হিচাপে লৈ উন্মোচন কৰা দ্বি-ভাষিক কাব্য সংকলনখন প্ৰকাশ কৰি উলিয়াইছে কস্তুৰি প্ৰকাশনে। বছৰৰ প্ৰথম দিনটোতে গ্ৰন্থমেলাৰ বাকৰিত উন্মোচন হোৱা আন আন গ্ৰন্থ কেইখন হ'ল কুঁহি প্ৰকাশনৰ দ্বাৰা প্ৰকাশিত মঞ্জুশ্ৰী ডেকাৰ সুৰৰ বীথিকা আৰু অনুভূতি। আনহাতে গ্ৰন্থমেলাৰ মূল মণ্ডপত দিনৰ বাৰ বজাত আনন্দৰাম বৰুৱা ভাষা-কলাকৃষ্টি গৱেষণা সংস্থাৰ দ্বাৰা বাণী শৰ্মা সম্পাদিত অসমীয়া সাহিত্যৰ বুৰঞ্জী (তৃতীয় খণ্ড), ড° উপেন ৰাভা হাকাচামৰ দ্বাৰা সম্পাদিত 'ক্লিনচ এণ্ড চাবনেমচ অফ ইণ্ডিজেনিয়াছ পিপ'ল এণ্ড ট্ৰাইপচ ইন আসাম' ড° অশোক কুমাৰ গোস্বামীয়ে প্ৰণয়ন কৰা ৰামায়ণৰ বাক্যামিত অসমীয়া অনুবাদ আৰু টোকাৰ লগতে প্ৰমোদ চন্দ্ৰ ভট্টাচাৰ্যৰ 'একচেষ্ট অফ দ্যা লেংগুৱেজ অফ নৰ্থ ইষ্ট ইণ্ডিয়া'। ইয়াৰ উপৰিও ৰুবি কলিতাৰ গল্প সংকলন যি বাটেৰে প্ৰেম আহে শীৰ্ষক গ্ৰন্থখনো পহিলা জানুৱাৰীত গ্ৰন্থমেলাৰ বাকৰিত উন্মোচন কৰা হয়। আনহাতে চিৰন্তন সাহিত্যৰ উদ্যোগত দিনৰ ঘাঁহনিৰ কবিতা উদ্যাপন কৰা হয় দীঘলী পুখুৰীৰ পাৰত। উক্ত অনুষ্ঠানত দুখনকৈ কবিতাপুথি উন্মোচন কৰাৰ লগতে সাহিত্য অঁকাডেমী বঁটাপ্ৰাপক জয়ন্ত বৰা আৰু গণশিল্পী সূৰ্য দাসক সম্বৰ্ধনা জনোৱা হয়। সাহিত্যৰ এক অনবদ্য উপাদান হৈছে অনুবাদী সাহিত্য। বছৰৰ প্ৰথম দিনটোতে অসমীয়া সাহিত্য জগতত সংযোজিত হ'ল আন এক অনুবাদী সাহিত্য শৰৎ চন্দ্ৰৰ বৈঠকী গল্প। পহিলা জানুৱাৰীত গুৱাহাটী প্ৰেছ ক্লাৱত আয়োজিত গ্ৰন্থ উন্মোচনী সভাত মূল গোপাল চন্দ্ৰ ৰায়ৰ শৰৎ চন্দ্ৰৰ বৈঠকী গল্পৰ অনুবাদিত গ্ৰন্থখনৰ আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। গ্ৰন্থখন অসমীয়ালৈ অনুবাদ কৰিছে মালাশ্ৰী লস্কৰ বৰাই। অন্যহাতে মহানগৰীৰ পবিত্ৰ স্থান সমূহতো বিভিন্ন দৰ্শক ভক্তপ্ৰাণ ৰাইজৰ সমাহাৰ ঘটা পৰিলক্ষিত হয় বছৰৰ প্ৰথম দিনটোত। শক্তিৰ আৰাধনাৰ পীঠ কামাখ্যা ধাম, উগ্ৰতৰা, গণেশগুৰি গণেশ মন্দিৰ, লতাশিল গণেশ মন্দিৰ, শুক্ৰেশ্বৰ ধাম আদিত ভগৱানৰ আশীষ বিচাৰি অনেক ভক্তৰ সমাগম হয়। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ পৰা অহা বিভিন্ন কৌতূহলী লোকসকলে চিৰিয়াখানা, কলাক্ষেত্ৰ, শ্ৰদ্ধাঞ্জলি কানন আদি বিভিন্ন পৰ্যটন ক্ষেত্ৰত অগণন লোকৰ সমাৰেশ ঘটা দেখা যায়। নৱবৰ্ষৰ প্ৰথম দিনটোৰ শুভ লক্ষণ আছিল গৃহমুখী বেছিভাগ লোকেই গ্ৰন্থমেলাৰ বাকৰিত প্ৰৱেশ কৰি সৃষ্টি আৰু কৃষ্টিৰ সমাহাৰ উপভোগ কৰাৰ।

# বিদৰ্ভৰ দখলত ৰঞ্জী ট্ৰফী



**নিউজ ডেক্স ঃ** পোন প্ৰথমবাৰৰ বাবে বিদৰ্ভৰ দখলত ৰঞ্জী ট্ৰফী। ইন্দোৰৰ হুলকাৰ ষ্টেডিয়ামত ইতিহাস গঢ়ি পোনপ্ৰথমবাৰলৈ ৰঞ্জী ট্ৰফী দখল কৰে বিদৰ্ভই। ভাৰতীয় ক্ৰিকেট দলৰ প্ৰাক্তন তাৰকা গৌতম গম্ভীৰৰ নেতৃত্বাধীন দিল্লীৰ দলটোক ৯ উইকেটত পৰাস্ত কৰি সহজেই বিজয় সাব্যস্ত কৰে বিদৰ্ভই। ইয়াৰ লগে লগেই দেশৰ ঘৰুৱা ক্ৰিকেটৰ সৰ্ববৃহৎ প্ৰতিযোগিতাখনত বিজয় সাব্যস্ত কৰে। উল্লেখযোগ্য যে, দিল্লীৰ প্ৰথম ইনিংছ ২৯৫ ৰাণত সীমাৱদ্ধ কৰাৰ পাছতেই বিদৰ্ভই প্ৰথম ইনিংছত সংগ্ৰহ কৰিছিল ৫৪৭ ৰাণ। প্ৰথম শ্ৰেণীৰ ক্ৰিকেটত প্ৰথম শতক অৰ্জনকাৰী অক্ষয় ৱাদকাৰৰ সহায়ত বিদৰ্ভই ৰাণৰ পাহাৰ গঢ়িবলৈ সক্ষম হয়। আনহাতে প্ৰথম ইনিংছত ২৫২ ৰাণত পিছপৰি ৰোৱা দিল্লীয়ে উক্ত মেচখনৰ দ্বিতীয় ইনিংছত মাত্ৰ ২৮০ ৰাণহে সংগ্ৰহ কৰিবলৈ সক্ষম হয়। যাৰ ফলস্বৰূপে বিদৰ্ভৰ সন্মুখত জয়ৰ লক্ষ্য হ'লগৈ মাত্ৰ ২৯ ৰাণ। ইয়াৰ বিপৰীতে বিদৰ্ভই মাত্ৰ ১ উইকেটৰ বিনিময়ত এই লক্ষ্যত উপনীত হয়। ইয়াৰ লগে লগেই ভাৰতৰ প্ৰাক্তন টেষ্ট তাৰকা ৱাছিম জাফাৰৰ নেতৃত্বাধীন বিদৰ্ভ দলটোই পোনপ্ৰথমবাৰলৈ ৰঞ্জী ট্ৰফী দখল কৰিবলৈ সক্ষম হয়।



# আঘাতপ্ৰাপ্ত শিখৰ ধাৱন

**নিউজ ডেক্স ঃ** দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া টেষ্ট শৃংখলাৰ পূৰ্বেই আঘাতৰ সন্মুখীন হৈছে ইনফৰ্ম বেটছমেন খ্যাত শিখৰ ধাৱন। ভাৰতীয় তাৰকাগৰাকীৰ আঘাতে দলটোক কিছু পৰিমাণে চিন্তিত কৰি তুলিছে। গোৰোৱাত আঘাত পোৱাৰ বাবেই শৃংখলাৰ প্ৰথমখন মেচৰ পৰা বিৰত থাকিব তাৰকাগৰাকী। ইয়াৰ পৰিৱৰ্তে দলত স্থান লাভ কৰিছে নৱাগতা লোকেশ ৰাহুলে। উল্লেখযোগ্য যে, দক্ষিণ আফ্ৰিকাৰ বাউন্সি পিটছত প্ৰথম যুটিৰ সাফল্য পোৱাটো অতিকৈ আৱশ্যক। দলৰ প্ৰশিক্ষক ৰবি শাস্ত্ৰীয়েও দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'বলগীয়া টেষ্ট শৃংখলাত শিখৰ ধাৱনৰ জৰিয়তেই ইনিংছ মুকলি কৰাৰ কথা প্ৰকাশ কৰিছিল।

## আইএছএলৰ সপ্তাহটোৰ খেল সমূহ

৪ জানুৱাৰী ঃ কেৰেলা ব্লাষ্টাৰ্চ বনাম পুণে চিটি

৫ জানুৱাৰী ঃ জামছেদপুৰ বনাম মুম্বাই চিটি

৬ জানুৱাৰী ঃ নৰ্থ ইষ্ট বনাম গোৱা

৭ জানুৱাৰী ঃ বেঙ্গালুৰু বনাম এ টি কে

৭ জানুৱাৰী ঃ চেন্নাই বনাম দিল্লী

১০ জানুৱাৰী ঃ দিল্লী বনাম কেৰেলা ব্লাষ্টাৰ্চ

১১ জানুৱাৰী ঃ গোৱা বনাম জামছেদপুৰ

# বিশ্বাসঘাতক পাকিস্তান ঃ সম্ভৱ নহয় ক্ৰিকেটৰ সম্পৰ্ক





**নিউজ ডেক্স ঃ** নৱবৰ্ষৰ প্ৰথম সপ্তাহতেই চুবুৰীয়া পাকিস্তানৰ সৈতে ক্ৰিকেটৰ সম্পৰ্ক পুনৰুজ্জীৱিত কৰাৰ পৰিকল্পনা নস্যাৎ কৰিছে ভাৰত চৰকাৰৰ বৈদেশিক মন্ত্ৰী সুষমা স্বৰাজে। দেশখনৰ চুবুৰীয়া ৰাষ্ট্ৰ পাকিস্তানৰ বিৰুদ্ধে ক্ৰিকেটৰ তিক্ততাপূৰ্ণ সম্পৰ্ক নতুনকৈ গঢ় দিয়াৰ ক্ষেত্ৰত ক্ৰিকেট প্ৰভাৱী হোৱাৰ সম্ভাৱনা আছে যদিও ভাৰতীয় বৈদেশিক মন্ত্ৰীগৰাকীয়ে ইয়াক নস্যাৎ কৰি কয় পাকিস্তানৰ বিশ্বাসঘাতক আচৰণৰ কাৰণেই দেশখনৰ লগত সম্প্ৰতি ক্ৰীড়া সম্বন্ধ অটুত ৰখাটো সম্ভৱ নহয়। উল্লেখযোগ্য যে, দীৰ্ঘদিনে ভাৰত-পাকিস্তানৰ দ্বি-পাক্ষিক শৃংখলাৰ বিষয়টোৱে সমগ্ৰ বিশ্বৰ ক্ৰীড়া মহলত চৰ্চিত হৈ পৰিছে। পাকিস্তান ক্ৰিকেট ব'ৰ্ডে ভাৰতৰ বিৰুদ্ধে চুক্তি ভংগৰ অভিযোগ তুলি ইতিমধ্যে ক্ষতিপূৰণ বিচাৰি আদালতৰ দ্বাৰস্থ হৈছে। আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদৰ চুক্তি উলংঘা কৰাৰ অভিযোগ তুলি পাকিস্তান ক্ৰিকেট ব'ৰ্ডে ক্ষতিপূৰণ বিচাৰি অহাৰ সময়তে ভাৰত চৰকাৰে দেশখনৰ সৈতে নিৰপেক্ষ স্থানতো সম্প্ৰতি ক্ৰিকেট শৃংখলা সম্ভৱপৰ নহয় বুলি স্পষ্ট কৰি দিছে। ইয়াৰ উপৰি সুষমা স্বৰাজে কয় ভাৰত আৰু পাকিস্তানৰ মাজত সৃষ্টি হোৱা সাম্প্ৰতিক পৰিস্থিতিৰ বাবেও দেশখনৰ সৈতে ক্ৰীড়া সম্বন্ধ উন্নত কৰাৰো কোনো পৰিকল্পনা কৰা নাই আৰু ইয়াৰ লগে লগেই ভাৰত আৰু পাকিস্তানৰ মাজত অনুষ্ঠিত হ'বলগীয়া দ্বি-পাক্ষিক শৃংখলাৰ সম্ভাৱনা একপ্ৰকাৰে নুই কৰিলে।

# আই পি এল নেখেলে মিচেল মাৰ্শ্বৰ



**নিউজ ডেক্স ঃ** বিশ্বৰ ক্ৰিকেট জগতৰ অন্যতম আকৰ্ষণীয় ক্ৰিকেট প্ৰতিযোগিতা হিচাপে পৰিচিত আই পি এল। কিন্তু এই হাই ভল্টেজ মেগা ইভেণ্টখনত অংশগ্ৰহণ নকৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে অষ্ট্ৰেলিয়াৰ তাৰকা মেচেল মাৰ্শ্বে। প্ৰতিযোগিতাখনৰ দশম সংস্কৰণৰ বাবে নতুনকৈ হ'বলগীয়া খেলুৱৈ নিলাম প্ৰক্ৰিয়া অব্যাহত থকাৰ সময়তে কেংগাৰু তাৰকা গৰাকীয়ে এই কথা সদৰি কৰিছে। টেষ্ট কেৰিয়াৰৰ প্ৰতি লক্ষ্য ৰাখি আই পি এলৰ দশম সংস্কৰণৰ পৰা আঁতৰি থকাৰ সিদ্ধান্ত লৈছে মিচেল মাৰ্শ্বে। উল্লেখযোগ্য যে ২৬ বছৰীয়া খেলুৱৈ গৰাকীয়ে বিগত বৰ্ষত ৪.৮ কোটি টকাৰ বিনিময়ত ৰাইজিং পুনে ছুপাৰ জায়েণ্টছ দলত চুক্তিৱদ্ধ হৈছিল।

# দক্ষিণ কোৰিয়াত খেলিব উত্তৰ কোৰিয়াই



**নিউজ ডেক্স ঃ** সমাগত শীতকালীন অলিম্পিক। উক্ত মেগা ভল্টেজ প্ৰতিযোগিতাখনৰ বাবে ইতিমধ্যেই অংশগ্ৰহণকাৰী দেশসমূহে প্ৰস্তুতি তুংগত ৰাখিছে। কিন্তু দক্ষিণ কোৰিয়াত অনুষ্ঠিত হ'বলগীয়া প্ৰতিযোগিতাখনত উত্তৰ কোৰিয়াই অংশগ্ৰহণ কৰিবনে নকৰে সেয়া এক চিন্তিত বিষয় হৈ পৰিছিল। কিন্তু নৱবৰ্ষৰ সময়তেই দেশখনৰ একচ্ছত্ৰী সম্ৰাট কিমজং উনে এক ইতিবাচক ইংগিত প্ৰদান কৰিছে। উত্তৰ কোৰিয়া আৰু দক্ষিণ কোৰিয়াৰ মাজত সংঘাত প্ৰতিদিনে বৃদ্ধি পালেও শীতকালীন অলিম্পিকত উত্তৰ কোৰিয়াই অংশগ্ৰহণ কৰা নিশ্চিত বুলি কিমজঙে আওপকীয়াকৈ প্ৰকাশ কৰাৰ পিছতেই দেশৰ খেলুৱৈসকলৰ মাজত আশাৰ ৰেঙণি সৃষ্টি হৈছে। উল্লেখযোগ্য যে, অহা মাহত দক্ষিণ কোৰিয়াত অনুষ্ঠিত হ'ব শীতকালীন অলিম্পিক। দক্ষিণ কোৰিয়াই শীতকালীন অলিম্পিক গেমছ আয়োজন কৰি বিশ্বৰ ক্ৰীড়া জগতত শক্তিশালী আত্মপ্ৰকাশ ঘটোৱাৰ ক্ষণত উত্তৰ কোৰিয়াৰ অংশগ্ৰহণে শীতকালীন অলিম্পিক সফল কৰি তুলিব।

# ষ্টোকছৰ নাম প্ৰত্যাহাৰ



**লণ্ডন ঃ** অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে সমাগত এদিনীয়া শৃংখলাখনৰ বাবে ইংলেণ্ডৰ দলটোত কিছু সাল-সলনি কৰা হৈছে। শৃংখলাখনৰ পৰা ইংলেণ্ডৰ তাৰকা অলৰাউণ্ডাৰ বেণ্ড ষ্টোকছে নাম প্ৰত্যাহাৰ কৰিছে। ষ্টোকছৰ স্থানত বেটছমেন ডাবিদ মালানক অন্তৰ্ভুক্ত কৰা হৈছে। ১৪ জানুৱাৰীত মেলবৰ্ণত অনুষ্ঠিত হ'ব ইংলেণ্ড আৰু অষ্ট্ৰেলিয়াৰ মাজত প্ৰথমখন এদিনীয়া। অৱশ্যে ষ্টোকছক আই পি এলত খেলিবলৈ ইংলেণ্ড ক্ৰিকেট ব'ৰ্ডে অনুমতি প্ৰদান কৰিছে।

# শেষপৃষ্ঠা






### January

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | 1 | 2 | 3 | 4 | 5 | 6 |
| 7 | 8 | 9 | 10 | 11 | 12 | 13 |
| 14 | 15 | 16 | 17 | 18 | 19 | 20 |
| 21 | 22 | 23 | 24 | 25 | 26 | 27 |
| 28 | 29 | 30 | 31 | | | |

### February

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | | | | 1 | 2 | 3 |
| 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| 11 | 12 | 13 | 14 | 15 | 16 | 17 |
| 18 | 19 | 20 | 21 | 22 | 23 | 24 |
| 25 | 26 | 27 | 28 | | | |

### March

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | | | | 1 | 2 | 3 |
| 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| 11 | 12 | 13 | 14 | 15 | 16 | 17 |
| 18 | 19 | 20 | 21 | 22 | 23 | 24 |
| 25 | 26 | 27 | 28 | 29 | 30 | 31 |

### April

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| 8 | 9 | 10 | 11 | 12 | 13 | 14 |
| 15 | 16 | 17 | 18 | 19 | 20 | 21 |
| 22 | 23 | 24 | 25 | 26 | 27 | 28 |
| 29 | 30 | | | | | |

### May

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | | 1 | 2 | 3 | 4 | 5 |
| 6 | 7 | 8 | 9 | 10 | 11 | 12 |
| 13 | 14 | 15 | 16 | 17 | 18 | 19 |
| 20 | 21 | 22 | 23 | 24 | 25 | 26 |
| 27 | 28 | 29 | 30 | 31 | | |

### June

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | | | | | 1 | 2 |
| 3 | 4 | 5 | 6 | 7 | 8 | 9 |
| 10 | 11 | 12 | 13 | 14 | 15 | 16 |
| 17 | 18 | 19 | 20 | 21 | 22 | 23 |
| 24 | 25 | 26 | 27 | 28 | 29 | 30 |

### July

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| 1 | 2 | 3 | 4 | 5 | 6 | 7 |
| 8 | 9 | 10 | 11 | 12 | 13 | 14 |
| 15 | 16 | 17 | 18 | 19 | 20 | 21 |
| 22 | 23 | 24 | 25 | 26 | 27 | 28 |
| 29 | 30 | 31 | | | | |

### August

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | | | 1 | 2 | 3 | 4 |
| 5 | 6 | 7 | 8 | 9 | 10 | 11 |
| 12 | 13 | 14 | 15 | 16 | 17 | 18 |
| 19 | 20 | 21 | 22 | 23 | 24 | 25 |
| 26 | 27 | 28 | 29 | 30 | 31 | |

### September

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| 30 | | | | | | 1 |
| 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 9 | 10 | 11 | 12 | 13 | 14 | 15 |
| 16 | 17 | 18 | 19 | 20 | 21 | 22 |
| 23 | 24 | 25 | 26 | 27 | 28 | 29 |

### October

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | 1 | 2 | 3 | 4 | 5 | 6 |
| 7 | 8 | 9 | 10 | 11 | 12 | 13 |
| 14 | 15 | 16 | 17 | 18 | 19 | 20 |
| 21 | 22 | 23 | 24 | 25 | 26 | 27 |
| 28 | 29 | 30 | 31 | | | |

### November

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| | | | | 1 | 2 | 3 |
| 4 | 5 | 6 | 7 | 8 | 9 | 10 |
| 11 | 12 | 13 | 14 | 15 | 16 | 17 |
| 18 | 19 | 20 | 21 | 22 | 23 | 24 |
| 25 | 26 | 27 | 28 | 29 | 30 | |

### December

| S | M | T | W | T | F | S |
|---|---|---|---|---|---|---|
| 30 | 31 | | | | | 1 |
| 2 | 3 | 4 | 5 | 6 | 7 | 8 |
| 9 | 10 | 11 | 12 | 13 | 14 | 15 |
| 16 | 17 | 18 | 19 | 20 | 21 | 22 |
| 23 | 24 | 25 | 26 | 27 | 28 | 29 |

## HAPPY NEW YEAR

কিৰণ কুমাৰ গগৈৰ হৈ সংগীতা চৌধুৰীৰ দ্বাৰা অনুভূতি প্ৰিণ্টাৰ্ছ এণ্ড পাব্লিকেশ্বন, এ ডি টাৱাৰ লালমাটি, বেলতলা, গুৱাহাটী-৭৮১ ০২৯ ত মুদ্ৰিত আৰু ৰাজগড় পথ, বিহুতলি, গুৱাহাটী-৭৮১০০৭ কুঁহিপাত প্ৰেছত প্ৰকাশিত।
ফোন ঃ ৭০৮৬৫২২৫৫৮/৭৩৯৯০৩৫৭৫০/ই-মেইল- Janamukti11@gmail.com

মুখ্য সম্পাদক ঃ উপেন্দ্ৰ নাথ কলিতা

সম্পাদক ঃ ৰীতা দেৱী